● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত

গুৱাহাটী (০৩৬১) ২২৬১৯২৩
চাৰ্কুলেচন ঃ ম'বাইল ঃ ৮৪৮৬৯৮০২৮১
বিজ্ঞাপন ঃ ম'বাইল ঃ ৯৮৬৪৮৯৭১৭৫
যোৰহাট ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com
■ কাকত নাপালে ফোন কৰক ঃ ৯১০১২-৩৮০০৩

# দৈনিক অগ্ৰদূত

সামাজিক দায়বদ্ধতাত অবিচল

**দিগ্‌দৰ্শন**



সভ্যতাৰ এনে কোনো নথিপত্ৰ নাই যি একে সময়তে বৰ্বৰতাৰ নথি নহয়।

ৱাল্টাৰ বেঞ্জামিন
*জাৰ্মান বুদ্ধিজীৱী*

www.dainikagradoot.in

৭ ইউক্ৰেইনত প্ৰকট হৈছে ভয়াবহ স্বাস্থ্য সংকট
১৫ এছিয়ান গেমছলৈ জয়ন্তৰ যোগ্যতা
৪ ফেচিবাদৰ উৎস ঃ জনসাধাৰণক অবাধে শোষণ কৰাই ফেচিবাদৰ লক্ষ্য

RNI-Regd No. 62953/96 ■ সপ্তবিংশতিতম বছৰ ● ১৬৮তম সংখ্যা ● গুৱাহাটী ● সোমবাৰ ১৩ চ'ত ১৪২৮ ভাস্কৰাব্দ ২৮ মাৰ্চ ২০২২ চন ■ DAINIK AGRADOOT ● Guwahati ● Monday 28 March 2022 মূল্য ঃ ৯.০০ টকা

■ কেন্দ্ৰই পুনৰ ছমাহৰ বাবে অতিৰিক্ত ৰছদ দিব ৮০ কোটি লোকক ■ ক'ভিড হ্ৰাস পালেও আৰ্থিক সংকট অব্যাহত ■ ইন্ধনসহ নিত্য প্ৰয়োজনীয় সামগ্ৰীৰ মূল্যবৃদ্ধিত কোঙা জনসাধাৰণ

# ৩.৪০ লাখ কোটিৰে বিনামূলীয়া ৰছদ

চৰকাৰৰ বিবৃতিতে প্ৰকাশ পালে সমস্যাৰ গভীৰতা ■ ছমাহত ব্যয় হ'ব ৮০ হেজাৰ কোটি

■ নিউজ ব্যুৰ'

**নতুন দিল্লী, ২৭ মাৰ্চ ঃ** দ্বিতীয়বাৰলৈ উত্তৰ প্ৰদেশৰ গাদী দখলৰ পাছত মুখ্যমন্ত্ৰী যোগী আদিত্যনাথে কালি পুৱা বিনামূলীয়াকৈ তিনিমাহৰ বাবে অতিৰিক্ত ৰেছন যোগানৰ ঘোষণা কৰাৰ পাছত সন্ধিয়ালৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সমগ্ৰ দেশতে ছমাহৰ বাবে বিনামূলীয়া ৰেছন প্ৰদানৰ কথা ঘোষণা কৰে।



খোৱা তেল তথা নিত্য প্ৰয়োজনীয় সামগ্ৰীৰ দাম যি ধৰণে বৃদ্ধি পাইছে তাৰ দ্বাৰা দৰিদ্ৰ জনসাধাৰণৰ জীৱনলৈ আহুকাল নামি আহিছে। সমস্যা গভীৰ হৈছে দেশৰ সাধাৰণ ৰাইজৰ। কংগ্ৰেছে ইতিমধ্যে ইয়াৰ প্ৰতিবাদত 'মেহংগা মুক্ত ভাৰত' অৰ্থাৎ মূল্যবৃদ্ধিমুক্ত ভাৰত নামেৰে প্ৰচাৰ অভিযানৰ ঘোষণা কৰিছে। দেশত ক'ভিডৰ প্ৰকোপ হ্ৰাস পালেও

কালি বিয়লি কেন্দ্ৰীয় মন্ত্ৰীসভাৰ বিশেষ বৈঠকত এই সিদ্ধান্ত গ্ৰহণ কৰা হয়। উচ্চস্তৰীয় চৰকাৰী সূত্ৰই প্ৰকাশ কৰা অনুসৰি ৰন্ধন গেছ, পেট্ৰ'ল-ডিজেল, কেৰাচিনৰ পৰা আৰম্ভ কৰি অতিমাৰীৰ সময়তে আৰ্থিক দিশত কোঙা হৈ পৰা কোটি কোটি লোকে ভাতমুঠি যোগাৰৰ সমস্যাৰ পৰা এতিয়াও মুক্ত হ'ব পৰা নাই। আজিও দেশৰ শ্ৰমজীৱী ১০ পৃষ্ঠাত চাওক



*প্ৰদেশ কংগ্ৰেছৰ নতুন কাৰ্যনিৰ্বাহক সমিতিৰ পূৰ্ণাংগ বৈঠক, ৰাজীৱ ভৱনত দেওবাৰে।*

## কি দৃষ্টান্ত ৰাখি থৈ যাম ?

■ প্ৰাঞ্জলসেন ডেকা

**আমাৰ** সামাজিক-ৰাজনৈতিক সকলো দিশতে মৰ্যাদা-পৰম্পৰাসমূহৰ কি ভয়ংকৰ ধৰণে অৱক্ষয় ঘটিছে, ৰাজ্যসভা নিৰ্বাচনৰ কুচকাৱাজে সেয়া দুৰ্ভাগ্যজনকভাৱে আকৌ এবাৰ উদঙাই দিলে। সম্প্ৰতি ৰাজনৈতিক নেতাসকলৰ ভাষ্যই দিছপুৰতে চৰম সংশয় আৰু অবিশ্বাসৰ বাতাবৰণ সৃষ্টি কৰিছে। স্বাধীনতাৰ পৰৱৰ্তী সাত দশকত দেশৰ ৰাজনীতিৰ উত্তৰণ ঘটিব লাগিছিল যদিও তাৰ পৰিৱৰ্তে চৰম অৱনতিহে ঘটিল। বিধায়ক-সাংসদ কিনা-বেচাও যেন ১০ পৃষ্ঠাত চাওক

লখিমপুৰৰ কাচিপথাৰত লোমহৰ্ষক হত্যাকাণ্ড

## দুই কণমানি সন্তানৰ মাতৃক শিৰশ্চেদ কৰি ছিন্নমুণ্ড লৈ থানাত স্বামী

অগ্ৰদূত বাৰ্তা

**লখিমপুৰ, ২৭ মাৰ্চ ঃ** দুই কণমানি সন্তানৰ মাতৃক হত্যা কৰি পত্নীৰ ছিন্নমুণ্ড লৈ স্বামীয়ে থানাত হাজিৰ হোৱাৰ ঘটনাই চাঞ্চল্যৰ সৃষ্টি কৰে লখিমপুৰৰ লীলাবাৰী অঞ্চলত। লীলাবাৰী আৰক্ষী থানাৰ অন্তৰ্গত কাচিপথাৰৰ দুই পৃষ্ঠাত চাওক

■ কেন্দ্ৰীয় চৰকাৰৰ নীতিৰ বিৰোধিতা ■ বেংকসহ বিভিন্ন খণ্ডৰ সেৱা ব্যাহত হোৱাৰ আশংকা ■ দেশজুৰি প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ

## আজিৰ পৰা দুদিনীয়া দেশজোৰা ধৰ্মঘট, সমৰ্থন দিলে বেংক সংস্থাই

■ নিউজ ব্যুৰ'

**নতুন দিল্লী, ২৭ মাৰ্চ ঃ** কেন্দ্ৰীয় চৰকাৰৰ নীতিৰ বিৰুদ্ধে বৃহৎ প্ৰতিবাদ সাব্যস্ত কৰিবলৈ সাজু হৈছে কেন্দ্ৰীয় ট্ৰেড ইউনিয়নসমূহৰ যৌথ মঞ্চ। এই যৌথ মঞ্চই কাইলৈৰ পৰা দুদিনীয়া দেশজোৰা ধৰ্মঘট পালনৰ আহ্বান জনাইছে। সৰ্বভাৰতীয় বেংক কৰ্মচাৰী সংস্থায়ো এই প্ৰতিবাদী কাৰ্যসূচীলৈ সমৰ্থন আগবঢ়াইছে। কেন্দ্ৰীয় চৰকাৰৰ নীতিয়ে শ্ৰমিক, কৃষক আৰু সাধাৰণ ৰাইজৰ ক্ষতিসাধন কৰাৰ অভিযোগ উত্থাপন কৰি কেন্দ্ৰীয় ট্ৰেড ইউনিয়নসমূহৰ যৌথ মঞ্চই আহ্বান জনোৱা ধৰ্মঘটত বেংক ইউনিয়নসমূহেও অংশগ্ৰহণ কৰিব। ৰাজহুৱা খণ্ডৰ বেংকসমূহৰ ব্যক্তিগতকৰণৰ পৰিকল্পনা আৰু বেংকিং আইন সংশোধনী বিধেয়ক ২০২১ৰ বিৰোধিতা কৰি যৌথ মঞ্চৰ স'তে হাত মিলাইছে বেংক সংস্থাই। বেংকৰ উপৰি বিভিন্ন খণ্ড যেনে তীখা, তেল, টেলিকম, কয়লা, ডাক, ১০ পৃষ্ঠাত চাওক

## ৰাজ্যসভাৰ নিৰ্বাচনত হুইপ জাৰি কৰিব নোৱাৰে কোনো দলে

বিধানসভাৰ অধ্যক্ষ দৈমাৰীয়ে পুনৰ ক'লে

অগ্ৰদূত বাৰ্তা

**বাইহাটা চাৰিআলি, ২৭ মাৰ্চ ঃ** 'ৰাজ্যসভাৰ নিৰ্বাচনত হুইপ জাৰি কৰিব নোৱাৰে কোনো দলে। সংবিধানে ৰাজ্যসভাৰ নিৰ্বাচনত হুইপ জাৰিৰ অধিকাৰ নিদিয়ে কোনো দলক।' ৰাজ্যসভাৰ নিৰ্বাচন সম্পৰ্কত আজি বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰীয়ে এই মন্তব্য কৰে। কামৰূপ ১০ পৃষ্ঠাত চাওক

প্ৰদেশ কংগ্ৰেছৰ পূৰ্ণাংগ কাৰ্যনিৰ্বাহক সম্পন্ন

একাধিক অৰ্থনৈতিক-ৰাজনৈতিক প্ৰস্তাৱ গ্ৰহণ

## বিজেপিৰ ধনবলৰ বিপৰীতে আৰ্থিক দুৰৱস্থাক লৈ উদ্বেগ কংগ্ৰেছৰ

ষ্টাফ ৰিপ'ৰ্টাৰ

**গুৱাহাটী, ২৭ মাৰ্চ ঃ** ভাৰতীয় জনতা পাৰ্টি (বিজেপি)ৰ ধনবলৰ বিপৰীতে গভীৰ আৰ্থিক সংকটত ভুগিছে কংগ্ৰেছ। ধনবলৰ অভাৱতে সেয়েহে বহু সময়ত দল পিছপৰি ৰ'বলগীয়া হয় বুলি আজি অনুষ্ঠিত অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ নতুন কাৰ্যনিৰ্বাহক সমিতিৰ প্ৰথমখন পূৰ্ণাংগ বৈঠকত আক্ষেপ কৰে অধিকাংশ জ্যেষ্ঠ নেতাই। সেয়েহে ধনবলৰ লগত নুযুঁজি সাধাৰণ ৰাইজৰ স্বাৰ্থজড়িত বিষয়ত সৰ্বোচ্চ সক্ৰিয়তাৰে কাম কৰিবলৈ এই বৈঠকত সিদ্ধান্ত গ্ৰহণ কৰা হয়। প্ৰদেশ কংগ্ৰেছৰ মুখ্য কাৰ্যালয় ৰাজীৱ ভৱনত অনুষ্ঠিত বৈঠকত অৰ্থনৈতিক প্ৰস্তাৱত মূল্যবৃদ্ধি-নিবনুৱা সমস্যা, কৃষকৰ সমস্যা, শ্ৰমিকৰ সমস্যা আদি ১০ পৃষ্ঠাত চাওক

## ৰাজ্যসভাৰ দ্বিতীয় আসনত বিৰোধীৰ জয় নিশ্চিত ঃ দাবী জিতেন্দ্ৰ সিঙৰ

৪৩জনকৈ বিৰোধী বিধায়কৰে আলোচনা

ষ্টাফ ৰিপ'ৰ্টাৰ


**গুৱাহাটী, ২৭ মাৰ্চ ঃ** ৰাজ্যসভাৰ নিৰ্বাচনলৈ মাজত মাত্ৰ তিনিদিন থকা অৱস্থাত শাসক আৰু বিৰোধী পক্ষৰ মাজত সম্ভাব্য ফলাফলক লৈ চৰ্চা তুংগত উঠিছে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত শাসকীয় মিত্ৰজোঁটে ১০ পৃষ্ঠাত চাওক

■ আত্মবিশ্লেষণেৰে নিজক পুনৰাৱিষ্কাৰ কৰিবলৈ যুৱপ্ৰজন্মক আহ্বান

## কাশ্মিৰী পণ্ডিতৰ দৰে অসমীয়াও নোহোৱা হৈ যাব ঃ শংকা মুখ্যমন্ত্ৰীৰ

ষ্টাফ ৰিপ'ৰ্টাৰ

**গুৱাহাটী, ২৭ মাৰ্চ ঃ** 'তমসো মা জ্যোতিৰ্গময়' অমৃত মন্ত্ৰৰে পোহৰৰ বাটেৰে অগ্ৰগামী হ'বলৈ যুৱ নেতৃবৃন্দৰ প্ৰতি আহ্বান জনালে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই। আজি প্ৰজ্ঞা ফাউণ্ডেশ্যনৰ উদ্যোগত শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত আয়োজিত যুৱ নেতৃত্ব সমাৰোহ, 2022ত অংশগ্ৰহণ কৰি তেওঁ এই আহ্বান জনায়। প্ৰাক্‌ স্বাধীনতা কালৰে পৰা বৰ্তমানলৈকে অসমৰ আৰ্থ-সামাজিক পটভূমিৰ এক বিশ্লেষণাত্মক অৱলোকনেৰে মুখ্যমন্ত্ৰীয়ে সমাৰোহত অংশগ্ৰহণকাৰী যুৱক-যুৱতীসকলৰ সমুখত ১০ পৃষ্ঠাত চাওক



## গহপুৰত বুৰৈ নৈত সলিল সমাধি ঘটিল দুই কিশোৰৰ

গা ধুবলৈ গৈ অঘটন

অগ্ৰদূত বাৰ্তা,

**গহপুৰ, ২৭ মাৰ্চ ঃ** গহপুৰ মহকুমাৰ হেলেম আৰক্ষী থানাৰ অন্তৰ্গত গোশালাত বুৰৈ নৈত গা ধুবলৈ গৈ আজি দুজন কিশোৰৰ সলিল সমাধি ঘটে। ঘাঁহিগাঁও আৰক্ষী চকীৰ অন্তৰ্গত ১০ পৃষ্ঠাত চাওক

শিশুসহ সাতজন আহত
খেতিপথাৰৰ বিস্তৰ ক্ষতি

## চামগুৰিত বিধ্বংসী ধুমুহাত ১৪খন গাঁৱৰ ১৫০ ঘৰ ক্ষতিগ্ৰস্ত

অগ্ৰদূত বাৰ্তা

**চামগুৰি, ২৭ মাৰ্চ ঃ** নগাঁও জিলাৰ মাজেদি কালি সন্ধিয়া পাৰ হৈ যোৱা ধুমুহাই বৃহত্তৰ চামগুৰি অঞ্চলত বিস্তৰ ক্ষতিসাধন কৰে। চামগুৰি ৰাজহ চক্ৰৰ অন্তৰ্গত সোণাৰীবালি, বৰমা বিল, কনুৱামাৰী, গতংগা, চকীটুপ, আমবাগান, ১০ পৃষ্ঠাত চাওক

ৰাছিয়াৰ গোপন আঁচনি ফাদিল কৰি দাবী ইউক্ৰেইনৰ সামৰিক চোৰাংচোৱাৰ মুৰব্বীৰ

## ইউক্ৰেইনক দ্বিবিভাজিত কৰিব বিচাৰিছে



■ নিজৰেই সেনাই হত্যা কৰিলে ৰুছ লেফটেনেণ্ট জেনেৰেলক ?


■ নিউজ ব্যুৰ'

**কিয়েভ, ২৭ মাৰ্চ ঃ** উত্তৰ কোৰিয়া আৰু দক্ষিণ কোৰিয়াৰ দৰে ৰাছিয়াই ইউক্ৰেইনক দ্বিবিভাজিত কৰিব বিচাৰিছে। আজি ইউক্ৰেইনৰ সামৰিক চোৰাংচোৱাৰ মুৰব্বীয়ে এই দাবী কৰে। তেওঁ এইদৰেও কয় যে দেশৰ বিভাজন ৰোধ কৰিবলৈ সম্পূৰ্ণৰূপে গেৰিলা যুদ্ধকৌশল প্ৰয়োগ কৰিবলৈ তেওঁলোক দৃঢ়প্ৰতিজ্ঞ। এই পৰিস্থিতিত ৰাষ্ট্ৰপতি ভ্লাডিমিৰ জেলেন'স্কীয়ে ইউক্ৰেইনলৈ অধিক যুদ্ধাস্ত্ৰ প্ৰেৰণৰ বাবে ইউৰোপৰ দেশসমূহক আহ্বান জনায়। তেওঁ কয় যে মস্কো বাহিনীয়ে ইউক্ৰেইনৰ ইন্ধন আৰু খাদ্য ভাণ্ডাৰক আক্ৰমণৰ লক্ষ্য দুই পৃষ্ঠাত চাওক

## ব্যৱসায়ীক বাট আগচি নগদ ১১ লাখ টকা লুটি নিলে দুৰ্বৃত্তৰ দলে

অগ্ৰদূত বাৰ্তা

**লখিমপুৰ, ২৭ মাৰ্চ ঃ** লখিমপুৰ চহৰৰ কে বি ৰোডস্থিত 'জগদম্বা হাৰ্ডৱেৰ'ৰ স্বত্বাধিকাৰী বিনোদ হৰলালকাক যোৱা নিশা দুৰ্বৃত্তই বাট আগচি ধৰি পিষ্টল দেখুৱাই নগদ ১১ লাখ দুই পৃষ্ঠাত চাওক



| তাপমাত্ৰা | সৰ্বোচ্চ | সৰ্বনিম্ন |
|---|---|---|
| গুৱাহাটী | ৩৩° | ২০° |
| ডিব্ৰুগড় | ২৮° | ১৮° |
| দিল্লী | ৩৭° | ২১° |
| কলকাতা | ৩৪° | ২৬° |
| মুম্বাই | ৩২° | ২৭° |
| চেন্নাই | ৩৪° | ২৭° |
| বাংগালুৰু | ৩৩° | ২১° |
| শ্বিলং | ২৪° | ১২° |

*২৭ মাৰ্চ, ২০২২*

উমৰাংছ' জলবিদ্যুৎ প্ৰকল্পত জলবিস্ফোৰণত বিস্তৰ ক্ষতি ■ হেলনীয়া হৈ পৰিল বান্ধৰ ভালভ্‌ হাউছ ■ পাহাৰৰ পৰা অহা পানীৰ সোঁত বন্ধ

## দুই বিষয়া অনুপম-জয়ন্তৰ নশ্বৰদেহ উপস্থিত হোৱাত শোকাকুল পৰিৱেশ



ষ্টাফ ৰিপ'ৰ্টাৰ/বিশেষ সংবাদদাতা

**যোৰহাট/খেৰণি/ডিগবৈ, ২৭ মাৰ্চ ঃ** তিনিজনকৈ লোকৰ প্ৰাণ লোৱা জলবিস্ফোৰণত বিস্তৰ ক্ষতিসাধন হ'ল ডিমা হাছাওৰ উমৰাংছ'স্থিত কপিলী নদীৰ নীপকো জলবিদ্যুৎ প্ৰকল্পত। জিলাখনৰ খানদাঙৰ পাঁচ কিলো নামৰ ঠাইত সংঘটিত হোৱা বিস্ফোৰণত মুহূৰ্ততে জলমগ্ন হৈ পৰিছিল জলবিদ্যুৎ প্ৰকল্পটোৰ খানদাং বান্ধৰ বিস্তীৰ্ণ অঞ্চল। ফলত আতংকিত হৈ পৰিছিল অঞ্চলবাসী। এই ঘটনাত প্ৰকল্পটোৰ লগতে অঞ্চলটোৰো ১০ পৃষ্ঠাত চাওক

■ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সভা সম্পন্ন ■ ৫৩ টা ৱাৰ্ডতে সহায় কৰিব বিজেপিক ■ ব'হাগৰ পৰাই নতুন সদস্য ভৰ্তিৰ বিশেষ অভিযান

## জি এম চি নিৰ্বাচনৰ সাতটা ৱাৰ্ডতহে প্ৰতিদ্বন্দ্বিতা কৰিব অগপই



ষ্টাফ ৰিপ'ৰ্টাৰ

**গুৱাহাটী, ২৭ মাৰ্চ ঃ** গুৱাহাটী পৌৰ নিগম (জি এম চি)ৰ আগন্তুক নিৰ্বাচনত ৬০ টা ৱাৰ্ডৰ ভিতৰত সাতটাতহে প্ৰতিদ্বন্দ্বিতা কৰিব অসম গণ পৰিষদ (অগপ)এ। আজি মুখ্য কাৰ্যালয়ত অনুষ্ঠিত দলৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সভা এই সিদ্ধান্ত গ্ৰহণ কৰা হয়। সভাপতি অতুল বৰাৰ পৌৰোহিত্যত অনুষ্ঠিত সভাত গৃহীত সিদ্ধান্ত অনুসৰি পশ্চিম গুৱাহাটীৰ পাঁচটা, দিছপুৰ আৰু পূব গুৱাহাটীৰ এটাকৈ ৱাৰ্ডত অগপই ১০ পৃষ্ঠাত চাওক

তিনিচুকীয়াত বাহৰ পাতি ধন সংগ্ৰহ অভিযান

## বৃহৎ পৰিমাণৰ মাৰণাস্ত্ৰসহ এনএছচিএন (আই-এম)ৰ দুই নাবালক সদস্য ধৃত



অগ্ৰদূত বাৰ্তা

**তিনিচুকীয়া, ২৭ মাৰ্চ ঃ** তিনিচুকীয়া আৰক্ষীৰ অভিযানত গ্ৰেপ্তাৰ হয় এনএছচিএন (আই-এম)ৰ দুজন নাবালক সদস্য। নিউ তিনিচুকীয়া ৰেল ষ্টেছনত এই দুই সদস্যক গ্ৰেপ্তাৰ কৰাৰ লগতে আৰক্ষীয়ে বৃহৎ পৰিমাণৰ অস্ত্ৰ-শস্ত্ৰও জব্দ কৰে। এই নাবালক সদস্যদ্বয় বিগত দিনত ১০ পৃষ্ঠাত চাওক

## কাজিৰঙাত চলিছে গণনা, গঁড়ৰ সংখ্যা বৃদ্ধিৰ সম্ভাৱনা

আজি সামৰণি, হাতীৰ পৰা পৰি আহত বনকৰ্মী

অগ্ৰদূত বাৰ্তা

**বোকাখাত, ২৭ মাৰ্চ ঃ** কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত ১৪সংখ্যক গঁড় গণনা চলি আছে। কাইলৈ সামৰণি পৰিবলগীয়া গণনাৰ আজি তৃতীয় দিন। আজি অগৰাতলী বনাঞ্চলৰ লগতে বিশ্বনাথ বন সংমণ্ডলত গঁড় গণনা চলি আছে। কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ বন সংমণ্ডল বিষয়া ৰমেশ গগৈয়ে 'দৈনিক অগ্ৰদূত'ক জনোৱা মতে, ৮৪টা খণ্ডত ১০ পৃষ্ঠাত চাওক

**চেঙা তেল**




*ৰূপায়ণৰ হিচাপ কেলেই বিচাৰিছে? আমি যে আঁচনিৰ পাছত আঁচনি ঘোষণা কৰিছো তাকে লিখক!*

জলবায়ুৰ পৰিৱৰ্তনৰ বিৰূপ প্ৰভাৱ ■ নিৰ্দিষ্ট সময়ৰ পূৰ্বেই কণী পাৰিবলৈ লৈছে চৰায়ে

## পক্ষীকুল নিশ্চিহ্ন হোৱাৰ আশংকা বিজ্ঞানীৰ

■ নিউজ ব্যুৰ'

**চিকাগো, ২৭ মাৰ্চ ঃ** ব্যাপক পৰিৱৰ্তন ঘটিছে জলবায়ুত আৰু তাৰ প্ৰকোপতে ব্যাপকভাৱে সলনি হৈছে পৃথিৱীখন। স্বাভাৱিকতেই এই পৰিৱৰ্তনৰ প্ৰভাৱ পৰিছে পৃথিৱীৰ জীৱ-জগতত। সম্প্ৰতি পোহৰলৈ আহিছে যে চৰাইবোৰে নিৰ্দিষ্ট সময়ৰ পূৰ্বেই কণী পাৰিবলৈ আৰম্ভ কৰিছে। ৭২টা প্ৰজাতিৰ চৰাইৰ ওপৰত পৰীক্ষা চলাই সম্প্ৰতি পক্ষী



বিশেষজ্ঞসকলে এই কথা জনাইছে। দাবী কৰা হৈছে যে কেৱল কণী পৰাই নহয়, পৰিৱৰ্তন ঘটিছে পক্ষীকুলৰ খাদ্যৰূপে চিহ্নিত কীট-পতংগৰ স্বভাৱতো। বিজ্ঞানীসকলৰ মতে, এই ধৰণৰ পৰিৱৰ্তনৰ ফলতে সম্প্ৰতি চৰাইৰ জনসংখ্যা উদ্বেগজনক হাৰত কমিছে।

উত্তৰ আমেৰিকাৰ চিকাগোত গৱেষকৰ দল এটাই চৰাইৰ ৭২টা ১০ পৃষ্ঠাত চাওক



দৈনিক অগ্ৰদূত
গুৱাহাটী, ২৮ মাৰ্চ, ২০২২ সোমবাৰ পৃষ্ঠা তিনি

## বিলাসনন্দন চ'ৰা



# জাবৰ + মহ + চুৰি = জি এম চি

জি এম চিৰ ভোট আহি আছে। ইণ্ডিয়ান ডেম'ক্ৰেচীৰ প্ৰধান টেণ্ডেন্সীয়ে হ'ল সঘনাই ভোট পাতি থকা। ৰজাঘৰৰ যেতিয়া ঘৰুৱা অৱস্থা ভাল হৈ থাকে, তেতিয়াই ভোট পাতি ডেম'ক্ৰেচীৰ ছিক্ৰেচী জনাৰ চেষ্টা কৰা হয় ভোটৰ জৰিয়তে। ছিক্ৰেচীটো হ'ল—পপুলাৰিটী ৰক্ষা হৈ আছে নে নাই? এই ছিক্ৰেচী জানিবলৈ যাওঁতে যদি কোটি কোটিৰ কাৰেন্সী নষ্ট হৈ যায়, যাওক। মুঠতে ডেম'ক্ৰেচী ৰক্ষা হ'ব লাগে। ডেম'ক্ৰেচী ৰক্ষা কৰিবলৈ গৈয়ে জি এম চিৰ ভোট পাতিবলৈ লোৱা হৈছে। ৰাইজৰ ভাষাত জি এম চি মানে হ'ল জাবৰ, মহ আৰু চুৰি। জাবৰৰ ওখ ওখ পাহাৰবোৰ যাতে অক্ষত অৱস্থাত ৰাখিব পাৰি, তাৰ পৰা জন্ম পোৱা মহবোৰৰ অবিৰাম কামোৰ যাতে চলন্ত অৱস্থাত থাকে আৰু ইয়ালৈ অহা বিভিন্ন ছ'চৰ নোটবোৰ যাতে চুৰি হয়, তাৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰাটোৱে হ'ল জি এম চিৰ প্ৰধান লক্ষ্য। ইতিমধ্যে এই ভোটক লৈ পাব্লিচিটী উইডাউট ভেলিডিটী আৰম্ভ হৈ গৈছে। এশ-এবুৰি সমস্যাত ভাৰাক্ৰান্ত হৈ আক্ৰান্ত হোৱা গুৱাহাটীয়াৰ দুৱাৰে দুৱাৰে জাবৰৰ পাহাৰত উঠি বিজয় নিচান পুতিবলৈ ব্যগ্ৰ হৈ পৰাসকলে নক্ কৰিছে আৰু কৈছে—'নমস্কাৰ! মই এইবাৰ জি এম চিৰ ভোটত উঠিছো। গুৱাহাটীৰ সৱ সমস্যা নাইকিয়া কৰি দিম বুলি ভাবিছো মই।'

ঃ কেনেকৈ?
ঃ নাই, মই কৰি দিম বুলি কৈছো কৰিমেই।
ঃ ভঙা ৰাস্তা-ঘাট?
ঃ সেইবোৰ ঠিক কৰা হ'ব। লাগিলে ৰাস্তাই নাথাকিব, সেই বুলি ভঙা ৰাস্তা নাথাকে।
ঃ পানী?
ঃ পাইপ লগাই ঘৰে ঘৰে ব্ৰহ্মপুত্ৰখন বোৱাই আনিম।
ঃ জাবৰবোৰ?
ঃ গাঁৱে গাঁৱে পঠিয়াই দিম সাৰ কৰিবলৈ?
ঃ মহৰ উৎপাত?
ঃ ফ্ৰিতে মহ মাৰা দাৰাই বিলাম।
ঃ বন্ধ নৰ্দমাবোৰ?
ঃ খুলি দিম।
ঃ কৃত্ৰিম বানপানী?
ঃ আচলটো অনাৰ চেষ্টা কৰিম।
ঃ ট্ৰেফিক জাম?
ঃ আজি-কালি আকাশেদি উৰা ট্ৰেফিক জাম গাড়ীখন অনাৰ ব্যৱস্থা কৰি দিম।
ঃ অভাৰব্ৰীজৰ কাম?
ঃ টাইম অ'ভাৰ নহওঁতেই শেষ কৰি পেলাম।




ঃ আৰু ফুটব্ৰীজকেইখন?
ঃ ছেল্‌ফি ব্ৰীজ বনাই দিম। তাত ছেল্‌ফি উঠি ল'ৰা-ছোৱালীবোৰে ভাল পাব।
ঃ পাৰ্কিং?
ঃ ড্ৰিংকিং আৰু ৰেংকিং চাই পাৰ্কিং দিয়া হ'ব।
ঃ মানে?
ঃ যিয়ে অলপ ধৰি আহে তাক আৰু যিসকলৰ অলপ ভাল চাকৰি সিহঁতক বাদ দি কাকোৱে পাৰ্কিঙৰ সুবিধা নিদিওঁ। ৰেংকিং থকাবোৰক ল'ৰা-ছোৱালীৰ চাকৰিৰ কাৰণে লগা হয়। আৰু ড্ৰিংকিং কৰাবোৰে পাৰ্কিংটো ভালকৈ পালে ফুল বটল এটা গিফ্‌ট দিয়ে।
ঃ আৰু টেক্স?
ঃ টেক্স দিয়াবোৰক সুবিধা অনুযায়ী টেক্সী উপাধিৰে বিভূষিত কৰা হ'ব।
ঃ লক্ষ্য?
ঃ জি এম চিক জি এম এল কৰা!
ঃ মানে?
ঃ জাবৰ আৰু মহ আগৰ দৰে থাকিব। কিন্তু চি মানে চুৰি কৰাৰ সলনি লুটন দিয়াৰ ওপৰত গুৰুত্ব দিয়া হ'ব!
ঃ উদ্দেশ্য?
ঃ প্ৰমাণ কৰা যে পদুম বোকাতেই নুফুলে, জাবৰতো ফুলে।

*(বিলাসনন্দন চ'ৰাৰ উদ্দেশ্য ব্যংগ ৰস সৃষ্টিহে, কোনো ব্যক্তি বিশেষৰ মনত আঘাত দিয়াটো নহয়।)*

## প্ৰৱঞ্চনাৰে ঋণ আদায় কৰা দুই প্ৰৱঞ্চকক গ্ৰেপ্তাৰ

**বিশেষ সংবাদদাতা**
**নগাঁও, ২৭ মাৰ্চ ঃ** বিভিন্ন বিত্তীয় প্ৰতিষ্ঠানত ভুৱা নথিৰে ঋণ আদায় কৰা দুজন প্ৰৱঞ্চক নগাঁও আৰক্ষীৰ জালত পৰিছে। আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰা প্ৰৱঞ্চক দুজন হ'ল ডুসডুমীয়াৰ জেঙণিৰ আছিকুৰ ৰহমান আৰু ওপৰ ডুমডুমীয়াৰ ৰিবুল দাস। আন এজন প্ৰৱঞ্চক মিজানুৰ আলী পলাতক অৱস্থাত আছে বুলি আৰক্ষীয়ে সদৰী কৰিছে। ধৃত মিজানুৰৰ ঘৰ ৰামপুৰ চলা পথাৰত। *ছয় পৃষ্ঠাত চাওক*

## ৰাজ্যসভা নিৰ্বাচনত দুয়োখন আসনতে জয়ী হ'ব শাসকীয় দল ঃ ইউ জি

**বিশেষ সংবাদদাতা,**
**ওদালগুৰি ২৭ মাৰ্চ ঃ** 'ৰাজ্যসভা নিৰ্বাচনত এইবাৰ ভোটদানক লৈ অঘটন ঘটিব পাৰে। দুয়োখন আসনতে আমাৰ শাসকীয় দলৰ প্ৰাৰ্থীয়েই জয়লাভ কৰিব। ইয়াক লৈ কোনো অংক কৰিবলগীয়া নাই।' আজি ওদালগুৰিত এক চৰকাৰী অনুষ্ঠানত উপস্থিত থকি ইউপিপিএলৰ নেতা তথা অসম চৰকাৰৰ মন্ত্ৰী ইউ জি ব্ৰহ্মই ৰাজ্যসভা নিৰ্বাচনক লৈ সাংবাদিকে সোধা প্ৰশ্নৰ উত্তৰত এইদৰে মন্তব্য কৰে। ৰাজ্যসভা নিৰ্বাচনৰ *ছয় পৃষ্ঠাত চাওক*

## তিলো সোণোৱালক 'কাব্যশ্ৰী হাজৰিকা ন্যাস বঁটা' প্ৰদান

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**যোৰহাট, ২৭ মাৰ্চ ঃ** যোৰহাট জিলা সাহিত্য সভাৰ উদ্যোগত আজি বিশিষ্ট শিশু সাহিত্যিক, যোৰহাট জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি তিলো সোণোৱালক কাব্যশ্ৰী হাজৰিকা ন্যাস বঁটা প্ৰদান কৰা হয়। এই উপলক্ষে যোৰহাট জিলা সাহিত্য সভাৰ ডাঃ নবীন চন্দ্ৰ বৰদলৈ স্মৃতি সদনত জিলা সভাপতি ড° ৰাতুল চন্দ্ৰ বৰাৰ *ছয় পৃষ্ঠাত চাওক*

■ ঐতিহাসিক তিৱা ৰাজদৰবাৰ অসমৰ ষষ্ঠ দ্বি-বাৰ্ষিক মৰিগাঁও অধিবেশনৰ সামৰণি ■ মধ্য অসমৰ ১৮জন তিৱা ৰজাৰ অংশগ্ৰহণ

# তিৱাসকল সদায় উপেক্ষিত-অৱহেলিত

**অগ্ৰদূত বাৰ্তা**
**মৰিগাঁও, ২৭ মাৰ্চ ঃ** মধ্য অসমৰ ১৮জন তিৱা ৰজাৰ অংশগ্ৰহণেৰে কালিৰে পৰা দুদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত হোৱা ঐতিহাসিক তিৱা জাতিৰ গৌৰৱৰ প্ৰতীক তিৱা ৰাজদৰবাৰৰ আজি সফল সামৰণি পৰে। মৰিগাঁও জিলাৰ ইতিহাসে গৰকা ডমালৰ প্ৰদীপ দেওৰজা সমন্বয় ক্ষেত্ৰত উজ্বলি উঠিল মধ্য অসমৰ তিৱা ৰাজ্যৰ ৰাজকীয় ঐতিহ্য আৰু পৰম্পৰা। তিৱা তাগলা পিন্ধি আৰু মূৰত পাগুৰি মাৰি ১৮জনকৈ তিৱা ৰজাৰ উপস্থিতিত আজি দিনৰ ভাগত অনুষ্ঠিত হয় মুকলি সভা। তিৱা ৰাজদৰবাৰ অসমৰ সভাপতি জোৰসিং বৰদলৈৰ সভাপতিত্বত অনুষ্ঠিত সভাখনত আদৰণি ভাষণ প্ৰদান কৰে ৰাজদৰবাৰ ষষ্ঠ দ্বি-বাৰ্ষিক অধিৱেশনৰ আদৰণি সমিতিৰ সভাপতি তথা তিৱা স্বায়ত্ত পৰিষদৰ কাৰ্যবাহী সদস্য খগেন চন্দ্ৰ বৰদলৈয়ে। আদৰণি ভাষণত সভাপতি বৰদলৈয়ে বৰ্ণাঢ্য তিৱা সংস্কৃতি আৰু পৰম্পৰাৰে চিৰ প্ৰবাহমান হৈ থকা গৌৰৱোজ্বল তিৱা ৰাজদৰবাৰৰ ইতিবৃত্ত বিস্তৃতভাৱে আলোকপাত কৰি ঐতিহাসিক ডমাল ৰাজ্যৰ বিৱৰণ দাঙি ধৰে। এই গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত অধিৱেশন উপলক্ষে প্ৰকাশ কৰা স্মৃতিগ্ৰন্থ 'ৰাজেনে থুৰাং' উন্মোচন কৰে তিৱা স্বায়ত্ত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য জীৱন চন্দ্ৰ কোঁৱৰে। স্মৃতিগ্ৰন্থ উন্মোচন কৰি দিয়া ভাষণত মুখ্য কাৰ্যবাহী সদস্য কোঁৱৰে কয়, 'ঐতিহ্য গৰিমাৰে *ছয় পৃষ্ঠাত চাওক*



নগদ ধনসহ জুৱাত ব্যৱহৃত বিভিন্ন সামগ্ৰী জব্দ

## লাহৰীঘাটত আৰক্ষীৰ অভিযানত গ্ৰেপ্তাৰ ১৩ জুৱাৰী

**অগ্ৰদূত বাৰ্তা**
**লাহৰীঘাট/ভূৰাগাঁও, ২৭ মাৰ্চ ঃ** মৰিগাঁও জিলাৰ লাহৰীঘাটত আৰক্ষীয়ে অভিযান চলাই ১৩ জুৱাৰীক গ্ৰেপ্তাৰ কৰাৰ লগতে জব্দ কৰে নগদ ধনসহ জুৱাত ব্যৱহৃত বহু সা-সামগ্ৰী। লাহৰীঘাট থানাৰ অন্তৰ্গত চেতুৰাইখাইতিৰ পৰা আৰক্ষীয়ে জুৱাৰীকেইজনক গ্ৰেপ্তাৰ কৰে। যোৱা নিশা মৰিগাঁও আৰক্ষীৰ বিশেষ শাখা আৰু লাহৰীঘাট আৰক্ষীয়ে যুটীয়াভাৱে অভিযান চলাই লাহৰীঘাটৰ চেতুৰাইখাইটিৰ পৰা ১৩ জনকৈ জুৱাৰীক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। আৰক্ষীয়ে ধৃত জুৱাৰীকেইজনৰ পৰা নগদ ৬৩,৮৪০ টকাৰ লগতে জুৱা খেলত ব্যৱহৃত *ছয় পৃষ্ঠাত চাওক*



ওদালগুৰিৰ ১৩ সহস্ৰাধিক মহিলাৰ মাজত চেক বিতৰণ

## মহিলাসকল স্বাৱলম্বী হ'লে ৰাজ্যৰ অৰ্থনীতি আগবাঢ়িব ঃ নেওগ

**বিশেষ সংবাদদাতা**
**ওদালগুৰি, ২৭ মাৰ্চ ঃ** ওদালগুৰি জিলাৰ ১৩ সহস্ৰাধিক মহিলাৰ মাজত আজি চেক বিতৰণ কৰে অসম চৰকাৰৰ বিত্তমন্ত্ৰী অজন্তা নেওগে। বিভিন্ন সংস্থাৰ পৰা ঋণ লোৱা এইসকল মহিলাই কৰ'না মহামাৰীৰ সময়ছোৱাত বিভিন্ন কাৰণবশতঃ এই ঋণসমূহ পৰিশোধ কৰাত ব্যৰ্থ হৈছিল। যাৰ পৰিপ্ৰেক্ষিতত ৰাজ্য চৰকাৰখনে অসম মাইক্ৰ' ফাইনেন্স উদ্‌গনি আৰু সকাহ আঁচনি-২০২১ৰ অধীনত নিয়মীয়া ঋণ পৰিশোধকাৰী হিতাধিকাৰীক চেক প্ৰদান কৰে। ওদালগুৰি জিলা উপায়ুক্ত কাৰ্যালয়ত অসম চৰকাৰৰ বিত্ত বিভাগ আৰু ওদালগুৰি জিলা প্ৰশাসনৰ সৌজন্যত অনুষ্ঠিত এক সভাত এই চেকসমূহ প্ৰদান কৰে বিত্তমন্ত্ৰী নেওগে। জিলাখনৰ মুঠ ১৩,১৬৬ গৰাকী হিতাধিকাৰীৰ মাজত *ছয় পৃষ্ঠাত চাওক*



## ৰাজহ ফাকিৰে ইটাভাটাই চলাইছে লুণ্ঠন

**অগ্ৰদূত বাৰ্তা**
**চাপৰ, ২৬ মাৰ্চঃ** ধুবুৰী জিলাৰ চাপৰ ৰাজহ চক্ৰৰ অন্তৰ্গত বিভিন্ন স্থানত বৈধ তথা অবৈধভাৱে কাঠফুলাৰ দৰে গঢ়ি উঠা অৰ্ধশতাধিক ইটাভাটাই ৰাজহ ফাকিৰে লুণ্ঠন চলোৱাৰ অভিযোগ উত্থাপিত হৈছে। উল্লেখ্য যে ৰাজহ চক্ৰটোৰ অন্তৰ্গত বহলপুৰ বনাঞ্চলিক বিষয়াৰ কাৰ্যালয়ৰ অধীনত গঢ়ি উঠা ২০টা আৰু শালকোচা বনাঞ্চলিক বিষয়াৰ কাৰ্যালয়ৰ অধীনত ৩৬ টা ইটাভাটাই অঞ্চলটোৰ চৰকাৰী খাচ ভূমি, কৃষিভূমি, বনাঞ্চলৰ ভূমি তথা আৰ্দ্ৰভূমি খনন তথা ব্যৱহাৰ কৰি বৃহত্তৰ অঞ্চলটোৰ চহকী জৈৱ বৈচিত্ৰ্যৰ প্ৰতি এক ভাবুকিৰ সৃষ্টি কৰিছে। উত্থাপিত অভিযোগ অনুসৰি প্ৰতি বছৰে প্ৰতিটো ইটাভাটাই গড়ে ২০ হেজাৰৰো অধিক কিউবিক মিটাৰ মাটি ইটা প্ৰস্তুত কৰাৰ বাবে ব্যৱহাৰ কৰে। চৰকাৰী নিৰিখ মতে প্ৰতি 'চি এম' মাটিৰ বিপৰীতে ইটাভাটাই বন বিভাগক ৪৫ টকাকৈ ৰাজহৰূপে দিব লাগে। সেইমৰ্মে এটা ইটাভাটাই প্ৰতি বছৰে অতি কমেও ন *ছয় পৃষ্ঠাত চাওক*

গোলাঘাট জিলাৰ নতুন ন্যায়িক আদালত ভৱন মুকলি মুখ্য ন্যায়াধীশ সুধাংশু ধুলীয়াৰ

## ন্যায়ৰ ৰঙত কেতিয়াও ভিন্নতা নাথাকে

**বিশেষ সংবাদদাতা**
**গোলাঘাট, ২৭ মাৰ্চ ঃ** গোলাঘাট নগৰত নিৰ্মাণ কৰা গোলাঘাট জিলাৰ নতুন ন্যায়িক আদালত ভৱনটো আজি মুকলি কৰা হয়। গুৱাহাটী উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ সুধাংশু ধুলীয়াই ভৱনটো মুকলি কৰে। এই উপলক্ষে ভৱনৰ প্ৰথম মহলাত আয়োজিত অনুষ্ঠানত অংশ লৈ মুখ্য ন্যায়াধীশগৰাকীয়ে গোলাঘাটৰ চহকী ইতিহাসৰ বিষয়ে উল্লেখ কৰি ন্যায় ব্যৱস্থাৰ স'তে জড়িত জিলাখনৰ দুগৰাকী পুৰোধা ব্যক্তি ৰায় বাহাদুৰ ঘনশ্যাম বৰুৱা আৰু কৃষ্ণ প্ৰসাদ দুৱৰাক স্মৰণ কৰে। তেওঁ কয় যে এনে এটা উৎকৃষ্ট ভৱন নিৰ্মাণ কৰা মানেই যে ন্যায় ব্যৱস্থাও উৎকৃষ্ট হ'ব তেনে নহয়। ন্যায় ব্যৱস্থা সুলভ, উৎকৃষ্ট তথা যথাৰ্থ হ'লেহে এনে এটা মহৎ তথা আটকধুনীয়া *ছয় পৃষ্ঠাত চাওক*



ৰঙাচকুৱাৰ ১০ দিনীয়া বিহু কৰ্মশালাৰ সামৰণি

## জামুগুৰিহাটত ঢোল-পেঁপা-গগনাৰ মাতত মুখৰিত আকাশ-বতাহ

**অগ্ৰদূত বাৰ্তা**
**নদুৱাৰ, ২৭ মাৰ্চ ঃ** অসমীয়াৰ বাপতি সাহোন ৰঙালী বিহুলৈ মাজত কেইটামান দিন বাকী। গছে-বনে পাত সলাইছে। গছৰ ডালত কুলি-কেতেকীয়েও দিছে বসন্তৰ বতৰা। ঢোল-পেঁপা-গগনাৰ মাত শুনি বিহুতলীলৈ ঢপলিয়াইছে ডেকা-গাভৰুৰ ৰঙালী বিহুটিক আদৰিবলৈ ব্যস্ত এতিয়া প্ৰতিজন অসমীয়া। ৰাজ্যৰ অন্যান্য প্ৰান্তৰ লগতে *ছয় পৃষ্ঠাত চাওক*



## তামুলপুৰৰ পৰা অপহৃত যুৱতী হাইলাকান্দিত উদ্ধাৰ

### গ্ৰেপ্তাৰ অপহৰণকাৰী

**অগ্ৰদূত বাৰ্তা**
**তামুলপুৰ, ২৭ মাৰ্চ ঃ** তামুলপুৰৰ পৰা অপহৃত এগৰাকী নাবালিকাক হাইলাকান্দি জিলাৰ আলগাপুৰ আৰক্ষী থানাৰ পৰা তামুলপুৰ আৰক্ষীয়ে উদ্ধাৰ কৰে। আৰক্ষী সূত্ৰই প্ৰকাশ কৰা মতে, যোৱা ২১ মাৰ্চত তামুলপুৰ জিলাৰ দৰংগামেলা আৰক্ষী চকীৰ অন্তৰ্গত চেৰপাবস্তিৰ নিজ গৃহত কোনো নথকাৰ সুযোগতে এজন যুৱকে এগৰাকী নাবালিকাক অপহৰণ কৰি লৈ যায়। পৰিয়ালৰ লোকে নাবালিকাগৰাকীক ওচৰে-পাঁজৰৰ *ছয় পৃষ্ঠাত চাওক*



*৪৪ সংখ্যক সদৌ অসম পাঞ্জা প্ৰতিযোগিতাৰ উদ্বোধনী অনুষ্ঠানত মন্ত্ৰী পীযুষ হাজৰিকা, মহানগৰীত দেওবাৰে।*

## মুক্তিযোদ্ধা কমল চন্দ্ৰ মহন্ত সোঁৱৰণী মঞ্চৰ কবিন ফুকন আৰু বিপুল চেতিয়া ফুকনলৈ বঁটা



**অগ্ৰদূত বাৰ্তা**
**কলিয়াবৰ, ২৭ মাৰ্চঃ** 'অসমীয়া ভাষাটো নতুন প্ৰজন্মক ভালদৰে শিকাই-বুজাই লোৱাৰ সময় আহিছে। বিদেশত থাকি অসমীয়া সংস্কৃতি ৰক্ষা কৰি আহিছো। এটা সুস্থসবল ভাষাই জাতিটোক জীয়াই ৰাখিব।' আজি কলিয়াবৰৰ প্ৰবীণ মুক্তিযোদ্ধা কমলচন্দ্ৰ মহন্ত সোঁৱৰণী মঞ্চৰ ব্যৱস্থাপনাত অনুষ্ঠিত এক বিশেষ বঁটা প্ৰদান অনুষ্ঠানত এইদৰে মন্তব্য কৰে সুদূৰ লণ্ডনত অসমীয়া ভাষাৰ প্ৰসাৰ-প্ৰচাৰৰ বাবে অহৰহ ব্ৰতী কৰি ৰখা বিশিষ্ট সমাজসেৱিকা তথা লণ্ডন সাহিত্য সভাৰ প্ৰাক্তন সভানেত্ৰী লাহৰি বৰঠাকুৰে। কলিয়াবৰৰ মুক্তিযোদ্ধা, সত্ৰাধিকাৰ, শিক্ষক কমল চন্দ্ৰ মহন্ত সোঁৱৰণী মঞ্চৰ ব্যৱস্থাপনাত আজি দুজন বিশিষ্ট বিহু গীতৰ শিল্পীক ২০২১ আৰু ২০২২ৰ বঁটা প্ৰদান কৰা হয়। শিল্পী দুজন ক্ৰমে কলিয়াবৰৰ কবিন ফুকন আৰু অসমৰ জনপ্ৰিয় শিল্পী বিপুল চেতিয়া ফুকন। কলিয়াবৰ মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত এক গাম্ভীৰ্যপূৰ্ণ পৰিৱেশত অনুষ্ঠিত এখন সভাত দুয়োজন শিল্পীকে ২৫ হেজাৰকৈ নগদ মানণী, জাপি, গামোচা, অংগবস্ত্ৰ আৰু স্মাৰকেৰে সম্বৰ্ধনা জনোৱা হয়। মুক্তিযোদ্ধা কমল চন্দ্ৰ মহন্ত সোঁৱৰণী মঞ্চৰ উদ্যোগত বৰলুইত কলাকৃষ্টি বিকাশ কেন্দ্ৰৰ ব্যৱস্থাপনাত আৰু নিউ *ছয় পৃষ্ঠাত চাওক*

চৰকাৰী বিদ্যালয়লৈ কঢ়িয়াই আনিছে শুভ সংকেত

## কুৰালগুৰি উচ্চতৰ মাধ্যমিক বিদ্যালয়ত নামভৰ্তিৰ বাবে শাৰী

**অগ্ৰদূত বাৰ্তা**
**বৰুৱাবামুণগাঁও, ২৭ মাৰ্চ ঃ** গোলাঘাট জিলাৰ ভিতৰতে মাধ্যমিক শিক্ষাৰ অন্যতম অগ্ৰণী শিক্ষানুষ্ঠানৰূপে পৰিচিত কুৰালগুৰি উচ্চতৰ মাধ্যমিক বিদ্যালয়ত বিগত বৰ্ষসমূহৰ দৰে এই বৰ্ষতো নতুন নামভৰ্তিৰ বাবে অভিভাৱক আৰু ছাত্ৰ-ছাত্ৰীৰ লানি নিছিগা শাৰী দেখিবলৈ পোৱা গৈছে। যি সময়ত চৰকাৰী মাধ্যমৰ বিদ্যালয়ৰ পৰিৱৰ্তে ব্যক্তিগত মাধ্যমৰ বিদ্যালয়ত নামভৰ্তিৰ তীব্ৰ প্ৰতিযোগিতা চলিছে, তেনে সময়ত এইখন বিদ্যালয়ত প্ৰতি বছৰে নামভৰ্তিৰ বাবে হোৱা হেতা-ওপৰাই চৰকাৰী অসমীয়া মাধ্যমৰ বিদ্যালয়ৰ প্ৰতি শুভ বাৰ্তা কঢ়িয়াই আনিছে। বিগত কিছু বছৰ ধৰি ব্যক্তিগত বিদ্যালয় এৰিও এক বুজন সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে এই বিদ্যালয়ত নামভৰ্তি কৰা দেখিবলৈ পোৱা গৈছিল। উল্লেখ্য যে উন্নত মানবিশিষ্ট আন্তঃগাঁথনিৰ বিদ্যালয়খনত দক্ষ আৰু প্ৰশিক্ষণপ্ৰাপ্ত শিক্ষকসকলে বিভিন্ন প্ৰচেষ্টাৰে শিক্ষা প্ৰদান কৰাৰ লগতে শিক্ষাৰ্থীৰ শাৰীৰিক, মানসিক, *ছয় পৃষ্ঠাত চাওক*



## তামুলপুৰত বড়ো সাহিত্য সভাৰ ৬১ সংখ্যক অধিবেশনৰ লাইখুঁটা স্থাপন



**অগ্ৰদূত বাৰ্তা**
**তামুলপুৰ, ২৭ মাৰ্চ ঃ** বড়ো সাহিত্য সভাৰ ৬১ সংখ্যক অধিবেশন এই বেলি ভিন্ন জাতি-জনগোষ্ঠীৰ সমন্বয়স্থলী তামুলপুৰত তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে অহা ২৭ ,২৮আৰু ২৯ এপ্ৰিলত অনুষ্ঠিত হ'ব। তামুলপুৰ জিলাৰ কচুবাৰীৰ শান্তি পথাৰত অনুষ্ঠিত হ'ব লগা উক্ত অধিবেশনৰ আজি লাইখুঁটা স্থাপন কৰা হয়। এক মংগলিক পৰিৱেশত অধিবেশনৰ লাইখুঁটা স্থাপন কৰে অসম বিধান সভাৰ অধ্যক্ষ বিশ্বজিত দৈমাৰীয়ে। লাইখুঁটা স্থাপন কৰি আগবঢ়োৱা ভাষণত তেওঁ অধিবেশন সাফল্যমণ্ডিত কৰি তুলিবলৈ সৰ্বস্তৰৰ ৰাইজক আহ্বান জনায় কয়, 'ক'ভিড সৃষ্ট পৰিৱেশ তথা অন্যান্য কাৰণত দুবাৰকৈ দিন সলনি হলেও তামুলপুৰত বড়ো সাহিত্য সভাৰ ৬১ সংখ্যক অধিবেশনখনে এইবাৰ এক ইতিহাস গঢ়িবলৈ গৈ *ছয় পৃষ্ঠাত চাওক*

দৈনিক অগ্ৰদূত

গুৱাহাটী, সোমবাৰ ১৩ চ'ত ১৪২৮ ভাস্কৰাব্দ ২৮ মাৰ্চ ২০২২



# নিয়ন্ত্ৰণ নে আতিশয্য ?

**গুৱাহাটী** মহানগৰীকে ধৰি অসমৰ নগৰাঞ্চলত যান-বাহনৰ সংখ্যা বৃদ্ধি আৰু তাৰ বিপৰীতে পথ-ঘাটৰ দুৰৱস্থা, পাৰ্কিঙৰ অভাৱ আদি সমস্যাই নগৰাঞ্চলৰ জীৱন যাত্ৰা দুঃসহ কৰি তুলিছে। নতুন ট্ৰেফিক আইন আৰু জৰিমনা ব্যৱস্থাই পৰিস্থিতি অধিক ভয়াৱহ কৰি তুলিছে।

ন' পাৰ্কিং অঞ্চলত গাড়ী ৰখোৱা, নিৰ্ধাৰিত গতিবেগতকৈ অধিক গতিবেগত গাড়ী চলোৱা, ছিট বেল্ট পৰিধান নকৰা, গাড়ী চলোৱাৰ সময়ত ম'বাইল ফোনত কথা পতা আদিৰ বাবে হেজাৰ হেজাৰ টকা জৰিমনাৰ ব্যৱস্থা কৰা হৈছে। উদাহৰণ স্বৰূপে ক'ব পাৰি যে গুৱাহাটী মহানগৰীত ন' পাৰ্কিং অঞ্চলত গাড়ী ৰখালে দুহেজাৰ টকাকৈ জৰিমনা দিব লাগে। জৰিমনা অথবা শাস্তি এই বাবেই দিয়া হয় যাতে ভৱিষ্যতে নাগৰিকসকলে আইনভংগ নকৰে; কিন্তু জৰিমনা আৰু শাস্তিৰ এটা নিৰ্ধাৰিত অনুপাত থাকিব লাগে। ভাৰতবৰ্ষৰ দৰে তুলনামূলকভাৱে অনুন্নত দেশত ন' পাৰ্কিঙৰ বাবে দুহেজাৰ টকা জৰিমনা যথেষ্ট বেছি। নিৰ্ধাৰিত গতিবেগতকৈ অধিক গতিবেগৰ বাবে জৰিমনা এহেজাৰ টকাৰ পৰা দুহেজাৰ টকা। লাইচেঞ্চ নোহোৱাকৈ গাড়ী চলোৱাৰ জৰিমনা পাঁচ হেজাৰ টকা। বীমা নোহোৱাকৈ গাড়ী চলোৱাৰ জৰিমনা দুহেজাৰ টকা। প্ৰাপ্তবয়স্ক নোহোৱাকৈ গাড়ী চলোৱাৰ জৰিমনা ২৫ হেজাৰ টকা। ট্ৰেফিক নিয়ম ভংগ কৰাৰ বাবে শাস্তি হ'ব লাগে; কিন্তু বৰ্তমান যি পৰিমাণৰ জৰিমনাৰ ব্যৱস্থা কৰা হৈছে, সেই পৰিমাণৰ জৰিমনা আমাৰ দেশৰ সাধাৰণ নাগৰিকে বহন কৰিব পাৰিব নে নাই সেয়া বিচাৰ্য। মাত্ৰাধিক পৰিমাণৰ জৰিমনাই ট্ৰেফিক আইন উলংঘন হ্ৰাস কৰিব পাৰিব বুলি চৰকাৰে ভবা ধাৰণাটো কিমানদূৰ শুদ্ধ সেয়াও বিচাৰ্য। জৰিমনা আৰু শাস্তি এই বাবেই বিহা হয়, যাতে আইনভংগকাৰীয়ে অদূৰ ভৱিষ্যতে আইন ভংগ নকৰে; কিন্তু শাস্তি আৰু জৰিমনাৰ পৰিমাণ যেতিয়া অসমানুপাতিক হয়, তেতিয়া সেয়া অত্যাচাৰত পৰিণত হয়।


ভাৰতত ট্ৰেফিক নিয়ন্ত্ৰণ ব্যৱস্থা যথেষ্ট আঁসোৱাহপূৰ্ণ। মহানগৰীৰ কোনটো অঞ্চল বা কোনটো বাটৰ কোন ছোৱাত ন' পাৰ্কিং আছে, সেয়া সহজে ধৰিব নোৱাৰি। ট্ৰেফিক পুলিচে ন' পাৰ্কিঙৰ অঞ্চলবোৰ সঠিকভাৱে নিৰ্ধাৰিত কৰি ফলক আঁৰি নিদিয়াৰ বাবে বহুতেই হাৰাশাস্তিৰ সন্মুখীন হ'বলগীয়া হয়। ট্ৰেফিক নিয়ন্ত্ৰণ কৰি থকা চাৰিআলি অথবা তিনিআলিসমূহত ট্ৰেফিক পুলিচ নিশাৰ ভাগত পোহৰৰ অভাৱত দৃষ্টিগোচৰ নহয়। ফলত বহুতেই ট্ৰেফিক পুলিচৰ সংকেত দেখা নাপায়। তদুপৰি নগৰাঞ্চলত চৰকাৰে পাৰ্কিঙৰ যথেষ্ট ব্যৱস্থা নকৰি চাৰিওফালে ন' পাৰ্কিঙৰ ফলক আঁৰি দিয়েই কৰ্তৃপক্ষই হাত সাৰটি বহি থকা দেখা যায়। ন' পাৰ্কিং ফলক আঁৰি দিয়াটো সহজ; কিন্তু যান-বাহনৰ গৰাকীসকলৰ বাবে পাৰ্কিঙৰ ব্যৱস্থা কৰাটো কঠিন। নাগৰিকসকলে নিৰ্ধাৰিত স্থানত গাড়ী ৰখাব নোৱাৰিলে ক'ত গাড়ী ৰখাব তাক নিৰ্দিষ্ট কৰাটো চৰকাৰৰ কৰ্তব্য। য'ত পাৰ্কিঙৰ ব্যৱস্থা কৰিব লাগে তাত পাৰ্কিং নাই অথচ চৰকাৰে গুৱাহাটী মহানগৰীৰ চিৰিয়াখানা পথ, ফাঁচী বজাৰ আদিত কে'বা মহলীয়া পাৰ্কিঙৰ ব্যৱস্থা কৰিছে লাখ লাখ টকা খৰচ কৰি। অথচ তাত গাড়ী কোনেও ৰখাবলৈ নাযায়। কাৰণ তাত গাড়ী পাৰ্ক কৰাৰ প্ৰয়োজনো নাই।

সেয়েহে চৰকাৰে অসমৰ মহানগৰী সমূহকে ধৰি সকলো নগৰাঞ্চলত উন্নত পাৰ্কিং ব্যৱস্থাৰ সৃষ্টি কৰক। ন' পাৰ্কিং অঞ্চলসমূহ স্পষ্টভাৱে নিৰ্দেশ কৰক যাতে গাড়ী চালনাসকল বিভ্ৰান্ত নহয়। সঠিকভাৱে ন' পাৰ্কিং অঞ্চলবোৰ চিনাক্ত কৰিব নোৱাৰিলে তেনে অঞ্চলত গাড়ী ৰখোৱাৰ বাবে চৰকাৰে নাগৰিকসকলক জৰিমনা কৰিব নোৱাৰিব। ট্ৰেফিক পুলিচে যদিহে নিয়ম ভংগ কৰে, তেনেহ'লে তেওঁলোকক জৰিমনা কৰাৰ কিবা ব্যৱস্থা আছে নে? গুৱাহাটীৰ পল্টন বজাৰত শিশুসহ পৰিয়াল এটিৰ ওপৰত ট্ৰেফিক পুলিচৰ আতিশয্যই সকলোকে ভবাই তুলিছে।

সকলো নাগৰিকে যেনেদৰে ট্ৰেফিক আইন মানি চলা উচিত, ঠিক তেনেদৰেই ট্ৰেফিক পুলিচে নাগৰিকসকলৰ অধিকাৰক সুৰক্ষিত কৰা উচিত।

## খোলা মঞ্চ

# ভ্ৰষ্টাচাৰীৰ সলনি আমি সৎ নেতা কেনেকৈ পাম ?



**ভাৰতে** স্বাধীনতা লাভ কৰাৰ পাছত সুস্থ গণতান্ত্ৰিক পৰম্পৰা ৰক্ষা কৰি নিস্বাৰ্থভাৱে সততা-নিষ্ঠা-উদাৰতা-নিকা ভাৱমূৰ্তিৰ সংসদীয় ৰাজনীতিৰে দেশ সেৱা কৰিবলৈ ওলাই অহা এচাম নীতিনিষ্ঠ আৰু আদৰ্শৱান ৰাজনীতিবিদ-প্ৰশাসকৰ কৰ্মৰ নিদৰ্শনে আজিও ভাৰতবাসীক মোহিত কৰি আছে অন্ততঃ বৰ্তমানে সমাজসেৱা বা দেশ সেৱাৰ নামত এদল ভ্ৰষ্টাচাৰীয়ে দুৰ্নীতি-ব্যভিচাৰ কৰি ৰাজহুৱা ধন আৰু সম্পত্তি শোষণ-নিষ্পেষণৰ দ্বাৰা বিলাসী জীৱন-যাপন কৰা দেখাৰ পাছতো। মূল্যবোধক প্ৰাধান্য দি জনসাধাৰণৰ প্ৰতি ন্যায় প্ৰদানৰ অৰ্থে সুপ্ৰশাসন প্ৰৱৰ্তন কৰিবলৈ আগবাঢ়ি অহা কিছু মহান জননেতাই দাঙি ধৰা উজ্জ্বল চানেকিৰ কথা দেশৰ ভৱিষ্যতৰ কৰ্ণধাৰসকলৰ অৰ্থে উল্লেখ কৰাৰ লোভ সামৰিব পৰা নহ'ল। তাহানি নেহৰু মন্ত্ৰীসভাৰ উজ্জ্বল ৰত্ন আৰু ৰেলমন্ত্ৰী লালবাহাদুৰ শাস্ত্ৰীয়ে এটা শোকাবহ ৰেল দুৰ্ঘটনাত ম্ৰিয়মান হৈ দায়িত্ব মূৰ পাতি লৈ মন্ত্ৰী পদৰ পৰা অব্যাহতি বিচাৰে (১৯৬১)। ১৯৬২ৰ লোকসভা নিৰ্বাচনৰ সময়ত কংগ্ৰেছ প্ৰাৰ্থী পণ্ডিত তীৰ্থনাথ শৰ্মা আৰু সাংসদ হেম বৰুৱাই নলবাৰীৰ বৰবৰীৰ এখন জনাকীৰ্ণ নিৰ্বাচনী সভাত (দুয়োগৰাকীয়ে) খোলাখুলিকৈ তেওঁলোকৰ মাজৰ মনঃপুত প্ৰাৰ্থীগৰাকীকে জয়যুক্ত কৰি গুৱাহাটী সংসদীয় সমষ্টিৰ জনপ্ৰতিনিধি কৰাৰ বাবে আহ্বান জনায়। ১৯৭৫ৰ জৰুৰী অৱস্থাৰ কুপ্ৰভাৱত আৰু জনতা ঢৌৰ আচোৰ লাগি অসমৰ জননেতা শৰৎ চন্দ্ৰ সিংহৰ কংগ্ৰেছ চৰকাৰৰ পতন হোৱাত বিদায়ী মুখ্যমন্ত্ৰীজনে গাড়ী-আৱাসকে ধৰি সকলো চৰকাৰী সা-সুবিধা বিসৰ্জন দি তৎকালীনভাৱে পদব্ৰজে নিজ গৃহলৈ বিদায় লয়।

**প্ৰমোদ কাকতি, লেখক**

ওপৰত উনুকিওৱা গণতান্ত্ৰিক পৰম্পৰা আৰু সংসদীয় ৰাজনৈতিক ব্যৱস্থাত নীতি-আদৰ্শক শিৰত লৈ জনগণৰ হিতাৰ্থে দেশ সেৱা কৰি যোৱা মহান নেতাসকলৰ বিপৰীতে সাম্প্ৰতিক কালৰ কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰসমূহৰ মাজত আমি আকাশ-পাতাল পাৰ্থক্য দেখিবলৈ পাইছো। এটা কথা ঠিক যে সেই ৰামো নাই, সেই অযোধ্যাও নাই। গংগা-যমুনা-কাবেৰী, গোদাবৰী, বৰলুইতৰ বুকুৰেদি বহু পানী বাগৰি গ'ল। সময়ৰ পৰিৱৰ্তনে মানুহৰ মনলৈও অভাৱনীয় পৰিৱৰ্তন আনিলে। এতিয়া অনিয়মক নিয়মত পৰিণত কৰাৰ বাবে অসৎ ৰাজনৈতিক চক্ৰটোৱে অহৰহ অভিপ্ৰায় চলাই আছে। এতিয়া গণতন্ত্ৰৰ নামত এমুঠিমান ধনী আৰু বাহুবলী, স্বাৰ্থপৰ আৰু খঁকুৱা, দুষ্ট আৰু ভ্ৰষ্টাচাৰী, শোষক আৰু নিষ্পেষকৰ কৰলত দেশ আৰু ৰাজ্যসমূহৰ শাসন ব্যৱস্থাই কক্‌বকাই আছে; কিন্তু এনে দুৰ্দশাৰ সময়ত 'কাকনো বুলিব ককা, সকলোৰে দেখোন দাড়ি চুলি পকা।' অৰ্থাৎ দুৰ্নীতিত সকলো পোত গৈছে।

ভ্ৰষ্টাচাৰৰ সাগৰত ডুব যাওঁ যাওঁ অৱস্থাত থকা নাগৰিক সমাজক বচাবৰ বাবে আমাক নিশ্চয় সৎ আৰু নিকা ভাৱমূৰ্তিৰ নেতা লাগে। ইয়াৰ বাবে দুটা উপায়ৰ কথা ভাবিব পাৰি। এটা হ্ৰস্বম্যাদী আৰু আনটো দীৰ্ঘম্যাদী। হ্ৰস্বম্যাদী ব্যৱস্থাত নিৰ্বাচনৰ সময়ত ভোটদাতা ৰাইজ সজাগ-সচেতন হৈ মাৰ বান্ধি সৎ আৰু নিকা চৰিত্ৰৰ লোকক জনপ্ৰতিনিধিৰূপে নিৰ্বাচিত কৰিব লাগিব। নিৰ্বাচন আয়োগে দাগী-অপৰাধী-অভিযুক্ত-অসৎ লোকে যাতে প্ৰাৰ্থী হ'ব নোৱাৰে, তাৰ কটকটীয়া ব্যৱস্থা ল'ব লাগিব। দীৰ্ঘম্যাদী আঁচনিৰ অধীনত আমাৰ অগ্ৰজ পিতৃ-মাতৃয়ে সন্তানক আদৰ্শ নাগৰিক গঢ়াৰ মানসিকতা পোষণ কৰিব লাগিব। বিদ্যালয়ৰ পাঠ্যক্ৰমত নীতি শিক্ষা বাধ্যতামূলক কৰা আৰু শিক্ষক-শিক্ষয়িত্ৰীয়ে ছাত্ৰ-ছাত্ৰীক দেশৰ সুনাগৰিকৰূপে প্ৰস্তুত কৰাৰ সুশিক্ষা আৰু প্ৰশিক্ষণ দিব লাগিব। আমাৰ দেশৰ আইন আৰু শাসন ব্যৱস্থাত থকা দুৰ্বলতা নাইকিয়া কৰিব লাগিব। তেহে দেশৰ পৰা ভ্ৰষ্টাচাৰ পুলিয়ে- পোখাই উভালি পেলোৱাৰ অৰ্থে শাসনভাৰ ল'বলৈ দেশৰ ভৱিষ্যৎ বংশধৰসকলৰ পৰা নেতা বিচাৰি উলিওৱাৰ পথ সুগম হ'ব।


*ফোন ঃ ৬০০৩২৬২৩৩০*



আমাৰ দেশৰ সংবিধানে জাতি-ধৰ্ম আৰু লিংগ নিৰ্বিশেষে সমস্ত নাগৰিকৰ সমানাধিকাৰ নিশ্চিত কৰে। ধৰ্মৰ পৰা ৰাষ্ট্ৰক বিচ্ছিন্ন কৰা ধৰ্মীয় সংখ্যালঘুসকলক সংবিধান স্বীকৃত অধিকাৰবোৰ উপভোগ কৰিবলৈ দিয়াটো সংবিধানৰ লক্ষ্য। সকলো মানুহক অন্তৰ্ভুক্ত কৰি এটা অৰ্থনৈতিক কাৰ্যসূচীৰ দ্বাৰা 'ভাৰতবৰ্ষৰ ধাৰণা'ক বাস্তৱায়িত কৰাৰ লক্ষ্যটোৱে আজিৰ দিনত যুক্তিশীলতা।

# ফেচিবাদৰ উৎস

## জনসাধাৰণক অবাধে শোষণ কৰাই ফেচিবাদৰ লক্ষ্য



### দৃষ্টিপাত
**অনন্ত কলিতা**

**বহুদিন** আগতে জৰ্জি ডিমিট্ৰভৰ নিৰ্বাচিত ৰচনাৱলীৰ দ্বিতীয় খণ্ডত পঢ়িছিলো, 'ফেচিজমে মানুহক কৌশলেৰে এটা চৰম দুৰ্নীতিপৰায়ণ আৰু উৎকোচ লোলুপসকলৰ দয়াৰ পাত্ৰত পৰিণত কৰে; কিন্তু তেওঁলোকে এনেকুৱা অভিনয় কৰে যেন তেওঁলোক সততাৰ প্ৰতীক হৈ শাসন ক্ষমতাত আহিছে আৰু দুৰ্নীতিমুক্ত স্বচ্ছ চৰকাৰ প্ৰতিষ্ঠা কৰিছে। মানুহৰ সুগভীৰ স্বপ্নভংগৰ এক চূড়ান্ত পৰ্যায়ত ফেচিবাদ উগ্ৰ স্বদেশপ্ৰেমৰ ভাবাৱেগক কৌশলপূৰ্ণ বাক্‌চাতুৰ্য্যৰে মানুহৰ মনত মায়াজাল সৃষ্টিৰ প্ৰচেষ্টা চলায়। মধ্যবিত্ত আৰু শ্ৰমিকসকলৰ অধিকাংশ অভাৱ, বেকাৰত্ব আৰু জীয়াই থকাৰ শংকাৰ কাৰণে সংকীৰ্ণ জাতীয়তাবাদীসকলৰ সৃষ্ট আৱেগৰ সোঁতত ভাহি যায়।' আমি যোৱা আঠ বছৰে যিখন ভাৰতীয় সমাজত আৰু যিখন চৰকাৰৰ শাসনৰ তলত আছো সেই পৰিৱেশটো জৰ্জি ডিমিট্ৰভে লিখা কথাখিনিৰ লগত হুবহু মিলি যায়।

ভাৰতত নাগৰিকসকলে বৰ্তমান সময়ছোৱাত এটা নতুন পৰিস্থিতিৰ সন্মুখীন হৈছে, সেইটো হ'ল ফেচিবাদসুলভ সাম্প্ৰদায়িকতা, আমাৰ দেশৰ ধৰ্মনিৰপেক্ষ গণতন্ত্ৰৰ ওপৰত অভূতপূৰ্ব আক্ৰমণ আহি পৰিছে আৰু এই প্ৰক্ৰিয়াৰ ওপৰত নিৰ্ভৰ কৰিয়ে জাতীয়তাবাদ আৰু ৰাজনৈতিক মূল্যবোধৰ নতুন ব্যাখ্যা দিছে। অত্যন্ত দুৰ্ভাগ্যজনক যে ভাৰতৰ ধৰ্মনিৰপেক্ষতা আৰু গণতন্ত্ৰৰ ওপৰত আঘাট কৰা হৈ আছে ধৰ্মৰ নামত। আজি বিশ্বৰ বিভিন্ন ঘটনাই প্ৰমাণ কৰিছে যে সকলোধৰণৰ ধৰ্মীয় মৌলবাদৰ লগত সেইটো গৈৰিক বা তালিবান যিয়েই নহওক কিয়, এওঁলোকৰ ধৰ্মতত্ত্বৰ লগত বিশেষ কোনো সম্পৰ্ক নাই। ধৰ্মৰ নাম ব্যৱহাৰ কৰি ৰাজনৈতিক ক্ষমতাক সংহত কৰাই এওঁলোকৰ উদ্দেশ্য।

গোলৱালকৰৰ 'We or our nation hood defined'ত লিখিছিল, 'আমাৰ ওচৰত এই সিদ্ধান্ত প্ৰশ্নহীন হিচাপে আহি যায় যে হিন্দুস্তান প্ৰাচীন হিন্দু ভাৰতৰ অস্তিত্বৰাজ আৰু হিন্দুজাতিৰ বাহিৰে আৰু কোনো থকাৰ প্ৰয়োজন নাই। যিসকল জাতীয় নহয়, অৰ্থাৎ হিন্দু জাতি, ধৰ্ম, সংস্কৃতি আৰু ভাষাৰ নহয়, সেইসকলে স্বাভাৱিকভাৱেই প্ৰকৃত 'জাতীয়' জীৱনৰ সীমাৰ বাহিৰত।'

ফলস্বৰূপে একমাত্ৰ সেই আন্দোলনসমূহেই হ'ল, 'প্ৰকৃতপক্ষে জাতীয় আন্দোলন, যিসমূহে হিন্দু জাতিকে বৰ্তমানৰ আচ্ছন্নতাৰ আঁতৰ কৰি ইয়াক পুনৰ্গঠিত আৰু নৱগুণিত কৰাৰ লক্ষ্য লয়। তেওঁলোকেই জাতীয়তাবাদী দেশপ্ৰেমিক যিসকলে নিজৰ হৃদয়ত হিন্দু সম্প্ৰদায় আৰু জাতিক মহিমামণ্ডিত কৰাৰ উচ্চ আশালৈ নিযুক্ত হয় আৰু লক্ষ্য পূৰণ কৰাৰ চেষ্টা কৰে। বাকীবোৰ হয়তো বিশ্বাসঘাতক আৰু জাতীয় আন্দোলনৰ শত্ৰু নহ'লে অন্ধ অলপ উদাৰভাৱে ক'বলৈ গ'লে নিৰ্বোধ।'

স্বাধীনতা সংগ্ৰামে 'ভাৰতবৰ্ষৰ ধাৰণা'ৰ যি প্ৰতিচ্ছবি তৈয়াৰ কৰিছিল উক্ত কথাখিনিৰ বিপৰীত। 'ডিছক'ভাৰী অব ইণ্ডিয়া'ত নেহৰুৱে কৈছিল, 'ভাৰতবৰ্ষ হ'ল এখন প্ৰাচীন পুথি' (নেহৰুৰ ব্যৱহৃত শব্দটো হ'ল Palimpsest) যিটোৰ ওপৰত স্তৰে স্তৰে চিন্তা আৰু স্বপ্ন-কল্পনা খোদিত হৈছে, কিন্তু তৎসত্ত্বেও কোনো পৰৱৰ্তী স্তৰত পূৰ্বতে যিটো লেখা হৈছে সেইটোক সম্পূৰ্ণভাৱে গোপন কৰা নাই বা মচি পেলোৱা নাই।

ভাৰতবৰ্ষৰ ধাৰণাক অৰ্জন কৰাৰ ক্ষেত্ৰত সাম্প্ৰদায়িক জাতীয়তাবাদৰ ভিত্তিত আৰএছএছৰ এই প্ৰকল্প হ'ল এক পশ্চাদগমন, আজি যিটোলৈ ঢাক-ঢোল বজোৱা হৈছে, সেইটো হ'ল ফেচিবাদী হিন্দুৰাষ্ট্ৰ প্ৰতিষ্ঠা কৰাৰ লক্ষ্যত হিন্দুত্ববাদী জাতীয়তাবাদ।

'ভাৰতবৰ্ষৰ ধাৰণা'ৰ যি চিন্তা সেইটো ভাৰতীয় জনগণৰ স্বাধীনতাৰ কাৰণে সংগ্ৰামৰ পৰা উদ্ভূত। স্বাধীন ভাৰতৰ চৰিত্ৰৰ উপাদানক লৈ তিনিধৰণৰ দৃষ্টিভংগীৰ উৎপত্তি হৈছিল। মূলধাৰাৰ কংগ্ৰেছী দৃষ্টিভংগী আছিল ভাৰত হ'ব এখন ধৰ্মনিৰপেক্ষ গণতান্ত্ৰিক প্ৰজাতন্ত্ৰ। এই উদ্দেশ্যৰ লগত সহমত পোষণ কৰিও বাঁওপন্থী ৰাজনৈতিক দলবোৰৰ দৃষ্টিভংগী আছিল দেশৰ ৰাজনৈতিক স্বাধীনতা প্ৰসাৰিত কৰি প্ৰত্যেকটো ব্যক্তিৰ সামাজিক-অৰ্থনৈতিক স্বাধীনতা অৰ্জন কৰিব লাগিব। এই দুটা দৃষ্টিভংগীৰ বিৰুদ্ধে গৈ এটা তৃতীয় চিন্তা বা দৃষ্টিভংগী আছিল যে দেশৰ চৰিত্ৰ নিৰূপিত হ'ব জনগণৰ ধৰ্মীয় আনুগত্যৰ দ্বাৰা। এই দৃষ্টিভংগীৰ বহিঃপ্ৰকাশ আছিল দুই ধৰণৰ, মুছলিম লিগৰ ইছলামী ৰাষ্ট্ৰ আৰু আৰএছএছৰ হিন্দু ৰাষ্ট্ৰ। ব্ৰিটিছ ঔপনিৱেশিক শাসকসকলৰ দক্ষ প্ৰৰোচনাৰ সাহায্যত আৰু সহযোগিতাৰ দ্বাৰা মুছলিম লিগে দুৰ্ভাগ্যজনকভাৱে দেশখন ভাগ কৰিবলৈ সমৰ্থ হয়, যিটোৰ ফলত আজি পৰ্যন্ত উত্তেজনা সৃষ্টি হৈ আছে। ভাৰতৰ স্বাধীনতা সংগ্ৰামে আৰএছএছৰ দৃষ্টিভংগী আৰু ৰাজনৈতিক প্ৰকল্পক প্ৰত্যাখ্যান কৰিছিল আৰু ইয়াৰ হতাশাৰ প্ৰতিফলন ঘটিছিল মহাত্মা গান্ধীৰ হত্যাৰ দ্বাৰা। আজি ভাৰতবৰ্ষৰ আদৰ্শগত সংগ্ৰাম আৰু ৰাজনৈতিক সংঘাত এই তিনি দৃষ্টিভংগীৰ মাজত সংগ্ৰামৰ সম্প্ৰসাৰণ।

আমাৰ দেশৰ সংবিধানে জাতি-ধৰ্ম আৰু লিংগ নিৰ্বিশেষে সমস্ত নাগৰিকৰ সমানাধিকাৰ নিশ্চিত কৰে। ধৰ্মৰ পৰা ৰাষ্ট্ৰক বিচ্ছিন্ন কৰা ধৰ্মীয় সংখ্যালঘুসকলক সংবিধান স্বীকৃত অধিকাৰবোৰ উপভোগ কৰিবলৈ দিয়াটো সংবিধানৰ লক্ষ্য। সকলো মানুহক অন্তৰ্ভুক্ত কৰি এটা অৰ্থনৈতিক কাৰ্যসূচীৰ দ্বাৰা 'ভাৰতবৰ্ষৰ ধাৰণা'ক বাস্তৱায়িত কৰাৰ লক্ষ্যটোৱে আজিৰ দিনত যুক্তিশীলতা। এখন কাল্পনিক জগত তৈয়াৰ কৰি মানুহৰ দৈনন্দিন দুখ-দুৰ্দশাৰ লগত সম্পৰ্কহীন বিশ্ব এখনত বাস কৰিবলৈ আবেদনকাৰী বিষয়বোৰৰ ওপৰত মনোযোগ দিয়া আৰু সংগ্ৰাম কৰাৰ বাবে বিজেপিয়ে নাগৰিকসকলক প্ৰৰোচিত কৰি আছে।

জনসাধাৰণক অবাধে শোষণ কৰাই ফেচিবাদৰ লক্ষ্য; কিন্তু দস্যু পুঁজিপতি শ্ৰেণী বেংক, ট্ৰাষ্ট আৰু কৰ্প'ৰেট গোষ্ঠীৰ প্ৰতি যি সুগভীৰ বিক্ষোভ আৰু ঘৃণা আছে, ইয়াৰ সুযোগ লৈ ফেচিবাদীসকলে অত্যন্ত সুকৌশলেৰে পুঁজিবাদ বিৰোধী-জ্বালাময়ী বক্তৃতা দি জনসাধাৰণৰ ওচৰত আবেদন জনায়, এনেকুৱা দাবীবোৰ উত্থাপন কৰে যে ৰাজনৈতিকভাৱে অপৰিপক্ক জনসাধাৰণৰ ওচৰত সেই মুহূৰ্তত আটাইতকৈ লোভনীয় হয়। ভাৰতত আমি দেখিছো জন-ধন যোজনা সম্পৰ্কত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী যি শ্ল'গান দিছিল (যদিও এই বেংক একাউণ্টৰ অধিকাংশই শূন্য বেলেঞ্চৰ) জনগণক প্ৰলোভিত কৰাৰ চেষ্টা কৰা হৈছিল। অথচ এই চৰকাৰৰ অৰ্থনৈতিক নীতি হ'ল জনগণৰ ওপৰতেই ক্ৰমশঃ বেছি বেছি কৰৰ বোজা জাপি দিয়া।

ফেচিবাদে জনসাধাৰণক আটাইতকৈ অধিক দুৰ্নীতিপৰায়ণ, আটাইতকৈ বিষাক্ত ব্যক্তিসকলৰ গ্ৰাসত সোমাই দিয়ে; কিন্তু জনসাধাৰণৰ দৰবাৰত এওঁলোক হাজিৰ হয় 'সৎ আৰু দুৰ্নীতিমুক্ত, দুৰ্নীতিৰ প্ৰতি শূন্য সহনশীলতা চৰকাৰ গঠনৰ প্ৰতিশ্ৰুতিৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী অবিৰতভাৱে ঘোষণা কৰি গৈ আছে যে এই প্ৰথম এখন চৰকাৰ যিখনৰ কোনো দুৰ্নীতি কেলেংকাৰি নাই। দেশৰ সাধাৰণৰ বেংকত থকা জমা টকাৰ ঋণ লৈ ১৮টা বেংকৰ পৰা পুঁজিপতিসকলে আঠ লাখ ১৭ হেজাৰ কোটি টকাৰ ঋণ লৈ ঘূৰাই দিয়া নাই।' ৫.৩৫ লাখ কোটি টকা জাল কৰি লুট কৰি ৰাজকীয় বিলাসিতাৰে বিদেশত জীৱন কটাইছে কেইজনমান পুঁজিপতিয়ে। বেংকৰ ধন লুট কৰা ব্যৱসায়ীসকলৰ ৮০ শতাংশই গুজৰাটী। ধন লুণ্ঠন কৰাৰ তালিকাত এইবাৰ যুক্ত হৈছে এবিজে ছিপইয়াৰ্ড। এইটো কোম্পানীও গুজৰাটৰ। মোদী মুখ্যমন্ত্ৰী থকা সময়তেই সংস্থাটোৰ উত্থান আৰু বিকাশ। ২২,৮৪২ কোটি টকা ২৮টা বেংকৰ পৰা লুট কৰিছে। এই জালৰ ঘটনাৰ তদন্তৰ বাবে দুবাৰো ষ্টেট বেংকে চিঠি দি চি-বি-আইক অনুৰোধ কৰিছিল, কিন্তু চি-বি-আইয়ে পাত্তাই দিয়া নাই। মানৱ সভ্যতাৰ এই মাৰাত্মক শত্ৰুসকলক অভ্যৰ্থনাৰ অকণো অভাৱ নহয়। ভাৰতবৰ্ষৰ ধৰ্মীয় ফেচিবাদ আৰু তেওঁলোকৰ গুণমুগ্ধ ভাৰতীয় উদ্যোগপতিসকল যি ৰাজনৈতিক দৰ্শনৰ অভিজ্ঞানত বিষধৰ হৈ উঠিছে— তেওঁলোকৰ পিতৃভূমি হ'ল হিটলাৰৰ নাৎসী জাৰ্মানী।

যত দোষ নন্দ ঘোষ। বৰ্তমান দেশৰ দুখ-দুৰ্গতি, দেশৰ অনা-উন্নয়ন সকলোৰে বাবে দায়ী হেনো জৱাহৰলাল নেহৰু। প্ৰত্যেকটো বিদেশ ভ্ৰমণত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৈ থাকে? যোৱা ৬০ বছৰৰৰ কংগ্ৰেছ শাসনৰ ধ্বংসাৱশেষৰ পৰা তেওঁৰ চৰকাৰে ভাৰতৰ পুণৰ্নিৰ্মাণ কৰিছে। যোৱা আঠ বছৰেপুনৰ্নিৰ্মাণে কৰিয়ে আছে। দেশক তথা অৰ্থনীতিক পুনৰ্নিৰ্মাণৰ ফলত বিশ্ব ক্ষুধা সূচকত বিশ্বৰ ১১৬ খন ৰাষ্ট্ৰৰ ভিতৰত ভাৰতৰ স্থান ১০১ পাইছেগৈ। মোদী চৰকাৰৰ দ্বাৰা পুনৰ্নিৰ্মাণৰ ফলত দেশত দৰিদ্ৰৰ সংখ্যা কেনেধৰণে বৃদ্ধি পাইছে, সেইটো প্ৰতিফলিত হয় ২০১৩ৰ পৰা বিশ্ব ক্ষুধা সূচকৰ তথ্যৰ স্থানবোৰ পৰ্যালোচনা কৰিলে। বিশ্ব ক্ষুধাসূচক ভাৰতৰ স্থান ২০১৩ত আছিল ৬৩, ৫৫-২০১৪ত, ৮০-২০১৫ত, ৯৭-২০১৬ত, ১০০-২০১৭ত। দেশৰ দৰিদ্ৰৰ সংখ্যা বৃদ্ধিৰ তথ্যৰ পৰা সহজে ক'ব পাৰি মোদী চৰকাৰে দেশখন কেনেধৰণে পুনৰ্নিৰ্মাণ কৰিছে আৰু কেনেদৰে দেশখন ধ্বংসৰ অপবাদ দিছে নেহৰুক।

ভুৱা প্ৰতিশ্ৰুতি আৰু প্ৰৱঞ্চনাৰ দ্বাৰা ফেচিবাদে সকলো ৰকমৰ পুঁজিবাদী প্ৰতিক্ৰিয়াক অতিক্ৰম কৰি যায়। এখন দেশৰ জাতীয় বৈশিষ্ট্যৰ লগত খাপ খুৱাই আনকি দেশৰ বিভিন্ন সামাজিক স্তৰৰ লগত খাপ খুৱাই ফেচিবাদে প্ৰচাৰৰ ধৰণ-কৰণ ঠিক কৰে। অভাৱ, অনাটন, বেকাৰী আৰু জীৱনৰ অনিশ্চয়তাৰ বাবে হতাশাগ্ৰস্ত উচ্চ মধ্যবিত্ত, নিম্ন মধ্যবিত্ত, আনকি শ্ৰমিক শ্ৰেণীৰো এক বৃহৎ অংশ ফেচিবাদৰ আচ্ছে দিন ধৰ্মীয় মেৰুকৰণৰ আৰু উগ্ৰ জাতীয়তাবাদৰ ভাওতাবাজীৰ বলি হয়। ফেচিবাদী ধৰণৰ বাক্‌চাতুৰ্যক বাদেও আৰএছএছ, বিজেপিৰ ছ'চিয়েল ইঞ্জিনীয়াৰিং বা সামাজিক বিন্যাসৰ খেল চলাই আছে। বিভিন্ন সামাজিক স্তৰৰ লগত খাপ খুৱাই তেওঁলোকে প্ৰত্যেকটো জাত-সম্প্ৰদায়ক সমবেত কৰি তেওঁলোকৰ মাজত সামাজিক ভিত্তি গঠন কৰি আছে। ফেচিবাদে মূলতঃ উগ্ৰজাতীয়তাবাদী, ধৰ্মীয় মৌলবাদী, গণতন্ত্ৰ হত্যাকাৰী ৰূপ লয়। পুৰণি কায়দাত তথা কৌশলত পুঁজিবাদৰ সংকট মোকাবিলাত অক্ষম নব্য-উদাৰবাদ সেয়ে ফাইনেন্স পুঁজিৰ সৰ্বাধিক প্ৰতিক্ৰিয়াশীল উগ্ৰজাতীয়তাবাদী, ধৰ্মীয় মৌলবাদী অংশই প্ৰকাশ্যে একনায়কত্ববাদৰ পথত অগ্ৰসৰ হয়। ফেচিবাদে শ্ৰমিক শ্ৰেণী, মধ্যবিত্ত, কৃষক সমাজ, সচেতন বুদ্ধিজীৱী আদিসকলক সন্ত্ৰাসিত কৰে আৰু স্বৰাষ্ট্ৰ বিষয়ত সন্ত্ৰাসবাদী শাসন পদ্ধতি অৱলম্বন কৰে।

*ফোন ঃ ৯৪৩৫০৪১২০৩*

# সেই মহান শিক্ষাগুৰুসকল কোন বাৰু ?

### অভিমত

**অসমত** 'ছেবা'ৰ অধীনত 'উচ্চ মাধ্যমিক শিক্ষান্ত পৰীক্ষা' 'জনপ্ৰিয় নাম (মেট্ৰিক) আৰু উচ্চতৰ মাধ্যমিক শিক্ষান্ত পৰীক্ষা' চলি আছে। এই দুয়োটা পৰীক্ষাত অৱতীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰীসকলে ২০২০-২১ আৰু ২০২১-২২ শিক্ষাবৰ্ষ দুটাত কিমান দিন স্কুল-কলেজলৈ গৈ শিক্ষাগ্ৰহণ কৰিবলৈ সক্ষম হৈছিল তাক সকলোৰে জানে। কি ধৰণে কি পৰিৱেশত শিক্ষাগুৰুসকলে পাঠদান কৰিছিল সেয়াও সকলোৰে জ্ঞাত। উচ্চতৰ মাধ্যমিক বিজ্ঞান শাখাৰ এটা পঞ্চল্লিছ মিনিটৰ ক্লাছত বিজ্ঞানৰ দুটা দীঘলীয়া পাঠ সমাপন কৰা ঘটনাও কিছুমান শিক্ষানুষ্ঠানত হেনো সংঘটিত হৈছিল। সেই সময়ত 'অন লাইন' শিক্ষা ব্যৱস্থাৰ মান কেনেকুৱা আছিল আৰু সি কিমান ফলপ্ৰসূ আছিল তাকো সকলোৰে জানে।

এনেকুৱা পৰিৱেশ আৰু শিক্ষা ব্যৱস্থাৰ মাজতে আমাৰ কনিষ্ঠা ছোৱালীজনীয়েও এই বৰ্ষত (২০২২) 'ছেবা'ৰ অধীনত বিজ্ঞান শাখাত উচ্চতৰ মাধ্যমিক শিক্ষান্ত পৰীক্ষাত অৱতীৰ্ণ হৈছে। তাইৰ লগতে তাইৰ বন্ধু-বান্ধৱীৰো পৰীক্ষা হেনো 'পদাৰ্থ বিজ্ঞান আৰু ৰসায়ন বিজ্ঞান' ভাল হোৱা নাই। পৰীক্ষাগৃহৰ পৰা ওলাই অহাৰ সময়ত সিহঁতৰ মুখবোৰ শুকান। পৰীক্ষা কেনেকুৱা হ'ল বুলি সিহঁতক সোধাৰ প্ৰয়োজনেই নাই। সিহঁতৰ শুকান মুখকেইখন দেখিয়েই বুজিব পাৰি পৰীক্ষা কেনেকুৱা হৈছে। পৰীক্ষা ভাল নোহোৱাৰ কাৰণ তথা মনৰ কথাবোৰ সিহঁতৰ মুখেৰে শুনিলে এনেকুৱা হয়... দুই বছৰে কভিডৰ কাৰণে আমাৰ ক্লাছ নহ'ল। আমি কলেজলৈ যাবই নাপালো। যি কেইদিন গ'লো — এটা পিৰিয়ডতে দুটা পৰ্যন্ত বিজ্ঞানৰ 'চেপ্টাৰ' শিকিবলগীয়া হ'ল। 'অনলাইন'তো বিশেষ একো শিকা নহ'ল।... 'চি-বি-এছ-ই'ৰ অধীনৰ ছাত্ৰ-ছাত্ৰীসকলে মাত্ৰ চল্লিশ নম্বৰৰ পৰীক্ষাত অৱতীৰ্ণ হ'ব। তাকো ৰিডুইছডঞ্জ কৰ্ছ'ত। পৰীক্ষাত সিহঁতে বেছি নম্বৰ নাপাই 'ছেবা'ৰ পৰীক্ষাৰ্থীয়ে পাব নেকি? কলেজবোৰত সিহঁতে 'ছিট' নাপাই আমি পাম নেকি? কথাবোৰ অসম চৰকাৰ, শিক্ষামন্ত্ৰী, ছেবা কৰ্তৃপক্ষই নাজানে নেকি? নে এই কথাবোৰ গুৰুত্ব দিবলগীয়া কথাই নহয়?... ২০১২ৰ পৰা আমি প্ৰশ্নকাকতসমূহৰ ধৰণ আৰু তাত থকা প্ৰশ্নসমূহ আৰ্হিৰূপে চাইছিলো; কিন্তু এইবাৰৰ প্ৰশ্নকাকতৰ ধৰণ সম্পূৰ্ণ বেলেগ। দুয়োটা বিষয়ৰ 'পদাৰ্থ বিজ্ঞান আৰু ৰসায়ন বিজ্ঞান' প্ৰশ্নকাকতত কোনো 'অৰ'ৰ ব্যৱস্থা নাই। চব বাধ্যতামূলক প্ৰশ্ন। জটিল আৰু পাকলগা। দুয়োটা বিষয়ৰ প্ৰশ্নকাকতত পাঠ্যপুথিৰ ভিতৰৰ শাৰী (Line) পৰ্যন্ত উঠাই দি প্ৰশ্ন কৰা হৈছে। মুঠতে আমাৰ পৰীক্ষা ভাল নহ'ল। আমি ভাল নম্বৰ যে নাপাওঁ সেয়া খাটাং। 'ছেবা'ই আমাক কিয় অন্ধকাৰ ভৱিষ্যতলৈ ঠেলি দিলে? তেওঁলোকৰ পৰিচয় পালে আমি নথৈ আনন্দিত হ'লোহেঁতেন ..."

**মেঘজ্যোতি মহন্ত,** মঙলদৈ

*ফোন ঃ ৯৭০৭৩৩০২৩১*

# গুৱাহাটীৰ পানীৰ সমস্যা দূৰ হ'বনে ?

**গুৱাহাটী** অসমৰ একমাত্ৰ মহানগৰী হোৱাৰ উপৰি অসমৰ ৰাজধানী। বিভিন্ন সমস্যাৰে জৰ্জৰিত মহানগৰীৰ বাসিন্দাসকল। বাট-পথ, নলা- নৰ্দমা, কৃত্ৰিম বানপানী, যানজঁট আদি এশ এবুৰি সমস্যাক চেৰ পেলাই বৰ্তমান ভয়াৱহ ৰূপ ধাৰণ কৰা সমস্যাটো হ'ল খোৱা পানীৰ সমস্যা। গুৱাহাটী তথা ইয়াৰ উপকণ্ঠ অঞ্চলৰ বাসিন্দাসকলৰ আধাতকৈও বেছি লোকে পানীৰ বাবে হাহাকাৰ কৰিব লগীয়া হৈছে। খোৱা পানীৰ উপৰি দৈনন্দিন জীৱনত প্ৰয়োজনীয় সকলো পানী ব্যৱসায়ীৰ পৰা কিনিব লগা হৈছে। ইয়াৰ ফলত দুখীয়া লোকসকলৰ পানীত হাঁহ নচৰা অৱস্থা হৈছে। তদুপৰি পানীৰ ব্যৱসায়ৰ ওপৰত নজৰ ৰাখোতা কোনো নাই। ইয়াৰ সুযোগ গ্ৰহণ কৰিছে এচাম অসাধু ব্যৱসায়ীয়ে। তেওঁলোকে যোগান ধৰা পানী ব্যৱহাৰৰ উপযোগী হয় নে নহয় তাৰো কোনো নিশ্চয়তা নাই। আনকি বটলত বিক্ৰী কৰা খোৱা পানীৰ অধিকাংশই নিৰ্দিষ্ট নিয়ম অনুসৰি প্ৰস্তুত কৰা নহয় বুলি প্ৰায়ে অভিযোগ উত্থাপিত হোৱা দেখা যায়।



গুৱাহাটীৰ কাষেৰেই বৈ গৈছে মহাবাহু ব্ৰহ্মপুত্ৰ। চৰকাৰৰ সদিচ্ছা থাকিলে অতি সহজতে গুৱাহাটী বাসীক পানী যোগান ধৰিব পাৰে। আজিৰ পৰা প্ৰায় এযুগ আগতে 'গেমন ইণ্ডিয়া' কোম্পানীক গুৱাহাটী পানী যোগান প্ৰকল্প নিৰ্মাণৰ ঠিকা দিয়া হৈছিল যদিও এটা যুগ উকলি যোৱাৰ পাছতো এই প্ৰকল্পৰ কাম সম্পূৰ্ণ নহ'ল। আজিৰ এই উন্নত প্ৰযুক্তিৰ দিনত এটা যুগ অতিক্ৰম কৰাৰ পাছতো এই প্ৰকল্পৰ কাম সম্পূৰ্ণ কৰিব নোৱাৰাটো অসম চৰকাৰৰ চূড়ান্ত ব্যৰ্থতা। বিভিন্ন ৰাজনৈতিক নেতা, আমোলাৰ দুৰ্নীতিৰ বাবেই এই প্ৰকল্পৰ কাম অসম্পূৰ্ণ হৈ থকা বুলি ইতিমধ্যে সংবাদ মাধ্যমত প্ৰকাশ পোৱাটো সৰ্বজনবিদিত।

গুৱাহাটীৰ বাট-পথ, উৰণীয়া সেঁতু আদি নিৰ্মাণ কৰাত বৰ্তমানৰ চৰকাৰে যিদৰে গুৰুত্ব দিছে, পানী যোগান আঁচনিৰ ক্ষেত্ৰত সেইদৰে গুৰুত্ব দিয়া পৰিলক্ষিত হোৱা নাই। মানুহৰ মৌলিক প্ৰয়োজনীয় বস্তু হ'ল পানী। পানী অবিহনে কোনো জীৱই জীয়াই থাকিব নোৱাৰে। জনসাধাৰণৰ এই মৌলিক অভাৱ দূৰ কৰাটো কল্যাণকামী চৰকাৰ এখনৰ প্ৰধান দায়িত্ব।


গুৱাহাটীৰ চাৰিওটা বিধানসভা সমষ্টিৰ বিধায়কসকল শাসকীয় দলৰ। ৰাইজে বহু আশাৰে তেওঁলোকক নিৰ্বাচিত কৰিছিল; কিন্তু জনসাধাৰণৰ মৌলিক প্ৰয়োজন পূৰণত তেওঁলোক চূড়ান্তভাৱে ব্যৰ্থ হৈছে। তথাপি গুৱাহাটীবাসী ৰাইজে আন্দোলনৰ পথ ন'লৈ অসীম ধৈৰ্যৰে অপেক্ষা কৰি আছে; কিন্তু ধৈৰ্যৰো এটা সীমা আছে। গুৱাহাটী পৌৰ নিগমৰ নিৰ্বাচন সমাগত। এতিয়া জনপ্ৰতিনিধিসকল নিজ দলৰ প্ৰাৰ্থীৰ বাবে ভোট বিচাৰি পুনৰ ৰাইজৰ ওচৰলৈ আহিব। পানী যোগানৰ বিষয়টোকে এই নিৰ্বাচনৰ মুখ্য বিষয় হিচাপে দাঙি ধৰি ভোটাৰ ৰাইজে অতি সোনকালে এই সমস্যা সমাধানৰ প্ৰতিশ্ৰুতি তেওঁলোকৰ পৰা আদায় কৰি লোৱাৰ এটা সুযোগ পাইছে। সমগ্ৰ গুৱাহাটীবাসীকে একত্ৰিতভাৱে এই দাবী উত্থাপন কৰিবলৈ এই পত্ৰেৰে আহ্বান জনালো।

**কমলেশ্বৰ ডেকা,** মালিগাঁও

*ফোন ঃ ৯৪৩৫৪০০৮৬২*



# মানৱ সেৱাত অবিৰত যাত্ৰা তোলাৰাম বাফ্‌না কেন্দ্ৰৰ



### অৱলোকন
**গোপাল জালান**

**মানৱ** সেৱা কৰাটো সকলোৰে কৰ্তব্য। কেৱল ধৰ্মীয় দৃষ্টিকোণৰ পৰাই নহয়, মানৱীয় দিশৰ বাবেও এনে সেৱাত ব্ৰতী হোৱা উচিত। সকলোৱে কৰিব লাগে যদি বাস্তৱ জীৱনত কমসংখ্যকেহে এনে সেৱা আগবঢ়োৱা দেখা যায়। অৱশ্যে সেৱা যে কেৱল মানুহক দেখুৱাবলৈকে কৰিব লাগিব তেনে নহয়। বহুতো লোকে নীৰৱেই মানৱ সেৱাত ব্ৰতী হৈ থাকে। তেওঁলোকে অন্তৰৰ পৰাই মানৱ সেৱা আগবঢ়াবলৈ বিচাৰে। কাৰণ প্ৰকৃত মানৱ সেৱাৰ বিষয়টো সদায় অন্তৰাত্মাৰ স'তেহে জড়িত। এনে সেৱাৰেহে মানৱ জাতি উপকৃত হ'ব পাৰে। বিগত তিনি দশক ধৰি এনে সেৱাৰ স'তে জড়িত হৈ থকা আমিনগাঁওস্থিত তোলাৰাম বাফ্‌না কৃত্ৰিম ভৰি আৰু কেলিপাৰ কেন্দ্ৰৰ জৰিয়তে সমাজকৰ্মী শুভকৰণ বাফ্‌নাই সেৱা আগবঢ়াই আহিছে। সমাজকৰ্মীজনৰ প্ৰয়াত পিতৃ তোলাৰাম বাফ্‌নাৰ স্মৃতিত প্ৰতিবছৰে দিব্যাংগক কৃত্ৰিম ভৰি প্ৰদান কৰি আহিছে। ১৯৯১ৰ ২৮ মাৰ্চত প্ৰতিষ্ঠিত এই কেন্দ্ৰটোৱে ইতিমধ্যে ৮৯১৫ গৰাকী লোকক কৃত্ৰিম ভৰি সংযোজন কৰিছে। এজন ব্যক্তিৰ এনেধৰণৰ প্ৰচেষ্টাত ইমানকেইজনে সহায় লাভ কৰাটো কম কথা নহয়। বহুতো লোকে বিভিন্ন কাৰণত ভৰি হেৰুৱাবলগীয়া হয়। কিছুমানৰ যদি দুৰ্ঘটনাত, আন কিছুমানে আকৌ ৰোগৰ বাবেও হেৰুৱায়। কাৰণ যিয়েই নহওক কিয়, ভৰি দুখন নাথাকিলে সকলো মিছা। কিয়নো, শৰীৰটোৰ সকলো ওজনৰ ভাৰসাম্য ৰক্ষা হয় ভৰি দুখনত। সেইবাবে যিসকল লোকে কৃত্ৰিম ভৰিৰ সহায়ত খোজ কাঢ়িবলৈ সক্ষম হৈছে তেওঁলোকে সহায় কৰোতাজনৰ ওচৰত চিৰঋণী।

১৯৯১ৰ ২৮ মাৰ্চত পিতৃৰ পুণ্য স্মৃতিত আমিনগাঁৱত আৰম্ভ কৰিছিল তোলাৰাম বাফ্‌নাৰ কৃত্ৰিম ভৰি আৰু কেলিপাৰ কেন্দ্ৰ। বিগত ৩০ বছৰে এই সেৱা আগবঢ়াই নিঃস্বজনৰ মুখত হাঁহি বিৰিঙাবলৈ সক্ষম হৈছে। শুভকৰণ বাফ্‌নাৰ পিতৃ তোলাৰাম বাফ্‌নাৰ ১৯৮৯ৰ ২২ ছেপ্টেম্বৰত মৃত্যু হৈছিল। মৃত্যুৰ পূৰ্বে তেওঁ পৰিয়ালবৰ্গক এনেদৰে কৈছিল— 'তুমি যদি আনৰ উপকাৰ কৰা, তোমাৰো উপকাৰ হ'ব।' পিতৃৰ কথা মতেই পৰিয়ালটোৰ সদস্যসকল সমাজ সেৱাত ব্ৰতী হয়। পিতৃৰ মৃত্যুৰ সময়ত শুভকৰণ বাফ্‌নাৰ বয়স ৩৯ বছৰ হৈছিল। পিতৃৰ কথাষাৰ শুনাৰ পাছত মানৱ সেৱাৰ বাবে তেওঁ সংকল্প গ্ৰহণ কৰে। তেওঁ কেনেদৰে মানৱ সেৱা কৰিব, সেই বিষয়ে চিন্তা-চৰ্চা কৰোতে মাৰোৱাৰী যুৱ মঞ্চ নামৰ সমাজসেৱী সংগঠন এটাই গুৱাহাটীত দিব্যাংগসকলৰ বাবে বিনামূলীয়াকৈ অত্যাধুনিক কৃত্ৰিম জয়পুৰী ভৰি সংযোজন কৰাই খোজকাঢ়ি আনন্দ লাভ কৰা দেখি বাফ্‌নায়ো এনে কাৰ্য সম্পাদন কৰিবলৈ মন মেলে। অসমীয়াত এষাৰ বাক্য আছে— মন কৰিলেই ছন। বাফ্‌নাৰ ক্ষেত্ৰতো একেই হ'ল। ২০১৫ত কেন্দ্ৰটোৰ ৰূপালী জয়ন্তী বৰ্ষ পালন কৰা অনুষ্ঠানত উপস্থিত থাকি ৰাজ্যপাল জানকী বল্লভ পাটনায়কে কৈছিল— এই কেন্দ্ৰটো হ'ল মানৱ সেৱাৰ প্ৰকৃত স্থান। উক্ত কেন্দ্ৰই ইতিমধ্যে নগালেণ্ড, মণিপুৰ, মেঘালয়, ত্ৰিপুৰা, অৰুণাচল আদিৰ উপৰি চুবুৰীয়া দেশ নেপাল, ভূটান, ম্যানমাৰৰ পৰাও দিব্যাংগ আহি ইয়াত কৃত্ৰিম ভৰি সংযোজন কৰে। ইমান মহৎ কাম এটা কৰি থকাৰ পাছতো তেওঁ প্ৰচাৰ মাধ্যমৰ পৰা সদায় আঁতৰি থাকে।

মানুহক বিপদৰ সময়ত সহায়ৰ হাত আগবঢ়োৱাটো মানৱ সেৱা। এই সেৱাৰ মনোভাৱ সকলোৰে নাথাকে। যিসকলৰ অন্তৰত প্ৰকৃত মানৱ সেৱা কৰাৰ ইচ্ছা থাকে তেওঁলোকে যিকোনো কামেই কৰিব পাৰে। বাফ্‌নায়ো সমাজৰ দিব্যাংগসকলক সহায় কৰিবলৈ পদক্ষেপ গ্ৰহণ কৰিছে, সেয়া সঁচাকৈয়ে প্ৰশংসাৰ যোগ্য। বাফ্‌নাৰ বাবে উপদেশতকৈ আৰ্হিহে ভাল। এনে ব্যক্তিয়ে যেতিয়া কামৰ বাবে আগবাঢ়ে তেতিয়া সকলোৱে সহায়ৰ হাত আগবঢ়োৱা উচিত।

অসমৰ লগতে উত্তৰ-পূৰ্বাঞ্চলৰ অতি কমসংখ্যক ব্যক্তি অথবা সংগঠন এনে কৃত্ৰিম ভৰি বিনামূলীয়াকৈ সংযোগ কৰা কাৰ্যত জড়িত হৈ আছে। এই সংখ্যা আঙুলিৰ মূৰত লেখিব পৰা বিধৰ। অহা ২৮ মাৰ্চত এই অনুষ্ঠানটোৱে ৩১ বছৰত ভৰি দিব। ৰূপালী জয়ন্তী গৰকা এই অনুষ্ঠানটোৱে অনাগত দিনত আৰু অধিক আগবাঢ়ি যাওক। চৌদিশে পৰিসৰ বৃদ্ধিৰ লগতে স্বীকৃতিও লাভ কৰক। কাৰণ এনে অনুষ্ঠানৰ পৰিসৰ বৃদ্ধি হ'লেহে দিব্যাংগৰ ওঁঠত হাঁহি বিৰিঙি উঠিব। সেয়েহে হেলেন কেলাৰৰ কথাৰে ক'ব পাৰো— আমি সঁচা সুখ তেতিয়ালৈ লাভ কৰিব নোৱাৰো, যেতিয়ালৈ আমি অইন লোকৰ জীৱন সুখময় কৰাৰ যত্ন নকৰো।

*ফোন ঃ ৯৪৩৫১-০৩৯৭৭*

## এম আৰ এছ এ এম ক্ষেপণাস্ত্ৰৰ সফল পৰীক্ষণ ভাৰতৰ



**নিউজ ব্যুৰ', বালাচ'ৰ, ২৭ মাৰ্চ ঃ** ভাৰতে আজি আকাশত শত্ৰুৰ ক্ষেপণাস্ত্ৰ ধ্বংস কৰিব পৰা মধ্যম দূৰত্বভেদি ক্ষমতাসম্পন্ন ভূমিৰ পৰা আকাশলৈ নিক্ষেপ কৰিব পৰা ক্ষেপণাস্ত্ৰ (এম আৰ এছ এ এম)ৰ সফলতাৰে পৰীক্ষণ সম্পন্ন কৰিলে। এই ক্ষেপণাস্ত্ৰৰ পৰীক্ষা আই টি আৰৰ বালাচ'ৰত সম্পন্ন কৰা হয়। ডি আৰ ডি অ'ৰ বিষয়াই আজি এই কথা প্ৰকাশ কৰি জনোৱা অনুসৰি এম আৰ এছ এ এমৰ ব্যৱস্থাৰ জৰিয়তে মধ্যম দূৰত্বভেদি ক্ষেপণাস্ত্ৰৰে শত্ৰু পক্ষৰ ক্ষেপণাস্ত্ৰক আকাশতে ধ্বংস কৰিব পৰা যাব। এই ক্ষেপণাস্ত্ৰই ৭০ কিলোমিটাৰ পৰিসীমাৰ ভিতৰত শত্ৰু পক্ষৰ ক্ষেপণাস্ত্ৰ অথবা যুঁজাৰু বিমান আদিক ভূপতিত কৰিবলৈ সক্ষম।

## ভাৰতত এয়ে প্ৰথম, গুজৰাটত তীখাৰে নিৰ্মাণ কৰা হ'ল পথ



নিউজ ব্যুৰ', আহমেদাবাদ, ২৭ মাৰ্চ ঃ দেশৰ ইতিহাসত এয়ে প্ৰথম। দীৰ্ঘ গৱেষণাৰ পাছত গুজৰাটত নিৰ্মাণ কৰা হ'ল তীখাৰে তৈয়াৰী পথ। এই পথৰ নাম ৰখা হৈছে গুজৰাট ষ্টীল ৰোড। ছুৰাটৰ হাজিৰা ঔদ্যোগিক অঞ্চলত নিৰ্মাণ কৰা হ'ল এই ব্যতিক্ৰমী পথ। প্ৰসংগত উল্লেখ্য যে দেশত প্ৰতি বছৰে বিভিন্ন তীখা কাৰখানাৰ পৰা ১৯ নিযুত টন বৰ্জ্য নিৰ্গত হয়। এই বৰ্জ্যসমূহত এইবাৰ পুনৰ্ব্যৱহাৰ কৰি কেন্দ্ৰীয় চৰকাৰে ছুৰাটত নিৰ্মাণ কৰিলে তীখাৰ পথ। তীখা আৰু নীতি আয়োগৰ সহায়ত কেন্দ্ৰীয় পথ গৱেষণা প্ৰতিষ্ঠানে তীখাৰে এই পথ নিৰ্মাণ কৰিলে। প্ৰায় এক কিলোমিটাৰ দৈৰ্ঘৰ এই পথত আছে মুঠ ছটা পথ। ছুৰাটত পৰীক্ষামূলকভাৱে পথ নিৰ্মাণৰ পাছত এতিয়াৰে পৰা দেশৰ বিভিন্ন ৰাজ্যত এইধৰণৰ তীখাৰ পথ নিৰ্মাণ কৰা হ'ব। বিশেষকৈ ঘাইপথসমূহ তীখাৰে নিৰ্মাণৰ পৰিকল্পনা গ্ৰহণ কৰা হৈছে। প্ৰকাশিত বাতৰি অনুসৰি তীখাৰে তৈয়াৰ কৰা পথৰ ভাৰ বহনৰ ক্ষমতা অধিক হয় আৰু আন পথৰ তুলনাত তীখাৰ পথৰ ঘনত্ব ৩০ শতাংশ কম হয়। বাৰিষাৰ সময়তো তীখাৰ পথৰ ক্ষতিসাধন তুলনামূলকভাৱে কম হ'ব। ভৱিষ্যতে আন অঞ্চলত তীখাৰ বৰ্জ্যৰে পথ নিৰ্মাণ কৰিলে নিৰ্মাণ ব্যয় ৩০ শতাংশ পৰ্যন্ত হ্ৰাস পাব বুলিও কেন্দ্ৰীয় পথ গৱেষণা প্ৰতিষ্ঠানে জানিবলৈ দিয়ে।

## ইউক্ৰেইনত অবাধ লুণ্ঠন ৰুছ সেনাৰ, খাদ্য-দৰৱৰ ভয়াৱহ সংকট

**নিউজ ব্যুৰ', কীভ, ২৭ মাৰ্চ ঃ** ৰাছিয়া আৰু ইউক্ৰেইনৰ মাজত বিগত এমাহ ধৰি অব্যাহত আছে ভয়াৱহ যুদ্ধ। ইতিমধ্যে ৰাষ্ট্ৰসংঘৰ আন্তৰ্জাতিক আদালতে যুদ্ধ বন্ধ কৰিবলৈ ৰুছ ৰাষ্ট্ৰপতি ভ্লাডিমীৰ পুটিনক নিৰ্দেশ দিছে। কিন্তু ইয়াৰ পাছতে ৰাছিয়াই আক্ৰমণ অব্যাহত ৰাখিছে। ৰুছ সেনাৰ বিৰুদ্ধে লুটপাত চলোৱাৰ গুৰুতৰ অভিযোগ উত্থাপন কৰিলে খেৰচানৰ বাসিন্দাই। চহৰখনৰ বহু বাসিন্দাই আন্তঃৰাষ্ট্ৰীয় সংবাদ মাধ্যমৰ আগত অভিযোগ কৰা অনুসৰি, পুটিনৰ সেনা বাহিনীয়ে অবাধে লুণ্ঠন চলাইছে। ৰাছিয়াই যুদ্ধ ঘোষণা কৰাৰ ৩২ দিন অতিবাহিত হ'ল যদিও এতিয়ালৈকে কীভ দখল কৰিবলৈ ৰুছ সেনা সফল হোৱা নাই। অৱশ্যে আজি ৰুছ বাহিনী শ্লাভুতিছ চহৰখন নিজৰ দখলত লয়। চহৰ দখলৰ লগতে শ্লাভুতিছৰ মেয়ৰকো ৰুছ সেনাই অপহৰণ কৰাৰ অভিযোগ উত্থাপিত হৈছে। আন্তঃৰ্জাতিক সংবাদ মাধ্যমৰ বাতৰিত প্ৰকাশ পোৱা অনুসৰি যোৱা ২১ মাৰ্চৰ পৰা খেৰচানত ৰুছ সেনাই লুটপাত চলাই আহিছে। ইফালে, খাদ্য আৰু দৰৱৰ প্ৰচুৰ অভাৱৰ ফলত সাধাৰণ নাগৰিকৰ বাবে জীৱন দুৰ্বিষহ হৈছে। একাংশ নাগৰিকে অভিযোগ কৰা অনুসৰি ৰুছ সেনাই তেওঁলোকক মাৰপিট কৰিছে।



## দেশৰ দৈনিক ক'ভিড আক্ৰান্তৰ সংখ্যা ডেৰ হেজাৰৰ তললৈ, মৃত্যু ১৪৯ জনৰ



**নিউজ ব্যুৰ' নতুন দিল্লী, ২৭ মাৰ্চ ঃ** যোৱা ২৪ ঘণ্টাত ভাৰতত ক'ভিডৰ সংক্ৰমণ ডেৰ হেজাৰৰ তললৈ নামিল। বিগত এদিনত দেশৰ বিভিন্ন ৰাজ্যত নতুনকৈ ১,৪২১ জন লোক কৰ'নাত সংক্ৰমিত হ'ল। ক'ভিডত দেশত যোৱা ২৪ ঘণ্টাত মৃত্যু হ'ল ১৪৯ জন লোকৰ। সম্প্ৰতি ভাৰতত ১৬,১৮৭ জন সক্ৰিয় ক'ভিড ৰোগী আছে। বৰ্তমানলৈকে এই মাৰাত্মক ভাইৰাছৰ সংক্ৰমণত মুঠ পাঁচ লাখ ২১ হেজাৰ চাৰিজন লোকৰ মৃত্যু হ'ল। উল্লেখ্য যে এদিন পূৰ্বে দেশত ৪,১০০ জন ক'ভিড ৰোগীৰ মৃত্যু হৈছিল। কে'বাখনো ৰাজ্যত ক'ভিডত পূৰ্বতে মৃত্যু হোৱা ৰোগীৰ মৃত্যুৰ তথ্য নতুনকৈ অন্তৰ্ভুক্ত কৰাৰ ফলত মৃতকৰ সংখ্যা বৃদ্ধি পাইছিল।

### এমাহত ইউক্ৰেইন ত্যাগ কৰিলে অৰ্ধেকাংশৰ অধিক শিশুৱে ঃ সতৰ্ক কৰিলে বিশ্ব স্বাস্থ্য সংস্থাই

# যুদ্ধ বিধ্বস্ত ইউক্ৰেইনত প্ৰকট হৈছে ভয়াবহ স্বাস্থ্য সংকট

**নিউজ ব্যুৰ' কীভ, ২৭ মাৰ্চ ঃ** বিগত ৩২ দিন ধৰি অব্যাহত থকা ৰাছিয়া-ইউক্ৰেইনৰ যুদ্ধত কমেও ৭০ লাখ ইউক্ৰেইনৰ নাগৰিক গৃহহীন হ'ল। একেদৰে এই সময়ছোৱাত ইউক্ৰেইন ত্যাগ কৰিবলৈ বাধ্য হ'ল ৩৫ লাখৰো অধিক নাগৰিক। আনহাতে, ইউক্ৰেইনে প্ৰকাশ কৰা অনুসৰি যুদ্ধৰ কাৰণত বৰ্তমান পৰ্যন্ত ১৩৬ টা শিশুৰ মৃত্যু হৈছে। ৰাষ্ট্ৰসংঘৰ ফালৰ পৰা প্ৰকাশ কৰা এক বিবৃতিত উল্লেখ কৰা অনুসৰি বিগত এমাহত ইউক্ৰেইন ত্যাগ কৰিলে অৰ্ধেকাংশৰ অধিক শিশুৱে একে সময়তে বিপন্ন হৈছে দেশখনৰ স্বাস্থ্যসেৱা। সম্প্ৰতি ইউক্ৰেইনৰ প্ৰায়বোৰ চিকিৎসালয়ত অক্সিজেনৰ যথেষ্ট অভাৱ ঘটিছে। দেশখনৰ অৰ্ধেকৰ অধিক দৰৱৰ দোকান সম্প্ৰতি বন্ধ হৈ আছে। একেদৰে পানী যোগান, বিজুলী যোগানো ব্যাহত থকাৰ ফলত ইউক্ৰেইনৰ প্ৰায়বোৰ





অঞ্চলত জনসাধাৰণে হাহাকাৰ কৰিবলগীয়া হৈছে। এনে পৰিস্থিতিতে বিশ্ব স্বাস্থ্য সংস্থা (হু)ই সতৰ্ক কৰি ক'লে যে যুদ্ধৰ কাৰণত ইউক্ৰেইনত বৃদ্ধি পাব পাৰে ক'ভিডৰ সংক্ৰমণ। তদুপৰি একে সময়তে দেশখনত কলেৰা, ডায়েৰিয়া, যক্ষ্মাৰ দৰে ৰোগৰ প্ৰকোপো বৃদ্ধি পোৱাৰ শংকা আছে বুলি হুৱে সকীয়াই দিলে।

তথ্য অনুসৰি যোৱা ১৭ৰ পৰা ২৩ মাৰ্চৰ সময়ছোৱাত ইউক্ৰেইনত ২৭,৬৭১ জন লোক কৰ'নাত আক্ৰান্ত হৈছিল। আনহাতে, একে সময়ছোৱাত দেশখনত ৩৮৪ জন ক'ভিড ৰোগীৰ মৃত্যু হৈছিল। যুদ্ধৰ ফলত দেশখনত টিকাকৰণ প্ৰক্ৰিয়াও বাধাগ্ৰস্ত হৈছে। বিশ্ব স্বাস্থ্য সংস্থাৰ সূত্ৰৰ খবৰ অনুসৰি যোৱা ২৪ ফেব্ৰুৱাৰীৰ পৰা ২১ মাৰ্চলৈকে ইউক্ৰেইনত ৰুছ বাহিনীয়ে স্বাস্থ্য সেৱা খণ্ডক লক্ষ্য হিচাপে লৈ ৬৪ টা আক্ৰমণৰ ঘটনা সংঘটিত কৰিছিল। ইয়াৰ ফলত ১৫ জন লোক নিহত হোৱাৰ লগতে ৩৭ জন লোক গুৰুতৰভাৱে আহত হৈছিল।

## ভতিজা আকাশক বিএছপিৰ ৰাষ্ট্ৰীয় সমন্বয়ৰক্ষক পাতিলে মায়াবতীয়ে



**নিউজ ব্যুৰ' লক্ষ্ণৌ, ২৭ মাৰ্চ ঃ উত্তৰ প্ৰদেশৰ সদ্যসমাপ্ত বিধানসভাৰ নিৰ্বাচনত বহুজন সমাজ পাৰ্টি (বি এছ পি)ৰ শোচনীয় পৰাজয়ৰ পাছত দলটোৰ মুৰব্বী মায়াৱতীয়ে আজি এক সমীক্ষণ বৈঠকত অংশ লৈছিল। এই বৈঠকতে মায়াৱতীয়ে উত্তৰ প্ৰদেশৰ বি এছ পিৰ কাৰ্যবাহী সমিতি ভংগ কৰাৰ লগতে তিনিজন মুখ্য সমন্বয়ৰক্ষকক নিযুক্তি প্ৰদান কৰিলে। মায়াৱতীয়ে তেওঁৰ ভতিজা আকাশ আনন্দক বি এছ পিৰ ৰাষ্ট্ৰীয় সমন্বয়ৰক্ষকৰ দায়িত্ব অৰ্পণ কৰিছে।**

## যোগী চৰকাৰৰ ৩৯ মন্ত্ৰী কোটিপতি, ২০ জনৰ বিৰুদ্ধে গুৰুতৰ অপৰাধৰ গোচৰ



**নিউজ ব্যুৰ', লক্ষ্ণৌ, ২৭ মাৰ্চ ঃ** উত্তৰ প্ৰদেশত দ্বিতীয়বাৰৰ বাবে বিজেপিয়ে ক্ষমতা দখল কৰি যোগী আদিত্যনাথৰ নেতৃত্বত পুনৰ চৰকাৰ গঠন কৰিলে। এইবাৰ যোগীৰ চৰকাৰত মন্ত্ৰী হিচাপে স্থান লাভ কৰা ২০ জন মন্ত্ৰীৰ বিৰুদ্ধে আছে গুৰুতৰ অপৰাধৰ গোচৰ। মন্ত্ৰীসভাৰ ৪৫ সদস্যৰ শপতনামাৰ তথ্য অনুসৰি ৩৯ জন অৰ্থাৎ ৮৭ শতাংশ মন্ত্ৰী হৈছে কোটিপতি। এইবাৰৰ যোগী মন্ত্ৰীসভাৰ মন্ত্ৰীৰ গড় সম্পত্তিৰ পৰিমাণ হৈছে ন কোটি টকা। এছ'চিয়েচন ফ'ৰ ডেমক্ৰেটিক ৰিফৰ্মছ (এ ডি আৰ)ৰ তথ্য অনুসৰি মুঠ ২২ জন অৰ্থাৎ ৪৯ শতাংশ মন্ত্ৰীৰ বিৰুদ্ধে অপৰাধৰ গোচৰ আছে। যোগী মন্ত্ৰীসভাৰ এইসকল মন্ত্ৰীৰ ২০ জন অৰ্থাৎ ৪৪ শতাংশৰ বিৰুদ্ধে আছে গুৰুতৰ অপৰাধৰ গোচৰ। নজন মন্ত্ৰী অষ্টমৰ পৰা দ্বাদশ শ্ৰেণীলৈ অধ্যয়ন কৰা, ৩৬ জন মন্ত্ৰী স্নাতক বা ততোধিক শিক্ষাগত অৰ্হতাৰ অধিকাৰী বুলি শপতনামাত উল্লেখ কৰিছে।


## যুদ্ধৰ বাতৰি সংগ্ৰহ কৰিবলৈ গৈ ইউক্ৰেইনত মুঠ ১২ সাংবাদিকৰ মৃত্যু

**নিউজ ব্যুৰ', কীভ, ২৭ মাৰ্চ ঃ ইউক্ৰেইনত ৰাছিয়াই আক্ৰমণ চলোৱাৰ পাছৰে পৰা বৰ্তমানলৈকে মুঠ ১২ জন সাংবাদিকৰ এই যুঁজত মৃত্যু হ'ল। তদুপৰি ৰুছ আক্ৰমণৰ ফলত আন ১০ জন সাংবাদিক গুৰুতৰভাৱে আহত হৈছে। ইউক্ৰেইনৰ চীফ প্ৰছিকিউটৰ ইৰিনা ভেনেডিকত'ভাই আজি এই কথা প্ৰকাশ কৰি জনোৱা অনুসৰি নিহত বিদেশী সাংবাদিকৰ মাজত আমেৰিকা, আয়াৰলেণ্ড আৰু ৰাছিয়াৰ নাগৰিক আছে। একেদৰে আহত সাংবাদিকৰ মাজত আমেৰিকা, ব্ৰিটেইন, চেক গণৰাজ্য, ডেনমাৰ্ক, ছুইজাৰলেণ্ড আৰু সংযুক্ত আৰব আমিৰাতৰ সাংবাদিক আছে। যুদ্ধৰ বাতৰি সংগ্ৰহ কৰিবলৈ গৈ এইদৰে ১২ জন সাংবাদিকে বৰ্তমানলৈকে ইউক্ৰেইনত প্ৰাণ হেৰুৱাব লগা হ'ল।**




## পুটিন এজন কচাই ঃ ৰুছ ৰাষ্ট্ৰপতিক পুনৰ হুংকাৰ বাইডেনৰ

**নিউজ ব্যুৰ', ৱাশ্বিংটন, ২৭ মাৰ্চ ঃ** বিগত এমাহৰো অধিক দিন ধৰি ৰাছিয়াই ইউক্ৰেইনত আক্ৰমণ অব্যাহত ৰাখিছে। ৰাছিয়াৰ ধাৰাবাহিক বোমা আক্ৰমণৰ ফলত কে'বালক্ষ ইউক্ৰেইনবাসীয়ে দেশত্যাগ কৰি চুবুৰীয়া ৰাষ্ট্ৰত আশ্ৰয় ল'বলৈ বাধ্য হৈছে। এই মুহূৰ্তত ইউক্ৰেইনৰ প্ৰতিবেশী ৰাষ্ট্ৰ পোলেণ্ডত থকা আমেৰিকাৰ ৰাষ্ট্ৰপতি জ' বাইডেনে ইউক্ৰেইনৰ শৰণাৰ্থীসকলক আজি সাক্ষাৎ কৰাৰ পাছত তেওঁলোকৰ দুৰ্দশাৰ



কথা অৱগত হৈ ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাডিমীৰ পুটিনক কঠোৰভাৱে সমালোচনা কৰিলে। মাৰ্কিন ৰাষ্ট্ৰপতিয়ে ৰুছ ৰাষ্ট্ৰপতিক 'কচাই' বুলি কটাক্ষ কৰিলে। দুদিনীয়া ভ্ৰমণসূচীৰে পোলেণ্ডত উপস্থিত হোৱা বাইডেনে ৰাছিয়াক পুনৰ হুংকাৰ দি কয় যে ইউক্ৰেইনত আক্ৰমণ চলোৱা 'কচাই পুটিন'-এ ইয়াৰ বিষম পৰিণতি ভুগিব লাগিব। উল্লেখ্য যে সম্প্ৰতি পোলেণ্ডত যথেষ্টসংখ্যক ইউক্ৰেইনৰ শৰণাৰ্থীয়ে আশ্ৰয় লৈছে। এইসকল শৰণাৰ্থীক সাক্ষাৎ কৰি মাৰ্কিন ৰাষ্ট্ৰপতিয়ে পুটিনক 'কচাই' বুলি অভিহিত কৰিলে। বাইডেনৰ পোলেণ্ড ভ্ৰমণৰ পূৰ্বে হোৱাইট হাউছে জাৰি কৰা এক প্ৰেছ বিজ্ঞপ্তিত কয় যে ৰাছিয়াই সম্পূৰ্ণ অনৈতিকভাৱে আৰু বিনা প্ৰৰোচনাৰে ইউক্ৰেইনত যুদ্ধৰ পৰিস্থিতি সৃষ্টি কৰিলে। ইয়াৰ ফলত মানৱাধিকাৰ লংঘন আৰু মানৱিক সংকটে দেখা দিয়া বুলি হোৱাইট হাউছে অভিযোগ কৰিছিল।



## হিজাব বিতৰ্কৰ মাজতে মাদ্ৰাছা বন্ধ কৰাৰ দাবী কৰ্ণাটকৰ বিধায়কৰ

**নিউজ ব্যুৰ', বাংগালুৰু, ২৭ মাৰ্চ ঃ** বিগত কে'বামাহ ধৰি কৰ্ণাটকত হিজাব বিতৰ্ক অব্যাহত আছে। এই বিতৰ্কৰ মাজতে এইবাৰ দক্ষিণ ভাৰতত এইখন বিজেপি শাসিত ৰাজ্যত বিধায়ক ৰেণুকাচাৰ্যই ৰাজ্যৰ সকলো মাদ্ৰাছা বন্ধ কৰাৰ দাবী জনালে। বিধায়কগৰাকীয়ে কৰ্ণাটকৰ মুখ্যমন্ত্ৰী আৰু শিক্ষামন্ত্ৰীক সকলো মাদ্ৰাছা অচিৰে বন্ধ কৰিবলৈ আহ্বান জনালে। ৰেণুকাচাৰ্যই কয়, 'মই কংগ্ৰেছ নেতাসকলক প্ৰশ্ন কৰিব বিচাৰো যে কিয় আমাক বিদ্যালয়ৰ স্থানত মাদ্ৰাছাৰ প্ৰয়োজন? মাদ্ৰাছাত কি প্ৰচাৰ কৰা হয়? তেওঁলোকে নিষ্পাপ শিশুক প্ৰৰোচিত কৰে। আগন্তুক দিনত তেওঁলোকে আমাৰ দেশৰ বিৰুদ্ধে কাম কৰিব আৰু তেওঁলোকে কেতিয়াও 'ভাৰত মাতা কি জয়' বুলি নক'ব।'

## আস্থা ভোটৰ পূৰ্বে সন্ধানহীন ৫০ পাকিস্তানী মন্ত্ৰী, আসন ৰক্ষা কৰিবলৈ চেষ্টা ইমৰানৰ

**নিউজ ব্যুৰ', ইছলামাবাদ, ২৭ মাৰ্চ ঃ** পাকিস্তানৰ প্ৰধানমন্ত্ৰীৰ আসনখন ৰক্ষা কৰিব পাৰিবনে ইমৰান খানে? পাকিস্তানৰ ৰাজনীতিত সম্প্ৰতি এইটো হৈছে সবাতোকৈ ডাঙৰ প্ৰশ্ন। সেনাৰ সমৰ্থন হেৰুওৱাৰ পাছত সম্প্ৰতি প্ৰবল হেঁচাৰ সন্মুখীন হৈছে ইমৰান। বিৰোধীয়ে অনাস্থা প্ৰস্তাৱ দাখিল কৰাৰ পাছৰে পৰা যিকোনো মুহূৰ্তত ইমৰান ক্ষমতাচ্যুত হোৱাৰ শংকা প্ৰকট হৈছে। এনে পৰিস্থিতিতে পাকিস্তানৰ একাংশ সংবাদ মাধ্যমে দাবী কৰা অনুসৰি সম্প্ৰতি পাকিস্তানৰ শাসকীয় দল তেহৰিক-ই-ইনছাফৰ কে'বাজনো নেতা আৰু মন্ত্ৰী সন্ধানহীন হৈ আছে। কমেও ৫০ জন পাকিস্তানী মন্ত্ৰী-নেতা সন্ধানহীন



হোৱাৰ বাতৰি প্ৰচাৰ কৰি পাক সংবাদ মাধ্যমে দাবী কৰা অনুসৰি এই বিষয়টো ইমৰানৰ বিৰুদ্ধে উত্থাপিত অনাস্থাৰ স'তে জড়িত। এই মন্ত্ৰীকেইজনে ইমৰানৰ বিৰুদ্ধে অনাস্থাত ভোটদান কৰিব বুলি ব্যাপক চৰ্চা চলিছিল। মন্ত্ৰীকেইজন হঠাতে অনাস্থা ভোটৰ পূৰ্বে এইদৰে সন্ধানহীন হোৱাত ইয়াৰ স'তে ইমৰান জড়িত থকা বুলিও অভিযোগ উত্থাপিত হৈছে। পাকিস্তানৰ একাংশ সংবাদ মাধ্যমে দাবী কৰা অনুসৰি, অনাস্থা ভোটৰ পূৰ্বেই ইমৰানে পদত্যাগ কৰাৰ সম্ভাৱনা আছে। কাইলৈ পাকিস্তানৰ নেচনেল এছেম্বলিত ইমৰানৰ বিৰুদ্ধে অনাস্থা ভোট অনুষ্ঠিত হ'ব পাৰে। অনাস্থা ভোটৰ পূৰ্বে ৫০ জনকৈ শাসকীয় দলৰ মন্ত্ৰী-নেতা সন্ধানহীন হোৱাক লৈ পাকিস্তানৰ ৰাজনৈতিক চাঞ্চল্য অব্যাহত আছে।

## সাত-আঠ বছৰত দুগুণ হ'ব পাৰে ভাৰতীয় অৰ্থনীতি ঃ দাবী নিটি আয়োগৰ

**নিউজ ব্যুৰ', মুম্বাই, ২৭ মাৰ্চ ঃ** ভাৰতে দীৰ্ঘদিন ধৰি ৮.৫ শতাংশ আৰ্থিক বৃদ্ধিৰ হাৰ অব্যাহত ৰাখিছে আৰু ভৱিষ্যতে আঠ শতাংশৰ বৃদ্ধিৰ হাৰ অব্যাহত থাকিলে ভাৰতীয় অৰ্থনীতি আগন্তুক সাত-আঠ বছৰত দুগুণ হ'ব পাৰে। নিটি আয়োগৰ উপাধ্যক্ষ ৰাজীৱ কুমাৰে এইদৰে কয়। কুমাৰে মন্তব্য কৰি কয়, 'ভাৰতে দেশৰ অৰ্থনীতি আগন্তুক সাত-আঠ বছৰত দুগুণ বৃদ্ধি কৰিব পাৰিব যদিহে অৰ্থনীতিৰ বৃদ্ধিৰ হাৰ আঠ শতাংশ অব্যাহত থাকে। এয়া বাস্তৱত সম্ভৱ কিয়নো দীৰ্ঘদিন ধৰি দেশে ৮.৫ শতাংশ হাৰত অৰ্থনীতিৰ



বিকাশ অব্যাহত ৰাখিছে। যদিহে সকলো ঠিকে থাকে আৰু আমি মহামাৰীৰ চতুৰ্থ ঢৌ বা ইউক্ৰেইন যুদ্ধৰ ভয়াৱহ পৰিণতিৰ সন্মুখীন হ'ব লগা নহয়, তেন্তে আমি আঠ শতাংশ আৰ্থিক বিকাশৰ হাৰ অব্যাহত ৰাখিব পাৰিম। এই ক্ষেত্ৰত আমি সফল হ'লে আগন্তুক সাত-আঠ বছৰত ভাৰতৰ অৰ্থনীতি দুগুণলৈ বৃদ্ধি পাব।' কুমাৰে লগতে কয় যে বৰ্তমানে ভাৰত হৈছে ২.৭ ট্ৰিলিয়ন মাৰ্কিন ডলাৰৰ অৰ্থনীতি আৰু আগন্তুক সাত-আঠ বছৰৰ ভিতৰত দেশৰ অৰ্থনীতি পাঁচ ট্ৰিলিয়ন ডলাৰলৈ বৃদ্ধি হোৱাৰ সম্ভাৱনা আছে।


### চলচ্চিত্ৰ জগতৰ পৰা বিদায় ল'ব বিচাৰে আমিৰে, কিন্তু কিয়?

**নিউজ ব্যুৰ', মুম্বাই, ২৭ মাৰ্চ ঃ** বলিউডৰ চলচ্চিত্ৰ জগতত বিগত কে'বা দশক ধৰি আধিপত্য বিস্তাৰ কৰা মহাতাৰকা অভিনেতা আমিৰ খানে চলচ্চিত্ৰ উদ্যোগক বিদায় জনাব বিচাৰে। দীৰ্ঘ দশক ধৰি অভিনয় জগতৰ স'তে সক্ৰিয়তাৰে জড়িত হৈ অহা আমিৰে বলিউড ত্যাগ কৰিব বিচাৰিলে। নিজৰ এই ইচ্ছাৰ কথা পৰিয়ালৰ লোকক ইতিমধ্যে অৱগত কৰিলে জনপ্ৰিয় অভিনেতাজনে। উল্লেখ্য যে অহা ১১ আগষ্টত দেশৰ চিত্ৰগৃহত মুক্তি লাভ কৰিব আমিৰৰ নতুন ছবি 'লাল সিং চাড্ডা'ই। এইখন ছবিত আমিৰৰ লগতে কৰিনা কপুৰ, ম'না সিং আদিয়ে অভিনয় কৰিছে। সংবাদ মাধ্যমৰ আগত আমিৰে প্ৰকাশ কৰা অনুসৰি 'লাল সিং চাড্ডা'ই হ'ব তেওঁৰ অন্তিমখন ছবি। সম্প্ৰতি এই সংবাদ মাধ্যমৰ সাক্ষাৎকাৰত আমিৰে কয় যে অতিমাৰীৰ কালত তেওঁৰ চিন্তাচৰ্চা যথেষ্ট সলনি হৈছিল আৰু সেই সময়ত তেওঁৰ চলচ্চিত্ৰ উদ্যোগ ত্যাগ কৰাৰ কথা ভাবিছিল। জীৱনৰ বাকী সময়ছোৱা পৰিয়ালৰ স'তে অতিবাহিত কৰিব বিচাৰে আমিৰে। বিশেষকৈ অভিনেতাজনে তেওঁৰ সন্তানক সময় দিব বিচাৰিছে। জীৱিকাৰ কাৰণত ইমানদিনে পৰিয়ালক সময় দিব পৰা নাছিল আৰু সেয়েহে এতিয়া আমিৰে পৰিয়ালৰ স'তে দিন অতিবাহিত কৰিব বিচাৰে। অৱশ্যে পৰিয়ালৰ লোকে আমিৰক অভিনয়ৰ পৰা অৱসৰ নল'বলৈ পৰামৰ্শ দিছে। আমিৰৰ প্ৰাক্তন পত্নী কিৰণ ৰাৱেও এই সিদ্ধান্ত সলনি কৰিবলৈ অভিনেতাজনক অনুৰোধ জনাইছে। অৱশ্যে একাংশই সামাজিক মাধ্যমত মন্তব্য কৰি কৈছে যে 'লাল সিং চাড্ডা'ক 'হিট' কৰিবলৈহে আমিৰে অৱসৰ লোৱাৰ প্ৰসংগ উত্থাপন কৰিছে।




## উত্তৰ প্ৰদেশ বিধানসভাত বিৰোধী দলপতিৰ দায়িত্ব লাভ অখিলেশৰ

**নিউজ ব্যুৰ', লক্ষ্ণৌ, ২৭ মাৰ্চ ঃ** সমাজবাদী পাৰ্টিৰ ৰাষ্ট্ৰীয় মুৰব্বী অখিলেশ যাদৱক কালি দলে বিধায়িনী দলৰ নেতা নিৰ্বাচিত কৰিছিল। সমাজবাদী পাৰ্টিৰ বিধায়িনী দলৰ বৈঠকত প্ৰাক্তন মুখ্যমন্ত্ৰীজনক দলে সৰ্বসন্মতভাৱে বিধায়িনী দলৰ নেতা নিৰ্বাচিত কৰে। সমাজবাদী দলৰ বিধায়িনী নেতা নিৰ্বাচিত হোৱাৰ পাছত অখিলেশ উত্তৰ প্ৰদেশৰ বিৰোধী দলৰ সৰ্বসন্মত নেতাও নিৰ্বাচিত হ'ল। এতিয়াৰে পৰা ৰাজ্যৰ বিধানসভাত মুখ্যমন্ত্ৰী যোগী আদিত্যনাথক অখিলেশে বিৰোধী দলৰ নেতা হিচাপে জবাবদিহি কৰিব।



## মাস্কৰ মতে তেওঁ নহয়, পুটিনহে বিশ্বৰ সবাতোকৈ ধনাঢ্য ব্যক্তি



**নিউজ ব্যুৰ', টেক্সাছ, ২৭ মাৰ্চ ঃ টেছলা আৰু স্পেচএক্সৰ মুৰব্বী এলন মাস্ক হৈছে বৰ্তমানৰ সময়ত বিশ্বৰ সবাতোকৈ ধনাঢ্য ব্যক্তি। কিন্তু মাস্কৰ মতে, তেওঁ নহয়, বিশ্বৰ সবাতোকৈ ধনাঢ্য ব্যক্তিজন হৈছে ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাডিমীৰ পুটিন। 'বিজনেছ ইনছাইডাৰ'ৰ স'তে হোৱা এক সাক্ষাৎকাৰত মাস্কে কয়, 'মই ভাবো যে পুটিন মোৰ তুলনাত অধিক ধনী ব্যক্তি'। উল্লেখ্য যে মাস্কৰ বৰ্তমানৰ সম্পত্তিৰ পৰিমাণ হৈছে ২৬০ বিলিয়ন ডলাৰ। কিন্তু পুটিনৰ সম্পত্তিৰ পৰিমাণ এতিয়াও ৰহস্য হৈ আছে। চৰকাৰী তথ্য অনুসৰি পুটিনে বছৰি ১,৪০,০০০ মাৰ্কিন ডলাৰৰ বেতন লাভ কৰে। পুটিনৰ কৃষ্ণসাগৰৰ ওচৰত ১.৪ বিলিয়ন ডলাৰৰ বিশাল অট্টালিকা আৰু চাৰি বিলিয়ন ডলাৰৰ ম'নাক' এপাৰ্টমেণ্ট আছে। একাধিক বিলাসী গাড়ীৰো গৰাকী হৈছে ৰুছ ৰাষ্ট্ৰপতিজন। কিন্তু পুটিনৰ সা-সম্পত্তিৰ প্ৰকৃত তথ্য আজিলৈকে প্ৰকাশ কৰা হোৱা নাই। অতি বিলাসী জীৱন-যাপনত অভ্যস্ত পুটিনক সেয়েহে বিশ্বৰ অন্যতম এজন ধনাঢ্য ব্যক্তি বুলি গণ্য কৰা হয়।**

## পুনৰ ৰাহুল-প্ৰিয়ংকাক সাক্ষাৎ প্ৰশান্ত কিশোৰৰ, নতুন জল্পনা কংগ্ৰেছত



**নিউজ ব্যুৰ', নতুন দিল্লী, ২৭ মাৰ্চ ঃ** নিৰ্বাচন ৰণনীতিজ্ঞ প্ৰশান্ত কিশোৰে কংগ্ৰেছত যোগদান কৰিব বুলি পুনৰ এক চৰ্চা চলিছে। উল্লেখ্য যে যোৱা বৃহস্পতিবাৰে কিশোৰে কংগ্ৰেছ সাংসদ ৰাহুল গান্ধী আৰু দলৰ সাধাৰণ সম্পাদক প্ৰিয়ংকা গান্ধীক সাক্ষাৎ কৰিছিল। ৰাষ্ট্ৰীয় সংবাদ মাধ্যমৰ দাবী অনুসৰি বৃহস্পতিবাৰে কে'বাঘণ্টা সময় কংগ্ৰেছৰ দুই শীৰ্ষনেতাৰ স'তে বৈঠকত অংশ লৈছিল দেশৰ বিশিষ্ট নিৰ্বাচন ৰণনীতিজ্ঞজনে। অৱশ্যে কি বিষয়ত কিশোৰে ৰাহুল আৰু প্ৰিয়ংকাৰ স'তে আলোচনা কৰিছিল সেয়া এতিয়াও স্পষ্ট হোৱা নাই। কংগ্ৰেছৰ এক সূত্ৰই প্ৰকাশ কৰা অনুসৰি কিশোৰে গুজৰাট আৰু হিমাচল প্ৰদেশৰ আসন্ন বিধানসভাৰ নিৰ্বাচনত কংগ্ৰেছৰ হৈ কাম কৰিব বিচাৰিছে। কিন্তু আন এক সূত্ৰই দাবী কৰা অনুসৰি ২০২৪ৰ লোকসভাৰ নিৰ্বাচনৰ প্ৰসংগতহে কিশোৰে কংগ্ৰেছৰ দুই শীৰ্ষ নেতাক সাক্ষাৎ কৰিছিল। অৱশ্যে আন একাংশৰ মতে, কিশোৰে কংগ্ৰেছত যোগদান কৰিব বিচাৰিছে। ৰাহুল-প্ৰিয়ংকাক সাক্ষাৎ কৰাৰ পাছত কিশোৰে অৱশ্যে কোনো মন্তব্য প্ৰকাশ কৰা নাই।

# প্ৰাপ্যৰ বাবে ওলাই আহিবলৈ আহ্বান

## সুৱাদীত গৰিয়া-মৰিয়া-দেশী জাতীয় পৰিষদৰ সজাগতা সভা সম্পন্ন



**বৰমা, ২৭ মাৰ্চ ঃ** বৰমাৰ নিকটৱৰ্তী সুৱাদী হাইস্কুল প্ৰাংগণত আজি দিনজোৰা কাৰ্যসূচীৰে সদৌ অসম গৰিয়া-মৰিয়া-দেশী জাতীয় পৰিষদৰ পূৱ নামবৰভাগ আঞ্চলিক সমিতিৰ উদ্যোগত এখন সজাগতা সভা অনুষ্ঠিত হয়। পূৱ নামবৰভাগ আঞ্চলিক সমিতিৰ সভাপতি তৌফিক ৰহমানৰ সভাপতিত্বত অনুষ্ঠিত সজাগতা সভাখনৰ আঁত ধৰে পূৱ নামবৰভাগ আঞ্চলিক সমিতিৰ সম্পাদক আনোৱাৰ হুছেইনে। উক্ত সভাত গৰিয়া-মৰিয়া-দেশী জাতীয় পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ যুটীয়া সাধাৰণ সম্পাদক হাচিফুল ইছলামে কয় যে গৰিয়া-মৰিয়া-দেশীসকলৰ সংগ্ৰাম নিজৰ জনগোষ্ঠীটোৰ অধিকাৰৰ সংগ্ৰাম। তেওঁ ঘৰত বহি থাকিলে অধিকাৰ পোৱা নাযায় বুলি মত প্ৰকাশ কৰে। ইছলামে গৰিয়া-মৰিয়া-দেশীসকলৰ অধিকাৰৰ যি সংগ্ৰাম সেই সংগ্ৰাম নিৰবচ্ছিন্নভাৱে চলি থাকিব বুলি উল্লেখ কৰাৰ লগতে গৰিয়া-মৰিয়া-দেশীসকলৰ জাতীয়তাবোধ কোনেও বিনাশ কৰিব নোৱাৰে বুলি কয়। তেওঁ গৰিয়া-মৰিয়াসকল পূৰ্বৰে পৰা আজিলৈকে সকলো ফালৰ পৰা বঞ্চিত হৈ থকাৰ কথা উল্লেখ কৰি গৰিয়া-মৰিয়াসকলক আজি ওলাই আহিবলৈ আহ্বান জনায়। তেওঁ গৰিয়া উন্নয়ন পৰিষদক চৰকাৰে আবণ্টন দিয়া ৩০ লাখ টকাৰ ধনৰাশিয়ে গৰিয়া-মৰিয়াসকলৰ উন্নতি সাধিব নোৱাৰে বুলি কৈ চৰকাৰ তথা বিভাগীয় কৰ্তৃপক্ষক ইয়াতকৈ আৰু অধিক পৰিমাণৰ সাহায্য প্ৰদানৰ আহ্বান জনায়। সভাত সদৌ অসম ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সদস্য মঃ ৰিয়াজুদ্দিন আহমেদে উপস্থিত থাকি গৰিয়াসকলৰ দুখ-দুৰ্দশাৰ কথা দোহাৰে। তেওঁ গৰিয়াসকলে নিজৰ নিজৰ পৰিচয়ৰ বাবে আগবাঢ়ি অহা উচিত বুলি কোৱাৰ লগতে গৰিয়া-মৰিয়া-দেশী জাতীয় পৰিষদখন আগবঢ়াই নিয়াত সকলোৰে সহায় কৰিব লাগে বুলি কয়। সভাত উপস্থিত থাকে সদৌ অসম গৰিয়া-মৰিয়া-দেশী জাতীয় পৰিষদৰ উপ-সভাপতি আজিজুল ৰহমান, সদৌ অসম গৰিয়া-মৰিয়া-দেশী জাতীয় পৰিষদৰ নলবাৰী জিলা সমিতিৰ সভাপতি মেৰাজুল হক, ৪৪ নম্বৰ পূৱ নামবৰভাগ গাঁও পঞ্চায়তৰ সভানেত্ৰী সুজিতা বৈশ্য, সদৌ অসম গৰিয়া-মৰিয়া-দেশী জাতীয় পৰিষদৰ কেন্দ্ৰীয় উপ-সভাপতি জেমছ পাটগিৰিকে ধৰি কে'বাগৰাকী বিশিষ্ট ব্যক্তি। সভাৰ পূৰ্বে পুৱা পতাকা উত্তোলন কৰে পূব নামবৰভাগ আঞ্চলিক সমিতিৰ সভাপতি তৌফিক ৰহমানে, স্মৃতি তৰ্পণ কৰে সদৌ অসম গৰিয়া-মৰিয়া-দেশী জাতীয় পৰিষদৰ নলবাৰী জিলা সমিতিৰ সম্পাদক আফতাৰ আলীয়ে ।

# সত্ৰ হ'ল সৎ কথা আলোচনা কৰা, অসৎ কথাক গুৰুত্ব নিদিয়া স্থান

## উত্তৰ-পূব ভাৰত হৰিদেৱ সংঘৰ ৪৫ সংখ্যক বাৰ্ষিক অধিবেশনৰ সামৰণি



**ছয়গাঁও, ২৭ মাৰ্চ ঃ** দক্ষিণ কামৰূপৰ আমতলা সত্ৰত অনুষ্ঠিত উত্তৰ-পূব ভাৰত হৰিদেৱ সংঘৰ ৪৫ সংখ্যক বাৰ্ষিক অধিবেশন দক্ষিণ কামৰূপৰ আমতলা সত্ৰত আজি সামৰণি পৰে। কালিৰে পৰা অনুষ্ঠিত অধিবেশনৰ আজি দ্বিতীয় দিনাৰ কাৰ্যসূচী অনুসৰি পুৱা অসম সত্ৰ মহাসভাৰ কাৰ্যনিৰ্বাহক সদস্য প্ৰদীপ ডেকা বৰক্ষেত্ৰীয়াই ভাগৱত পাঠ কৰাৰ পাছতে সংঘৰ পতাকা উত্তোলন কৰে উত্তৰ-পূব ভাৰত হৰিদেৱ সংঘৰ সভাপতি কুলৰঞ্জন ভূঞাই। প্ৰধান সম্পাদক শৈলেন তালুকদাৰে শ্ৰদ্ধাঞ্জলি তৰ্পণ কৰাৰ পাছতে ভাগৱত আৰু সাংস্কৃতিক শোভাযাত্ৰা উলিওৱা হয়। অধিবেশনস্থলীৰ পৰা আমতলা হৈ কুকুৰমাৰা টাউনেৰে যোৱা বাৰেবৰণীয়া শোভাযাত্ৰাটোৰ নাম-প্ৰসংগ, ভাওনাৰ দৃশ্যই আপ্লুত কৰে ধৰ্মপ্ৰাণ ৰাইজক। পাছত শৰণ দীক্ষা পৰ্ব পৰিচালনা কৰে সত্ৰাধিকাৰ অনিল কুমাৰ গোস্বামীয়ে। তাৰপাছতে সৰ্থেবাৰী ধাম সত্ৰ, বনিয়াকুছি সত্ৰ, বহৰি সত্ৰ আৰু আমত'লা সত্ৰৰ আয়তীসকলৰ দ্বাৰা নাম পৰিবেশন কৰে। দুপৰীয়া মুকলি সভাত সভাপতিত্ব কৰে পূব ভাৰত হৰিদেৱ সংঘৰ সভাপতি কুলৰঞ্জন ভূঞাই। পাটাছাৰকুছি বিদ্যাপীঠৰ সংস্কৃত শিক্ষক সঞ্জয় কুমাৰ গোস্বামীয়ে মংগলাচৰণ পাঠ কৰাৰ পাছতে ড° দিগন্ত কুমাৰ দাসৰ সম্পাদনাত প্ৰকাশ পোৱা স্মৃতিগ্ৰন্থ 'হৰিদেৱজ্যোতি' উন্মোচন কৰে দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ ড° গজেন্দ্ৰ অধিকাৰীয়ে। তেওঁ কয় যে সত্ৰ হ'ল সৎ কথা আলোচনা কৰা, অসৎ কথাক গুৰুত্ব নিদিয়া স্থান। য'ত জাতি-ভেদ নাথাকে সেয়াহে সত্ৰ বুলি অধিকাৰীয়ে কয়। বিশিষ্ট অতিথিৰূপে উপস্থিত থাকে কুমাৰ ভাস্কৰ বৰ্মা সংস্কৃত আৰু পুৰাতন অধ্যয়ন বিশ্ববিদ্যালয়ৰ উপাচাৰ্য দীপক কুমাৰ শৰ্মা। বিহপুৰীয়া বি এড মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ ড° তৰুণ কুমাৰ শৰ্মা। সন্মানীয় অতিথিৰূপে উপস্থিত থাকে পৰম হংস সাধন সমাজৰ সম্পাদক মদন চন্দ্ৰ কলিতা। আনহাতে, কালি পুৱা গাঁৱৰ আই মাতৃসকলে হাতে হাতে ঝাডু লৈ গোটেই গাঁওখন চাফ-চিকুণ কৰে। উক্ত দিনা ধৰ্মধ্বজা উত্তোলন কৰে আমত'লা সত্ৰ পৰিচালনা সমিতিৰ সভাপতি অনিল মেধিয়ে। সন্ধিয়া ৰাজহুৱা বন্তি প্ৰজ্বলন কৰে অভ্যৰ্থনা সমিতিৰ সভাপতি যোগেশ্বৰ কলিতা আৰু সৰস্বতী দাসে।

# 'প্ৰজ্ঞাৰ সাধক ড° নৰনাথ ভট্টাচাৰ্যৰ অভিনন্দন গ্ৰন্থ' উন্মোচন



**গুৱাহাটী, ২৭ মাৰ্চ ঃ** মহানগৰীৰ উলুবাৰী বৰা ছাৰ্ভিচ নিবাসী ড° নৰনাথ ভট্টাচাৰ্যৰ বাসগৃহত আজি তেওঁৰ জীৱনজোৰা সাধনাক স্বীকৃতি জনাই অভিনন্দন জনোৱাৰ উদ্দেশ্যে কে'বাটাও অনুষ্ঠানৰ প্ৰতিনিধি তথা অনুৰাগী সমবেত হয়। বিশেষকৈ ৯৩ বছৰীয়া ড° ভট্টাচাৰ্যৰ জন্মভূমি দৰং জিলাৰ পৰা যথেষ্ট সংখ্যক অনুৰাগীয়ে আহি তেওঁৰ বাসগৃহত উৎসৱমুখৰ পৰিৱেশ সৃষ্টি কৰে। এই অভিনন্দন অনুষ্ঠান সঞ্চালনা কৰে নেমকেয়াৰ হাস্পতালৰ চিকিৎসক তথা সাহিত্যিক নৰেশ্বৰ শৰ্মাই। সাহিত্যানুৰাগী নিপন আচাৰ্যই সম্পাদনা কৰা অভিনন্দন গ্ৰন্থ 'প্ৰজ্ঞাৰ সাধক ড° নৰনাথ ভট্টাচাৰ্য অভিনন্দন গ্ৰন্থ' ডাঃ শৰ্মাই উন্মোচন কৰে। আনহাতে, অভিনন্দন জ্ঞাপন অনুষ্ঠানত ভালেসংখ্যক লোকে গামোচা, শৰাই, ফুলৰ থোপা আদিৰে ড° ভট্টাচাৰ্যক আদৰণি জনায়। এই অনুষ্ঠানত ড° ভট্টাচাৰ্যক অভিনন্দন জ্ঞাপন কৰি বক্তব্য ৰাখে দৰং জিলা ব্ৰাহ্মণ সভাৰ সম্পাদকদ্বয় ধীৰেন্দ্ৰ কুমাৰ শৰ্মা, ভদ্ৰকান্ত শৰ্মা, মঙলদৈ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষা অমিয়া দেৱী, ছিপাঝাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত শিক্ষক শিৱপ্ৰসাদ শৰ্মা, হেপী চাইল্ড ইংলিছ স্কুল, ছিপাঝাৰৰ সহকাৰী শিক্ষক বীৰেন্দ্ৰ কুমাৰ শৰ্মা, অৱসৰপ্ৰাপ্ত প্ৰশাসনিক বিষয়া তথা শিক্ষাবিদ নবীন শৰ্মা, সমাজসেৱক গোৱিন্দ মোহন গোস্বামী আদিয়ে। উল্লেখ্য যে প্ৰজ্ঞাৰ সাধক ড° ভট্টাচাৰ্যই এই পৰ্যন্ত ১২খন গ্ৰন্থ ৰচনা কৰিছে। ইয়াৰ ভিতৰত উল্লেখনীয় হৈছে সাংস্কৃতিক চিন্তা, কবিতা তৰংগিনী, ধৰ্ম আৰু মানৱতাবাদ আদি।

# দৰঙৰ শিক্ষা-স্বাস্থ্য সেৱাৰ বাবে দুই কোটি টকাৰ অনুদান ঘোষণা কেন্দ্ৰীয় কয়লা মন্ত্ৰীৰ

## প্ৰধানমন্ত্ৰীয়ে উত্তৰ-পূবৰ সৰ্বাংগীণ উন্নয়নৰ প্ৰতি বিশেষ গুৰুত্ব প্ৰদান কৰিছে ঃ যোশী

বিশেষ সংবাদদাতা

**মঙলদৈ, ২৭ মাৰ্চ ঃ** 'বৰ্তমানৰ প্ৰধানমন্ত্ৰীয়ে উত্তৰ-পূৰ্বাঞ্চলৰ সৰ্বাংগীন উন্নয়নৰ প্ৰতি বিশেষ গুৰুত্ব প্ৰদান কৰিছে। কেন্দ্ৰীয় চৰকাৰৰ প্ৰত্যেকটো আঁচনিয়ে যাতে উত্তৰ-পূৰ্বাঞ্চলৰ সকলো অঞ্চলক সামৰি ল'বলৈ সক্ষম হয়, সেয়া নিশ্চিত কৰিবলৈ তেওঁ কাৰ্যভাৰ গ্ৰহণ কৰাৰ দিনৰ পৰাই সকলো কেন্দ্ৰীয় মন্ত্ৰীক নিৰ্দেশ দি আহিছে।' এই মন্তব্য কেন্দ্ৰীয় কয়লা, খনিজ তথা সংসদীয় পৰিক্ৰমা দপ্তৰৰ মন্ত্ৰী প্ৰহ্লাদ যোশীৰ। আজি 'আকাংক্ষিত জিলা'ৰূপে স্বীকৃতি পোৱা দৰঙত দিনজোৰা কাৰ্যসূচীৰে উপস্থিত হৈ কেন্দ্ৰীয় মন্ত্ৰীজনে জিলাখনৰ উন্নয়নৰ স্বাৰ্থত জিলা প্ৰশাসনে লোৱা পদক্ষেপসমূহৰ খতিয়ান লয়।



মঙলদৈস্থিত জিলা পুথিভঁৰাল প্ৰেক্ষাগৃহত অনুষ্ঠিত হোৱা সভাত উপস্থিত হৈ কেন্দ্ৰীয় মন্ত্ৰীজনে জিলাখনৰ সকলো স্তৰৰ বাসিন্দাসকলৰ বাবে জিলা প্ৰশাসনে লোৱা পদক্ষেপসমূহে দেখুওৱা সুফলৰ বাবে উচ্চ প্ৰশংসা কৰে। কেন্দ্ৰীয় মন্ত্ৰী যোশীয়ে লগতে ক'ল ইণ্ডিয়া লিমিটেডৰ কৰ্প'ৰেট দায়বদ্ধতা নিধিৰ অধীনত জিলাখনৰ শিক্ষাখণ্ডৰ বাবে এক কোটি টকা আৰু চিকিৎসা সেৱাৰ উন্নীতকৰণৰ বাবে এক কোটি টকাকে ধৰি মুঠ দুই কোটি টকাৰ অনুদানৰ কথা ঘোষণা কৰে। কেন্দ্ৰীয় মন্ত্ৰীজনে লগতে কয় যে পৰ্যায়ক্ৰমে জিলাখনৰ উন্নয়নৰ স্বাৰ্থত আৰু অধিক আৰ্থিক অনুদান আগবঢ়াবলৈ কেন্দ্ৰীয় চৰকাৰ বদ্ধপৰিকৰ।

দৰঙৰ অভিভাৱক মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে সংসদীয় পৰিক্ৰমা দপ্তৰৰ মন্ত্ৰীজনে ঐতিহাসিক জিলাখনত উপস্থিত হোৱাৰ বাবে কৃতজ্ঞতা জ্ঞাপন কৰি জিলাখনৰ উন্নয়নৰ বাবে লোৱা কেতবোৰ বিশেষ পদক্ষেপ যেনে দক্ষতা বিশ্ববিদ্যালয়, কৰ্কট চিকিৎসালয় ইত্যাদিৰ বিষয়ে উল্লেখ কৰে। তেওঁ লগতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ 'ছবকা ছাথ, ছবকা বিকাশ'ৰ সপোনক বাস্তৱায়িত কৰিবলৈ দৰং প্ৰশাসন সদায় বদ্ধপৰিকৰ বুলি কয়। আনহাতে, মঙলদৈ লোকসভা সমষ্টিৰ সাংসদ দিলীপ শইকীয়াই বৰ্তমানৰ কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰে দৰং জিলাৰ সৰ্বাংগীন বিকাশৰ প্ৰতি প্ৰদৰ্শন কৰা সদিচ্ছাৰ দ্বাৰা জিলাখনৰ বাসিন্দাসকলৰ বাবে এক নতুন দিগন্তৰ ৰচনা হ'বলৈ গৈ আছে বুলি মন্তব্য কৰে। সাংসদজনে লগতে কয়, 'যোৱা ৭০ বছৰে যি উন্নয়ন প্ৰত্যক্ষ কৰা নহ'ল, সেয়া যোৱা সাত বছৰতে জিলাবাসীয়ে প্ৰত্যক্ষ কৰিবলৈ সক্ষম হৈছে।' সাংসদজনে লগতে অসমৰ প্ৰতি থকা মৰমৰ বাবে প্ৰধানমন্ত্ৰী মোদী বিশেষভাৱে ধন্যবাদৰ পাত্ৰ হ'ব লাগে বুলি উল্লেখ কৰি কয়, 'তেওঁৰ সপোনৰ অসম তথা ভাৰত গঢ়ি তুলিবলৈ তেওঁৰ লগতে দৰংবাসী ৰাইজ সদায় বদ্ধপৰিকৰ।' সভাত দৰঙৰ উপায়ুক্ত প্ৰণৱ কুমাৰ শৰ্মাই উপস্থিত মন্ত্ৰী তথা বিশিষ্ট লোকসকলক সম্বোধন কৰি দৰং জিলাই আকাংক্ষিত জিলাৰ মৰ্যাদা পোৱাৰে পৰা উন্নত জিলাৰূপে ৰূপান্তৰ কৰিবলৈ লোৱা কাৰ্যসূচীসমূহৰ ব্যাখ্যা দাঙি ধৰি জানিবলৈ দিয়ে যে ইতিমধ্যে দৰং জিলাই বহু দিশত পূৰ্বৰ তুলনাত ভাল ফল দেখুৱাবলৈ সক্ষম হৈছে। উপায়ুক্তই লগতে উপস্থিত কেন্দ্ৰীয় মন্ত্ৰীজনক জিলাখনৰ উন্নয়নৰ বাবে অনুমোদিত প্ৰত্যেকটো টকাৰ সদ্ব্যৱহাৰৰ আশ্বাস প্ৰদান কৰি কেন্দ্ৰীয় চৰকাৰে বৰ্তমানলৈকে দৰং জিলাৰ প্ৰতি প্ৰদৰ্শন কৰি থকা উদাৰ মনোভাৱৰ বাবে কৃতজ্ঞতা জ্ঞাপন কৰে। সভাৰ অন্তত শলাগৰ শৰাই আগবঢ়াই ছিপাঝাৰ বিধানসভা সমষ্টিৰ বিধায়ক পৰমানন্দ ৰাজবংশীয়ে।

# সৰবৰহী মহিলা জোনাকী বৰুৱাৰ মৃত্যু



**গুৱাহাটী, ২৭ মাৰ্চ ঃ** চতিয়া অঞ্চলৰ সৰবৰহী, মহিলা তথা গুৱাহাটী সাতগাঁও পাথৰকুঁৱেৰী নিবাসী জোনাকী বৰুৱা (৮৮)ৰ ২৬ মাৰ্চৰ নিশা ১২.২০ বজাত মহানগৰীৰ গেইট হাস্পতালত বাৰ্ধক্যজনিত ৰোগত মৃত্যু হয়। শোণিতপুৰ জিলাৰ জামুগুৰিহাটৰ সংগীয়া মাজৰ চুকত জন্মগ্ৰহণ কৰা জোনাকী বৰুৱাই প্ৰয়াত হেমচন্দ্ৰ বৰুৱাৰ স'তে বিবাহপাশত আৱদ্ধ হৈ চতিয়াৰ নগঞা বৰুৱা চুকৰ বোৱাৰী হয়। পাছত পুত্ৰৰ লগত গুৱাহাটীৰ পাথৰকুঁৱেৰী স্থায়ীভাৱে বসবাস কৰিবলৈ লয়। তেওঁ এগৰাকী দক্ষ শিপিনী হোৱাৰ লগতে গীত, নাট, অভিনয়, ৰন্ধনপ্ৰকৰণ সকলোতে অংশগ্ৰহণ কৰিছিল। সমাজৰ বহু ইতিবাচক কামকাজত সক্ৰিয়ভাৱে অৰিহণা আগবঢ়োৱা ধৰ্মপ্ৰাণা মহিলাগৰাকীয়ে মৃত্যুৰ সময়ত একমাত্ৰ পুত্ৰ, বোৱাৰী, তিনিগৰাকী কন্যা এৰি যায়।

# ভাগৱত শোভাযাত্ৰাৰে বিজয়গাঁও-বৰছৰা সাৰ্বজনীন পালনাম মহোৎসৱৰ সামৰণি



অগ্ৰদূত বাৰ্তা

**গৰুভাষা, ২৭ মাৰ্চ ঃ** চিৰাং আৰু বঙাইগাঁও জিলাৰ সীমান্তৱৰ্তী বিজয়গাঁও-বৰছৰা নামঘৰ চৌহদত ২৫ মাৰ্চৰ পৰা তিনিদিনীয়াকৈ ৪১ সংখ্যক পালনাম মহোৎসৱৰ আজি পুৱা ভাগৱত শোভাযাত্ৰাৰে সামৰণি পৰে। অসমীয়া সাজ-পাৰ পৰিহিত বাপ-বান্ধৱ, আই-মাতৃয়ে নাম পৰিৱেশনেৰে ভাগৱত শোভাযাত্ৰা কৰি গাঁওখন পৰিভ্ৰমণ কৰা হয়। গাঁৱৰ শ্ৰীমন্ত শংকৰদেৱৰ একশৰণ নাম ধৰ্মৰ প্ৰতি অনুৰক্ত প্ৰতিটো পৰিয়ালে ভাগৱত শোভাযাত্ৰা দলক গামোচা পাৰি, ধূপ, ধুনা, শৰাইৰে আদৰণি জনোৱাটো পৰম্পৰা। উল্লেখ্য যে এইবাৰ স্থানীয় আই সকলৰ নামৰ উপৰি ধুবুৰী জিলাৰ দেৱীতলাৰ ৰাভা জনগোষ্ঠীৰ নাম দল, গোৱালপাৰা (টিলাপাৰা) মহিলা নামদল, চাপটগ্ৰাম মনিকাঞ্চন নামদল, কুমাৰকাটা নামদল ইত্যাদি দলে পালনাম মহোৎসৱটি সাফল্য মণ্ডিত কৰে। প্ৰথম দিনা সন্ধিয়া নাম-প্ৰসংগ, ভাগৱত পাঠ, বন্তি প্ৰজ্বলনৰ উপৰি দ্বিতীয় দিনা পুৱা পালনামৰ প্ৰসংগৰে অৱিৰাম পালনাম আৰম্ভ হয়। উক্ত প্ৰসংগৰ আঁতধৰে বিজনীৰ ৰবীন পাঠকে।

# ফকিৰাগ্ৰামত এনৰেগা আঁচনিৰ মুকলি আধাৰশিলা স্থাপন

অগ্ৰদূত বাৰ্তা

**কোকৰাঝাৰ, ২৭ মাৰ্চ ঃ** বিটিআৰৰ কোকৰাঝাৰ জিলাৰ ফকিৰাগ্ৰাম পৰিষদীয় সমষ্টিৰ কঠালগুৰী আৰু ছোট ভদেয়াগুৰী গাঁৱত আজি কোকৰাঝাৰ উন্নয়ন খণ্ডৰ অন্তৰ্গত এমজিএনৰেগা আঁচনিৰ অধীনত দুটাকৈ নিৰ্মীয়মাণ কামৰ আজি আধাৰশিলা স্থাপন কৰে বিটিআৰৰ কাৰ্যবাহী সদস্য অৰূপ কুমাৰ দে'ই। উল্লেখ্য যে কোকৰাঝাৰ জিলাত এমজিএনৰেগা আঁচনিৰ ২০২১-২২ বিত্তীয় বৰ্ষৰ অধীনত ছোট ভদেয়াগুৰীত সৰ্বমুঠ ৯,৬৩,৭৩৯ লাখ টকাৰ ব্যয় সাপেক্ষে গৌৰাং নৈৰ দাঁতিত মথাউৰি বান্ধ নিৰ্মাণ আৰু কঠালগুৰী গাঁৱত এমজিএনৰেগাৰ অধীনত ৯,৩২,৭৪৪ লাখ টকাৰ ব্যয় সাপেক্ষে কেনেল নিৰ্মাণৰ কামৰ আধাৰশিলা স্থাপনৰে ধৰ্মীয় সংখ্যালঘু বসতি গাঁৱত একপ্ৰকাৰ চমকৰ সৃষ্টি কৰে। তেওঁ একেটা দিনতে আজি এমজিএনৰেগা আঁচনিৰ দুটা কামৰ আধাৰশিলা স্থাপনেৰে কৰি ফকিৰাগ্ৰাম সমষ্টিত জাতি-ধৰ্ম নিৰ্বিশেষে উন্নয়নৰ কাম-কাজ ত্বৰান্বিত কৰি তোলা হ'ব বুলি প্ৰতিশ্ৰুতি দিয়ে। তেওঁ লগতে নিৰ্বাচনত দিয়া প্ৰতিশ্ৰুতি মতে অঞ্চলবাসীৰ সকলো সমস্যা সমাধান কৰা হ'ব বুলি আশ্বাস দি ফকিৰাগ্ৰাম পৰিষদীয় সমষ্টিত উন্নয়নৰ ধ্বজাৰে ৰাইজৰ সেৱাত নিজকে উছৰ্গা কৰিব বুলি কয়। উল্লেখ্য যে আজি দুখনকৈ চৰকাৰী আঁচনিৰ উক্ত অনুষ্ঠানত বিটিআৰৰ স্বাস্থ্য বিভাগৰ কাৰ্যবাহী সদস্যগৰাকীক সংগ দিয়ে ফকিৰাগ্ৰাম পৰিষদৰ বিজেপিৰ মণ্ডল আৰু সংখ্যালঘু মৰ্চাৰ মণ্ডল নেতৃত্বসকলে।

# অব্যাহত আছে স্বয়ংক্ৰিয়ভাৱে জুই জ্বলাৰ ঘটনা

**আলোপতি , ২৭ মাৰ্চ ঃ** কামৰূপ জিলাৰ নগৰবেৰাৰ নতুন বদলাগাঁৱত অব্যাহত আছে ভয়-আতংক। বিগত এসপ্তাহ ধৰি গাঁওখনৰ বিভিন্নজনৰ ঘৰ, খৰিৰ দ'মত স্বয়ংক্ৰিয়ভাৱে অগ্নিসংযোগ হোৱা ঘটনাই চাঞ্চল্যৰ সৃষ্টি কৰিছে। ইতিমধ্যে গাঁওখনৰ কে'বাটাও পৰিয়ালৰ গৃহ ভস্মীভূত হৈছে এনে আচহুৱা অগ্নিকাণ্ডত। একাংশ লোকে এই ঘটনাক দুৰ্বৃত্তৰ দুষ্কাৰ্য বুলি অভিহিত কৰাৰ বিপৰীতে আন একাংশই এই ঘটনাক অলৌকিক বুলি দাবী কৰিছে। ঘটনাস্থলীত আৰক্ষীৰ লোক উপস্থিত হৈয়ো এই অগ্নিকাণ্ডৰ প্ৰকৃত কাৰণ উদ্‌ঘাটন কৰিব পৰা নাই। ভয় আৰু আতংকত দিন অতিবাহিত কৰিছে নতুন বদলাগাঁওবাসীয়ে। সম্প্ৰতি নতুন বদলাগাঁওবাসীৰ শেষ ভৰসা হৈ পৰিছে নেদেখাজন। গাঁওখনত অব্যাহত থকা অপায়-অমঙ্গলৰ পৰা হাত সাৰিবলৈ একাংশ লোকে উপায়ান্তৰ হৈ আজি আল্লাহৰ ওচৰত দোৱা-প্ৰাৰ্থনা কৰে। গাঁওবাসীৰ মতে, এতিয়া আল্লাইহে ৰক্ষা কৰিব পাৰিব নতুন বদলাগাঁওবাসীক। ইপিনে, নতুন বদলাগাঁৱত সংঘটিত হোৱা এনে দুষ্কাৰ্যত কোনো অসৎ লোক জড়িত থকাৰ সন্দেহ ব্যক্ত কৰি পহৰাৰ ব্যৱস্থা কৰিছে গাঁওবাসীয়ে।

## দুষ্কাৰ্যত জড়িত থকাৰ অভিযোগত এগৰাকী মহিলাক জেল হাজোতলৈ প্ৰেৰণ

গাঁওখনৰ প্ৰায় প্ৰতিটো পৰিয়ালে নিজাববীয়াকৈ পোহৰাৰ ব্যৱস্থা কৰিছে। কালি সন্ধিয়া গাঁৱৰ একাংশ লোকে ঘটনাৰ লগত জড়িত থকাৰ সন্দেহত গাঁওখনৰে এগৰাকী মহিলাক কৰায়ত্ত কৰে। ছামিনা য়াছমিন নামৰ মহিলাগৰাকীক নিশাই স্থানীয় আৰক্ষীক গতাই দিয়ে। টুপামাৰী আৰক্ষীয়ে অভিযুক্ত মহিলাগৰাকীক গ্ৰেপ্তাৰ কৰি আজি আদালতৰ জৰিয়তে জেল হাজোতলৈ প্ৰেৰণ কৰে।

# হোজাইত পথ দুৰ্ঘটনাত মেট্ৰিক পৰীক্ষাৰ্থী গুৰুতৰভাৱে আহত

অগ্ৰদূত বাৰ্তা

**হোজাই, ২৭ মাৰ্চ ঃ** আজি হোজাইৰ নীলবাগানত এক পথ দুৰ্ঘটনাত ছেলিমউদ্দিন নামৰ এজন শিক্ষাৰ্থী গুৰুতৰভাৱে আহত হয়। এ এছ ২৫ এ চি ৭০০৭ নম্বৰৰ মেজিকখন এ এচ ৩১ ২৯৬৯ নম্বৰৰ মটৰ চাইকেলখনক মহটিয়াই নিয়াত দুৰ্ঘটনা সংঘটিত হয়। আত ছেমিলউদ্দিনৰ ঘৰ নীলবাগানৰ মেথিগাঁৱত। পাছত শিক্ষাৰ্থীজনক স্থানীয় ৰাইজে সংকটজনক অৱস্থাত হোজাইৰ হাম হাস্পতাত ভৰ্তি কৰে। কাইলৈ শিক্ষাৰ্থীজনৰ সমাজ বিজ্ঞানৰ পৰীক্ষা আছিল। ইতিমধ্যে আৰক্ষীয়ে দুৰ্ঘটনাগ্ৰস্ত বাহন দুখন জব্দ কৰিছে।

# অখিল ভাৰতীয় সাহিত্য পৰিষদ নগাঁও জিলাৰ দ্বিতীয় ত্ৰিবাৰ্ষিক অধিবেশন সম্পন্ন

বিশেষ সংবাদদাতা

**নগাঁও, ২৭ মাৰ্চ ঃ** অখিল ভাৰতীয় সাহিত্য পৰিষদৰ নগাঁও জিলা শাখাৰ দ্বিতীয় ত্ৰি-বাৰ্ষিক অধিবেশনখনি আজি দিনজোৰা কাৰ্যসূচীৰে নগাঁৱৰ লক্ষীনগৰস্থিত হোমিঅ'পেথিক মহাবিদ্যালয় প্ৰাংগণত সম্পন্ন হয়।



অধিবেশনখনি পুৱা ১০ বজাত পতাকা উত্তোলনেৰে দিনজোৰা কাৰ্যসূচীৰ আৰম্ভণি কৰে জিলা শাখাৰ সভাপতি ড° দিলীপ শৰ্মাই। তাৰপাছতে শ্ৰদ্ধাঞ্জলি অনুষ্ঠান মুকলি কৰে বিশিষ্ট সাহিত্যিক ভদ্ৰেশ্বৰ ৰাজখোৱাই। কাৰ্যসূচী অনুসৰি গ্ৰন্থ উন্মোচনী সভাত লেখিকা ৰঞ্জন বৰাৰ 'দিহানাম' শীৰ্ষক গ্ৰন্থখনি উন্মোচন কৰে অখিল ভাৰতীয় সাহিত্য পৰিষদৰ ৰাজ্যিক সভাপতি ধীৰেন শৰ্মাই। তেওঁ উন্মোচনত কয়, 'ভাৰতীয় প্ৰাচীন সাহিত্য, সংস্কৃতি, পৌৰাণিক গীত, নাট আদি প্ৰচাৰ-প্ৰসাৰেই হ'ল অখিল ভাৰতীয় সাহিত্য পৰিষদৰ মূল্য লক্ষ্য আৰু উদ্দেশ্য। আধ্যাত্মিক চিন্তাই; আধ্যাত্মিক চেতনাই এখন সুন্দৰ মানৱ সমাজ গঢ়িব পাৰে।' উক্ত সভাখনত বিশিষ্ট অতিথিৰূপে উপস্থিত থাকে পৰিষদৰ ৰাজ্যিক উপ-সভাপতি দেৱেশ্বৰ কলিতাই। ইয়াৰ পাছত অসম কবি সন্মিলনৰ কাৰ্যকৰী সভাপতি ত্ৰিদিপ লস্কৰৰ সঞ্চালনাত অনুষ্ঠিত হয় বহুভাষিক কবি সন্মিলন। উক্ত কবি সন্মিলনত ইংৰাজী, হিন্দী, বাংলা, অসমীয়া, তিৱা, ডিমাছা, ৰাজস্থানী, নেপালী, আদিবাসীকে ধৰি বহুভাষাৰ ৩০ গৰাকী কবিয়ে অংশগ্ৰহণ কৰে। ইপিনে, অধিবেশনৰ মুকলি সভাত ড° দিলীপ শৰ্মাই সভাপতিত্ব কৰে। উক্ত সভাখন উদ্বোধন কৰে ৰাজ্যিক উপসভাপতি দেৱেশ্বৰ কলিতাই। মুকলি সভাত মুখ্য অতিথিৰূপে উপস্থিত থাকি ৰাজ্যিক সভাপীত ধীৰেণ শৰ্মাই কয়, 'আমাৰ যদি সংস্কৃতি নাথাকে, আমাৰ যদি সাহিত্য নাথাকে, আমাৰ যি পৌৰাণিক চিন্তা, ভাৰতীয় আধ্যাত্মিকতা এই সকলোবোৰক লৈয়ে আমাৰ ভাৰতীয় সাহিত্য-সংস্কৃতি। কৃষ্ণ সংস্কৃতিৰ ঐতিহ্যক সাৱোগত কৰি আমাৰ সমাজ আগুৱাই নিব লাগিব। আমাৰ প্ৰাচীন সাহিত্যৰ মূল্যায়ন সঠিকভাৱে কৰিব লাগিব, তেতিয়াহে আমাৰ ভাৰতীয় সাহিত্যৰ উৎকৰ্ষ সাধন কৰা হ'ব।' উক্ত অনুষ্ঠানত সন্মানীয় অতিথিৰূপে নগাঁও জিলা সাহিত্য সভাৰ সভাপতি পৰাণ কুমাৰ বৰুৱা আৰু নিৰ্দিষ্ট বক্তাৰ ভাষণ আগবঢ়ায় মৰিগাঁও মহাবিদ্যালয়ৰ সহযোগী অধ্যাপক ড° বুধেন শইকীয়াই। এই সভাতে বহুভাষিক কবি সন্মিলনত অংশগ্ৰহণ কৰা কবিসকলক সন্মানপত্ৰ প্ৰদান কৰা হয়।

# প্ৰাক্তন ছাত্ৰ নেতা, অনিল কলিতাৰ বিয়োগত শোক



অগ্ৰদূত বাৰ্তা

**পলাশবাৰী, ২৭ মাৰ্চ ঃ** পলাশবাৰী পাৰ্ল্লী ঠাকুৰীয়াপাৰা নিবাসী তথা এসময়ৰ ছাত্ৰ নেতা, ঐতিহ্যমণ্ডিত পলাশবাৰী ৰাস মহোৎসৱৰ সভাপতি অনিল কলিতা (৬৫)ৰ আজি বিয়লি গুৱাহাটীৰ এখন ব্যক্তিগত হাস্পতালত মৃত্যু হয়। তেওঁৰ নশ্বৰদেহ নিজ বাসগৃহলৈ পৰিয়ালৰ লোকে অনাত এক শোকাকুল পৰিৱেশে বিৰাজ কৰে। বিভিন্ন সময়ত ৰাজনীতিৰ স'তেও জড়িত কলিতাৰ মৃত্যুৰ খবৰ বিয়পি পৰাৰ লগে লগে দক্ষিণ কামৰূপৰ বিভিন্ন ঠাইৰ লোক তেওঁৰ বাসগৃহত উপস্থিত হৈ বিদেহ আত্মাৰ প্ৰতি শ্ৰদ্ধা জনায়। প্ৰাক্তন ছাত্ৰ নেতা কলিতাই মনত অযুত সাহস লৈ সামাজিকভাৱে নিয়োজিত হৈ অনুষ্ঠানসমূহ চলাই নিয়াত অৰিহণা যোগাইছিল। তেওঁৰ মৃত্যুত দক্ষিণ কামৰূপৰ ছাত্ৰ সন্থাই শোক প্ৰকাশ কৰাৰ লগতে সদৌ কামৰূপ জিলা ছাত্ৰ সন্থাৰ উপদেষ্টা নিৰোদ কুমাৰ দাসে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জনাই তেওঁৰ বিদেহ আত্মাৰ সদগতি কামনা কৰে।

# সাম্প্ৰদায়িক বিষবাষ্প নিৰ্মূল কৰিব লাগিব

## অজাপৰ পঞ্চায়ত নিৰ্বাচনী ৰণডংকা ঃ হাজোত অজাপৰ কৰ্মী সভাত লুৰীণজ্যোতি

অগ্ৰদূত বাৰ্তা

**হাজো, ২৭ মাৰ্চঃ** 'অসমক সুৰক্ষিত কৰিবলৈ হ'লে আমি সাম্প্ৰদায়িক বিষবাষ্প আৰু ঘৃণাৰ ৰাজনীতি নিৰ্মূল কৰিব লাগিব।' এই মন্তব্য অজাপৰ ৰাজ্যিক সভাপতি লুৰীণজ্যোতি গগৈৰ। হাজো বিধানসভা সমষ্টিৰ অজাপৰ ছহিদ সত্যনাথ আঞ্চলিক সমিতিৰ উদ্যোগত একাদিত এক কৰ্মীসভা সম্বোধন কৰি ৰাজ্যিক সভাপতি গগৈয়ে এনেদৰে মন্তব্য কৰে। অজাপৰ ছহিদ সত্যনাথ আঞ্চলিক সমিতিৰ সভাপতি অতুল চন্দ্ৰ দাসৰ পৌৰোহিত্যত বিয়লি চাৰি বজাত অনুষ্ঠিত সভাত প্ৰায় পাঁচ শতাধিক দলীয় নেতা-কৰ্মী-সমৰ্থকক উদ্দেশ্যি অজাপৰ ৰাজ্যিক সভাপতি গগৈয়ে পুনৰ কয়, 'অসমত হিন্দু-মুছলমানৰ মাজত শান্তি-সম্প্ৰীতি আৰু সমন্বয় অটুট ৰাখিবলৈ হ'লে আমি বিজেপিক উৎখাত কৰিব লাগিব। বিজেপিক উৎখাত কৰিবলৈ হ'লে সমান্তৰালভাৱে আমি এআইইউডিএফক মৰম কৰিবলৈ বাদ দিব লাগিব। কিয়নো বিজেপি আৰু এআইইউডিএফ সমানে বিষাক্ত। চৰকাৰৰ বেয়া কথাবোৰ আমি বাৰে বাৰে কৈ আছো, তাৰ পাছতো অসমৰ মানুহৰ চকু খোল খোৱা নাই। তাৰে মাজতো ৰাইজে আমাকো আঁকোৱালি ল'বলৈ লৈছে। এইক্ষেত্ৰত আমিও সকলোৰে সজাগ হ'ব লাগিব।'



সভাত অজাপৰ ৰাজ্যিক প্ৰচাৰ সম্পাদক জিয়াউৰ ৰহমানে কয় যে অসমৰ ইতিহাসত আটাইতকৈ মিছা কথা কোৱা দলটো হৈছে বিজেপি। এই দলটোৱে এটা মিছা ঢাকিবলৈ অন্য এটা মিছা কথাৰ আশ্ৰয় লয়। সেয়ে মিথ্যাচাৰৰ পৰা বাচিবলৈ হ'লে আগন্তুক পঞ্চায়ত নিৰ্বাচনত বিজেপি দলক ওফৰাব লাগিব। অজাপৰ কামৰূপ জিলাৰ সভাপতি সঞ্জীৱ মহন্ত, ৰাজ্যিক তথ্য আৰু প্ৰযুক্তি সম্পাদক ময়ুৰ চৌধুৰী, অজাপ নেতা নাজিমুদ্দিন আহমেদ, তফজ্জুল হুছেইন আৰু জাকিৰ হুছেইনৰ উপস্থিতিত অজাপৰ ৰাজ্যিক উপ-সভাপতি দুলু আহমেদে কয়, 'হাজো সমষ্টিত আগন্তুক পঞ্চায়ত নিৰ্বাচনত তিনি খন জিলা পৰিষদ আৰু আঠ-১০ খন পঞ্চায়ত দখল কৰাটো প্ৰায় নিশ্চিত। যদিহে ইমান কেইখন পঞ্চায়ত দখল কৰিব নোৱাৰো, তেন্তে হাজো বিধান সভা সমষ্টিত তৃতীয় বাৰ মই নিৰ্বাচন নেখালো, ৰাজনীতি ত্যাগ কৰিম।'

অসম দাপোণ
অগ্ৰদূত
গুৱাহাটী, ২৮ মাৰ্চ, সোমবাৰ ২০২২ পৃষ্ঠা ৯

■ ৰঙিয়াত দুই নম্বৰ ৱাৰ্ডৰ ষ্টেচন পথত ছাত্ৰ সন্থাৰ বিক্ষোভ ■ স্মাৰকপত্ৰ প্ৰদান

# জনবহুল অঞ্চলত কয়লাৰ উঠোৱা-নমোৱা বন্ধৰ দাবী

অগ্ৰদূত বাৰ্তা

**ৰঙিয়া ২৭ মাৰ্চ ঃ** ৰঙিয়া দুই নম্বৰ ৱাৰ্ডৰ ষ্টেচন পথৰ জনবহুল অঞ্চলত কয়লা লোডিং আনলোডিং কৰাক কেন্দ্ৰ কৰি ৰঙিয়াত প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। এই সন্দৰ্ভত দীৰ্ঘদিন ধৰি ৰাইজৰ পুঞ্জীভূত ক্ষোভৰ কালি বহিঃপ্ৰকাশ ঘটে। ৰঙিয়া আঞ্চলিক ছাত্ৰ সন্থাই তীব্ৰ ক্ষোভ ব্যক্ত কৰি এক বিক্ষোভ কাৰ্যসূচী ৰূপায়ণ কৰে। স্থানীয় ৰাইজৰ সহযোগত ৰঙিয়া আঞ্চলিক ছাত্ৰ সন্থাৰ বিষয়ববীয়াসকলে কয়লা লোডিং আনলোডিংস্থলীত প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। বিক্ষোভ কাৰ্যসূচীৰ অন্তত ছাত্ৰ সন্থাৰ প্ৰতিনিধিসকলে ৰঙিয়া মাণ্ডলিক ৰেল প্ৰৱন্ধকক এক স্মাৰকপত্ৰ প্ৰদান কৰে। কাৰ্যসূচীত সদৌ কামৰূপ জিলা ছাত্ৰ সন্থাৰ উপদেষ্টা হেমন্ত দাস, সাংস্কৃতিক সম্পাদক তৌফিকুৰ ৰহমান, সদৌ ৰঙিয়া মহকুমা ছাত্ৰ সন্থাৰ ভাৰপ্ৰাপ্ত সভাপতি জিতু ডেকা আৰু সদৌ কামৰূপ জিলা ছাত্ৰ সন্থাৰ কাৰ্যনিৰ্বাহক সদস্য বুবুল আলীসহ অন্যান্য ছাত্ৰ নেতাৰ লগতে স্থানীয় ৰাইজ উপস্থিত থাকে। বিক্ষোভ কাৰ্যসূচীত কামৰূপ জিলা ছাত্ৰ সন্থাৰ উপদেষ্টা হেমন্ত দাসে কয় যে জনবহুল অঞ্চলত জনস্বাস্থ্যৰ প্ৰতি ভাবুকি স্বৰূপ কয়লাৰ লোডিং আনলোডিং ব্যৱস্থাই অকল যে প্ৰদূষণ বৃদ্ধি কৰিব সেয়া নহয় ওচৰত থকা শিক্ষানুষ্ঠানৰ কণকণ ছাত্ৰ-ছাত্ৰীৰ লগতে চিকিৎসালয়ৰ ৰোগীসকলৰ জীৱনলৈ ভাবুকি কঢ়িয়াই আনিব। এই কয়লা লোডিং-আনলোডিং ব্যৱস্থাই বায়ু প্ৰদূষণৰ লগতে শব্দ প্ৰদূষণো কৰিব। তাৰ উপৰি ৰঙিয়া ষ্টেচন অঞ্চলৰ জনজীৱন দুৰ্বিষহ হৈ উঠিব। কয়লাৰ ক্ষুদ্ৰ ক্ষুদ্ৰ কণা সমগ্ৰ অঞ্চল ছানি ধৰাৰ ফলত বাসিন্দাসকলৰ মাজত হাঁপানি, যক্ষ্মা, কৰ্কট জাতীয় ৰোগ বৃদ্ধি পাব। দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ২০২৫ৰ ভিতৰত যক্ষ্মামুক্ত ভাৰত গঢ়াৰ আঁচনি লোৱাৰ সময়তে ৰঙিয়াৰ জনবহুল অঞ্চলত কয়লা লোডিং আনলোডিঙৰ অনুমতি প্ৰদান কৰি সমগ্ৰ আঁচনিক প্ৰহসনত পৰিণত কৰা বুলি ছাত্ৰ নেতা দাসে চৰকাৰক তীব্ৰ সমালোচনা কৰে। তেওঁ অনতিপলমে ৰঙিয়া ষ্টেচন পথৰ আৱাসিক অঞ্চলৰ পৰা কয়লাৰ লোডিং-আনলোডিং স্থানান্তৰ কৰাৰ দাবী উত্থাপন কৰে। নহ'লে পৰৱৰ্তী সময়ত তীব্ৰ আন্দোলন গঢ়ি তোলাৰ ভাবুকি প্ৰদান কৰে। তেওঁ আৰু কয় যে ছাত্ৰ সন্থাই কয়লা লোডিং আনলোডিঙৰ বিৰুদ্ধে নহয়। কিন্তু ৰঙিয়া কেন্দ্ৰীয় বিদ্যালয়ৰ কণ কণ ছাত্ৰ-ছাত্ৰী, অঞ্চলটোত থকা চিকিৎসালয়ৰ ৰোগীসকলৰ লগতে ষ্টেচন অঞ্চলৰ কণ কণ শিশু আৰু বৃদ্ধ-বৃদ্ধাৰ স্বাস্থ্যৰ কথা চিন্তা কৰিয়েই লোডিং আনলোডিং ব্যৱস্থা স্থানান্তৰৰ দাবী জনোৱা বুলি দাসে জানিবলৈ দিয়ে। অনতিপলমে এই ব্যৱস্থা স্থানান্তৰ নকৰিলে ছাত্ৰ সন্থাই যিকোনো পৰ্যায়লৈ যাব বুলি তেওঁ সকীয়াই দিয়ে।




## ৰঙিয়াত ধুমুহাত ক্ষতিগ্ৰস্ত পৰিয়ালক সাক্ষাৎ কলিতাৰ

অগ্ৰদূত বাৰ্তা

**ৰঙিয়া, ২৭ মাৰ্চ ঃ** বিজেপিৰ ৰাজ্যিক সভাপতি তথা ৰঙিয়া সমষ্টিৰ বিধায়ক ভবেশ কলিতাই পৰহি ৰঙিয়া বিছেন্নলা আৰু বৈদ্যগড় গাঁও পঞ্চায়তত ধুমুহাত ক্ষতিগ্ৰস্ত পৰিয়ালক সাক্ষাৎ কৰি ক্ষয়-ক্ষতিৰ বুজ লয়। তেওঁ ক্ষতিগ্ৰস্ত পৰিয়ালসকলৰ লগত মত বিনিময় কৰে। বিধায়ক কলিতাই ধুমুহাত ক্ষতিগ্ৰস্ত পৰিয়ালৰ সদস্যসকলক ব্যক্তিগতভাৱে আৰ্থিক সাহায্য আগবঢ়োৱাৰ উপৰি চৰকাৰৰ তৰফৰ পৰা আৰ্থিক সাহায্য প্ৰদানৰ আশ্বাস প্ৰদান কৰে। ইয়াৰ পাছত তেওঁ ৰঙিয়াৰ ঐতিহ্যমণ্ডিত শিক্ষানুষ্ঠান ৰঙিয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰো ক্ষয়-ক্ষতিৰ বুজ লয়। সভাপতি কলিতাই বিদ্যালয়ৰ অধ্যক্ষ দীপক কলিতাৰ লগতো ক্ষয়-ক্ষতিৰ সন্দৰ্ভত আলোচনা কৰে। এই ছেগতে তেওঁ বৈদ্যগড় গাঁও পঞ্চায়ত আৰু বিছেন্নালা গাঁও পঞ্চায়তত ৰাজ্য চৰকাৰৰ দ্বাৰা ৰূপায়িত বিভিন্ন উন্নয়নমূলক কাম-কাজৰ বুজ লৈ কামৰ পৰ্যালোচনা কৰে। এই সন্দৰ্ভত কলিতাই তেওঁ স্থানীয় পঞ্চায়ত প্ৰতিনিধি আৰু স্থানীয় ৰাইজৰ স'তে মত বিনিময় কৰে। কলিতাই ৰঙিয়া পৌৰসভাৰ নৱ নিৰ্বাচিত পাৰিষদ মিতালী ডেকাৰ ঘৰত উপস্থিত হৈ ধুমুহা-বাসগৃহৰ বহু অংশ ক্ষতি সাধন হোৱাৰ খা-খবৰ লয়। উল্লেখ্য যে কালি দুপৰীয়াৰ ভাগত ৰঙিয়াৰ ওপৰেদি বৈ যোৱা এজাক প্ৰচণ্ড বতাহ-ধুমুহাত ৰঙিয়া বিধানসভা সমষ্টিৰ বিভিন্ন ঠাইৰ বহু পৰিয়ালৰ বিস্তৰ ক্ষতি সাধন হৈছে। ক্ষয়-ক্ষতিৰ পৰিমাণ এতিয়াও চৰকাৰীভাৱে প্ৰকাশ হোৱা নাই যদিও গ্ৰামাঞ্চলত বহু পৰিয়ালৰ ঘৰৰ টিন উৰুৱাই লৈ যোৱাৰ উপৰি গছ-গছনি, বিদ্যুতৰ খুঁটা উভালি পৰে। ফলত ঠায়ে ঠায়ে আজিলৈকে বিজুলী সেৱা ব্যাহত হৈ আছে।

## মেলেং হিন্দুবাৰীত ৰাষ্ট্ৰীয় বীৰ ছহিদ ভগৎ সিং, ৰাজগুৰু আৰু সুখদেৱক সুঁৱৰি ছহিদ দিৱস পালন

অগ্ৰদূত বাৰ্তা

**কাকজান, ২৭ মাৰ্চ ঃ** বিপ্লৱী যুৱ সন্থাৰ উদ্যোগত যোৱা ২৪ মাৰ্চত যোৰহাটৰ মেলেং হিন্দুবাৰীত ৰাষ্ট্ৰীয় বীৰ ছহিদ ভগৎ সিং, ৰাজগুৰু আৰু সুখদেৱক সুঁৱৰী ছহিদ দিৱস পালন কৰে। ৰামেশ্বৰ ক'লৰ সভাপতিত্বত অনুষ্ঠিত সভাৰ আৰম্ভণিত সন্থাৰ পতাকা উত্তোলন কৰে জিলা সম্পাদক আমোচ কুমাৰ তাঁতীয়ে। ছহিদ তৰ্পণ কাৰ্যসূচী মুকলি কৰে সন্থাৰ কেন্দ্ৰীয় সমিতিৰ সম্পাদক নিৰজ কুমাৰে। সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে সন্থাৰ জিলা উপদেষ্টা ৰাজেন ৰাজে। কাৰ্যসূচীত বিপ্লৱী যুৱ সন্থাৰ ৰাষ্ট্ৰীয় সম্পাদক নিৰজ কুমাৰ, অসম সংগ্ৰামী চাহ শ্ৰমিক সংঘৰ কেন্দ্ৰীয় সভাপতি বিবেক দাস, এছ এফ আইৰ জিলা সম্পাদক ৰিতুৰাজ গোস্বামী, নাৰী অধিকাৰ সুৰক্ষা সমিতিৰ নেত্ৰী তথা সমাজসেৱিকা চিনুমণি বৰা, আদিবাসী ছাত্ৰ সন্থাৰ লাহদৈগড় আঞ্চলিক সমিতিৰ সম্পাদক জয়প্ৰকাশ চাওৰা, বিপ্লৱী যুৱ সন্থাৰ অসম ৰাজ্যিকৰ মুখ্য আহ্বায়ক নোমল কুমাৰ চাওৰা, আহ্বায়ক কুন্তী তাঁতী, অসম সংগ্ৰামী চাহ শ্ৰমিক সংঘৰ সাধাৰণ সম্পাদক জিতেন তাঁতীয়ে বক্তব্য দাঙি ধৰি ছহিদসকলৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জনাই আৰু বৰ্তমান সময়ত ছহিদ ভগৎ সিঙৰ আদৰ্শৰ প্ৰাসংগিকতা তুলি ধৰে। বক্তাসকলে বিজেপি চৰকাৰে জনসাধাৰণৰ অধিকাৰসমূহ নিঃশেষ কৰা আৰু ৰাজহুৱা সম্পত্তিসমূহ কৰ্প'ৰেট পুঁজিপতি গোষ্ঠীৰ হাতত অৰ্পণ কৰা জনবিৰোধী এই চৰকাৰৰ বিৰুদ্ধে ঐক্যবদ্ধ প্ৰতিৰোধ সংগ্ৰাম তীব্ৰ কৰিবলৈ সকলোৰে প্ৰতি আহ্বান জনায়। কাৰ্যসূচীত জনসাংস্কৃতিক পৰিষদ যোৰহাটৰ ৰাজীৱ কুমাৰ দত্ত, আদিবাসী ছাত্ৰ সন্থাৰ জিলা সভাপতি দেবেন চোড়ী, সদৌ অসম প্ৰগতিশীল নাৰী সন্থাৰ জিলা সম্পাদিকা ৰাহিল মুণ্ডা, মানৱ অধিকাৰ সুৰক্ষা সমিতিৰ বিপুল বৰা আদি উপস্থিত থাকে।

## দুলীয়াজান মহাবিদ্যালয়ত স্বেচ্ছাসেৱী সংগঠনৰ উদ্যোগত ৰক্তদান শিবিৰ সম্পন্ন

অগ্ৰদূত বাৰ্তা

**দুলীয়াজান, ২৭ মাৰ্চ ঃ** দুলীয়াজান মহাবিদ্যালয়ত আজি ডিব্ৰুগড়ৰ 'টীম হিউমেনিটি'ৰ উদ্যোগত আৰু দুলীয়াজান মহাবিদ্যালয়ৰ সহযোগত এটি 'স্বেচ্ছাসেৱী ৰক্তদান শিবিৰ' অনুষ্ঠিত হয়। ডিব্ৰুগড়ৰ অসম চিকিৎসা মহাবিদ্যালয়ৰ স্বাস্থ্য বিষয়া মৌচুমী বৰুৱাৰ নেতৃত্বত এটি দলে চিকিৎসা মহাবিদ্যালয়খনৰ ৰক্তভঁৰাল কৰ্তৃপক্ষৰ প্ৰতিনিধিৰূপে অনুষ্ঠানত উপস্থিত থাকি ৰক্ত সংগ্ৰহ কৰে। অনুষ্ঠান দুলীয়াজান মহাবিদ্যালয়ৰ আভ্যন্তৰীণ মান নিশ্চিতকৰণ কোষৰ যুটীয়া সমন্বয়ক জয়ন্ত দত্তৰ শুভেচ্ছামূলক বক্তব্যৰে আৰম্ভ হয়। মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° লোক বিকাশ গগৈয়ে আদৰণি ভাষণ আগবঢ়ায়। আনহাতে, স্বাস্থ্য বিষয়া মৌচুমী বৰুৱাই ৰক্তদানৰ প্ৰয়োজনীয়তা আৰু ইয়াৰ লগত জড়িত বিভিন্ন গুৰুত্বপূৰ্ণ দিশৰ বিষয়ে সজাগতামূলক বক্তব্য প্ৰদান কৰে। ৰক্তদান শিবিৰত দুলীয়াজান মহাবিদ্যালয়ৰ মুঠ ১৭ গৰাকী শিক্ষক-ছাত্ৰই ৰক্তদান কৰে য'ত মহাবিদ্যালয়খনৰ বুৰঞ্জী বিভাগৰ সহকাৰী অধ্যাপক ৰুবুল খাটনিয়াৰৰ নেতৃত্বত পৰিচালিত হৈ থকা 'ৰাষ্ট্ৰীয় সমাজ সেৱা'ৰ লগত জড়িত ছাত্ৰ-ছাত্ৰীসকলেও সক্ৰিয় সহযোগিতা আগবঢ়ায়। মহাবিদ্যালয়খনৰ বুৰঞ্জী বিভাগৰ সহকাৰী অধ্যাপক ৰাজীৱ কুমাৰ দলেৰ সক্ৰিয় প্ৰচেষ্টাত আয়োজিত ৰক্তদান শিবিৰ মহাবিদ্যালয়খনৰ অসমীয়া বিভাগৰ সহযোগী অধ্যাপক ড° চিত্ৰজিৎ শইকীয়াৰ শলাগৰ শৰাই অনুষ্ঠানেৰে সামৰণি পৰে।

## ষ্ট্ৰবেৰী খেতিৰে স্বাৱলম্বী বিশ্বনাথৰ কৃষক

অগ্ৰদূত বাৰ্তা

**বিশ্বনাথ চাৰিআলি, ২৭ মাৰ্চ ঃ** কৃষি কৰ্মৰে স্বাৱলম্বিতাৰ নিদৰ্শন দাঙি ধৰিছে বিশ্বনাথৰ পাভৈৰ এজন কৃষক পুণ্যপ্ৰসাদ খাউণ্ডে। মাত্ৰ ডেৰ কঠা মাটিত চৰকাৰৰ পৰা পোৱা ষ্ট্ৰবেৰী খেতিৰে কম খৰচত লাভান্বিত হৈছে কৃষক খাউণ্ড। যুৱ প্ৰজন্মৰ আদৰ্শ হৈ পৰা কৃষক খাউণ্ডে ষ্ট্ৰবেৰী খেতিৰ উপৰি ড্ৰেগন ফুডকে ধৰি বিভিন্ন খেতিৰ যোগেদি আদৰ্শ কৃষক হিচাপে বিশ্বনাথত সুনাম কঢ়িয়াবলৈ সক্ষম হৈছে। 'ৰ'দালি নাৰ্ছাৰী'তো বিভিন্ন ফল-মূলৰ পুলিও উপলব্ধ। আনহাতে, প্ৰায় অৰ্ধ শতাধিক ছাগলী পুহিও নিদৰ্শন দাঙি ধৰিছে খাউণ্ডে। মাত্ৰ ডেৰ কঠা মাটিত ষ্ট্ৰবেৰী খেতি কৰি বিগত পষেকটোত প্ৰায় ডেৰ কুইণ্টল বিক্ৰী কৰিছে প্ৰতি কেজি ৪০০ টকাকৈ।

## পুৰণি বঙাইগাঁও বিদ্যালয়ত শৌচালয় ব্লক উদ্বোধন

অগ্ৰদূত বাৰ্তা

**গৰুভাষা, ২৭ মাৰ্চ ঃ** চিভিক একচনৰ অধীনত ১৫৬ নম্বৰ চিআৰপিএফ বাহিনীয়ে 'উৎকৃষ্ট হমাৰা সংকল্প'ৰ জৰিয়তে পুৰণি বঙাইগাঁও স্কুলত নতুনকৈ নিৰ্মাণ কৰা দুটা টয়লেট ব্লক কালি উদ্বোধন কৰা হয়। উক্ত আঁচনিখন মুকলি কৰে ১৫৬ নম্বৰ চিআৰপিএফৰ কমাণ্ডেণ্ট ওমপ্ৰকাশ টোকাছে। তেওঁ কয় যে চিআৰপিএফৰ উত্তৰ-পূব ছেক্টৰৰ মহাপৰিদৰ্শক সোনাল ভি মিশ্ৰৰ নিৰ্দেশমতে এই আঁচনিখন ৰূপায়ণ কৰা হয়। অঞ্চলটোৰ নাগৰিকসকলৰ প্ৰয়োজনীয়তা দূৰ কৰাৰ উদ্দেশ্য আগত ৰাখি বিভিন্ন জনকল্যাণমূলক কাম ৰূপায়ণ কৰা হৈছে বুলি উল্লেখ কৰে। তেওঁ ছাত্ৰ-ছাত্ৰীক অধিক পৰিশ্ৰমেৰে নিজৰ লক্ষ্যত উপনীত হ'বলৈ আহ্বান জনায়। ভাৰত চৰকাৰে জনসাধাৰণ আৰু নিৰাপত্তা বাহিনীৰ মাজত সেতু হিচাপে কাম কৰিবলৈ বিভিন্ন কাৰ্যপন্থা হাতত লৈছে বুলি উল্লেখ কৰি চিৰাং আৰু বঙাইগাঁও জিলাত এনে ধৰণৰ কাম কৰা হৈছে। এই আঁচনিৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলৰ অভাৱসমূহ দূৰ কৰিবলৈ সক্ষম হোৱাৰ উপৰি পৰৱৰ্তী দিনবোৰত এনেবোৰ কাম অব্যাহত থাকিব বুলি সদৰী কৰে। অনুষ্ঠানত চিআৰপিএফৰ উপ-কমাণ্ডেণ্ট পি কে দাস, সহকাৰী কমাণ্ডেণ্ট ক্ৰমে অজয় পাল আৰু বি আই কাবুইৰ উপৰি শিক্ষক আৰু ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে।

## দীৰ্ঘদিনে বিকল বিমানকোঠৰ শৌচালয়

অগ্ৰদূত বাৰ্তা

**আজাৰা, ২৭ মাৰ্চ ঃ** বৰঝাৰস্থিত লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তৰ্জাতিক বিমানকোঠৰ চৌহদত থকা চাৰিটাকৈ ই টয়লেট দীৰ্ঘদিন ধৰি বিকল হৈ থকাৰ পাছতো সংশ্লিষ্ট কৰ্তৃপক্ষই টয়লেটকেইটা সুচল কৰি নোতোলা কাৰ্যই ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। উল্লেখ্য যে বিমানকোঠৰ সন্মুখতে থকা পাৰ্কিঙৰ মাজতে আছে চাৰিটাকৈ ই টয়লেট। পুৰুষ-মহিলাৰ বাবে সুকীয়াকৈ থকা টয়লেটকেইটা দীৰ্ঘদিন ধৰি বিকল হৈ আছে। মনকৰিবলগীয়া যে ক'ভিডজনিত পৰিৱেশ কিছু উন্নত হোৱাৰ বাবে বৰ্তমান দৈনিক হেজাৰ হেজাৰ যাত্ৰীৰ আগমন ঘটে বৰঝাৰ বিমানকোঠলৈ। তদুপৰি যাত্ৰীসকলক

### যাত্ৰী-চালকৰ দুৰ্ভোগ

আগবঢ়াই থ'বলৈ অহা লোকসকলক ধৰিলে এই সংখ্যা কে'বাগুণো বৃদ্ধি হ'ব। ইয়াৰ উপৰি তিনি শতাধিক দুচকীয়া আৰু চাৰিচকীয়া বাহনে বিমানবন্দৰৰ পৰা যাত্ৰী অনা-নিয়া কৰে। কিন্তু এই বৃহৎ সংখ্যক যাত্ৰী আৰু চালকৰ বাবে পাৰ্কিং চৌহদত থকা ই টয়লেটকেইটা বিকল হৈ থকাত গুৰুতৰ সমস্যাৰ সন্মুখীন হয়। অৱশ্যে একাংশ পুৰুষে পাৰ্কিঙৰ এচুকত থকা টয়লেটটোৰ পাছফালে মুকলিভাৱে মূত্ৰ-ত্যাগ কৰে যদিও মহিলা যাত্ৰীসকল কেনে পৰিস্থিতিৰ সন্মুখীন হ'ব লগা হয় সেয়া সহজে অনুমেয়। ইয়াৰ পাছতো সংশ্লিষ্ট কৰ্তৃপক্ষই কি কাৰণত ই-টয়লেট কেইটা মেৰামতি কৰি কাৰ্যক্ষম কৰি তোলা নাই সেয়া নুবুজা সাঁথৰ হৈ পৰিছে।

## অসম চাহ মজদুৰ সংঘৰ তেজপুৰ শাখাৰ প্ৰাক্তন সম্পাদক চন্দ্ৰ কান্ত প্ৰজাৰ বিয়োগ

বিশেষ সংবাদদাতা

**ৰঙাপৰা, ২৭ মাৰ্চ ঃ** অসম চাহ মজদুৰ সংঘৰ তেজপুৰ শাখাৰ প্ৰাক্তন সম্পাদক চন্দ্ৰ কান্ত প্ৰজা (৭৭)ৰ কালি পুৱা ছয় বজাত ৰঙাপৰা সমষ্টিৰ অন্তৰ্গত বিন্দুকুৰিৰ নিজা বাসগৃহত বাৰ্ধক্যজনিত কাৰণত মৃত্যু হয়। উল্লেখ্য যে ১৯৪৫ত ৰূপাজুলি চাহ বাগিচাত জন্মগ্ৰহণ কৰা প্ৰজাই বাগিচাত প্ৰাথমিক শিক্ষাগ্ৰহণ কৰি বিন্দুকুৰি হাইস্কুলৰ পৰা হাইস্কুল শিক্ষান্ত পৰীক্ষাত



উত্তীৰ্ণ হৈ দৰং মহাবিদ্যালয়ৰ পৰা স্নাতক ডিগ্ৰী লাভ কৰি আইনৰ পাঠ্যক্ৰমত নামভৰ্তি কৰে। তেওঁ সেই সময়ৰ পৰা বাগিচাৰ শ্ৰমিক আৰু কৰ্মচাৰীসকলৰ বিভিন্ন ধৰণৰ সমস্যাৰ হকে মাত মাতি আহিছিল। পৰৱৰ্তী সময়ত তেওঁ অসম চাহ মজদুৰ সংঘৰ তেজপুৰ শাখাৰ কাৰ্যালয় সম্পাদক, সহকাৰী সম্পাদক, সম্পাদক, উপদেষ্টা পদত ৩০ বছৰে সেৱা আগবঢ়ায়। তদুপৰি তেওঁ ৰঙাপৰা ব্লক কংগ্ৰেছৰ সভাপতিৰো দায়িত্ব ভাৰ লাভ কৰিছিল। তেওঁ জনপ্ৰিয় ফুটবল খেলুৱৈৰূপে পৰিচিত আছিল। তেওঁৰ মৃত্যু খবৰ লাভ কৰাৰ পাছত অসম চাহ মজদুৰ সংঘৰ তেজপুৰ শাখাৰ ভাৰপ্ৰাপ্ত সম্পাদক সুনীল টুটী আৰু বিষয়ববীয়াসকলে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। তেওঁৰ মৃত্যুত ৰঙাপৰা প্ৰেছ ক্লাবৰ সভাপতি পংকজ নাথৰ লগতে বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে শোক প্ৰকাশ কৰিছে।

## নগাঁৱৰ উত্তৰাঞ্চলত ধুমুহাৰ তাণ্ডৱ ঃ বিস্তৰ ক্ষতি

অগ্ৰদূত বাৰ্তা

**জুৰীয়া, ২৭ মাৰ্চ ঃ** কালি হঠাতে অহা এজাক ধুমুহা বৰষুণে নগাঁও জিলাৰ উত্তৰাঞ্চলৰ জুৰীয়া, আলিটাঙনী, দগাঁও, পৰমাইভেটি, কালিয়াডিঙা, তেলিয়া বেবেজীয়া, ডুমডুমীয়া, মেলেকাডিং আদি অঞ্চলত বিস্তৰ ক্ষতিসাধন কৰে। বিয়লি পাঁচ বজাত অহা ধুমুহাজাকে জুৰীয়া আৰক্ষী থানাৰ গছ-গছনি ছিঙি-ভাঙি মাটিত পেলায়। তীব্ৰ বেগত অহা ধুমুহাৰ ফলত জুৰীয়া প্ৰেছ ক্লাবৰ গৃহটো সম্পূৰ্ণৰূপে উৰুৱাই নিয়ে । লগতে বৃহত্তৰ অঞ্চলত বিস্তৰ ক্ষতিসাধন হয়। অঞ্চলটোৰ বহু গছ-গছনি, ঘৰ-দুৱাৰ আদি উভালি পৰে। আনকি, মেলেকাডিঙত এজন লোকৰ পকী ঘৰো খহি পৰে যদিও কোনো লোকৰ ক্ষতিসাধন হোৱা নাই।

## চিৰাঙৰ শান্তিপুৰত পাঁচ শতাধিকক আঠকোটি টকাৰ কেচিচি



অগ্ৰদূত বাৰ্তা,


**কাজলগাঁও, ২৬ মাৰ্চ ঃ** চিৰাঙৰ ভাৰত-ভূটান সীমান্তৰ শান্তিপুৰত এপেক্স বেংকৰ উদ্যোগত কালি কিষাণ ক্ৰেডিট কাৰ্ডৰ ঋণ বিতৰণ অনুষ্ঠান সম্পন্ন হয়। এপেক্স বেংকৰ কোকৰাঝাৰ শাখাৰ উদ্যোগত আৰু ৰাজ্যৰ ভিতৰত অন্যতম সফল সমবায় সমিতি হিচাপে চিহ্নিত ঋণীখাতা-শান্তিপুৰ সমবায় সমিতি লিমিটেডৰ সহযোগত চিৰাঙৰ ভাৰত-ভূটান সীমান্তৰ শান্তিপুৰত পাঁচ শতাধিক কৃষকৰ মাজত হালধি খেতিৰ বাবে কিষাণ ক্ৰেডিট কাৰ্ড প্ৰদান কৰা হয়। উক্ত অনুষ্ঠানত ৫৬০ গৰাকী হিতাধিকাৰী কৃষকৰ মাজত এপেক্স বেংক, কোকৰাঝাৰ শাখাৰ পৰা আঠকোটি টকাৰ কিষাণ ক্ৰেডিট কাৰ্ডৰ প্ৰমাণপত্ৰ বিতৰণ কৰা হয়। ঋণীখাতা-শান্তিপুৰ সমবায় সমিতি লিমিটেডৰ সচিব দাহালে সদৰী কৰা মতে, ভাৰত-ভূটান সীমান্ত অঞ্চলৰ খেতিয়ক সকলে হালধি খেতি কৰি আহিছে । কাৰণ এই অঞ্চলৰ ভূমি হালধি খেতিৰ কাৰণে যথেষ্ট উপযোগী আৰু তাৰ প্ৰতি লক্ষ্য ৰাখি হালধি খেতি অধিক হাৰত উৎপাদন বৃদ্ধি কৰি খেতিয়কসকলে আৰ্থিক দিশত লাভান্বিত হয় তাৰ লক্ষ্যৰেই এপেক্স বেংক, কোকৰাঝাৰ শাখাৰ পৰা এইবেলি ৫৬০ গৰাকী খেতিয়কক কিষাণ ক্ৰেডিট কাৰ্ডৰ ঋণ প্ৰদান কৰা হৈছে ।এই কৃষি ঋণ বিতৰণ অনুষ্ঠানত মুখ্য অতিথিৰূপে উপস্থিত থাকে জিলা উপায়ুক্ত নৰেন্দ্ৰ কুমাৰ শ্বাহ, এপেক্স বেংকৰ মহাপ্ৰবন্ধক কমল চক্ৰৱৰ্তী, উপ-মহাপ্ৰবন্ধক দিলীপ কুমাৰ ঘোষ উপস্থিত থাকি হিতাধিকাৰীসকলৰ মাজত কিষাণ ক্ৰেডিট কাৰ্ডৰ প্ৰমাণপত্ৰ প্ৰদান কৰে । কালিৰ এই অনুষ্ঠানত বিশিষ্ট অতিথিৰূপে উপস্থিত থাকে চিৰাঙৰ জিলা সমবায় উপ-পঞ্জীয়ক কহিনুৰ নাৰ্জাৰী, নাবাৰ্ডৰ বঙাইগাঁও-চিৰাঙৰ জিলা উন্নয়ন বিষয়া অৰুণ কুমাৰ দেউৰী, এপেক্স বেংকৰ কোকৰাঝাৰ শাখা প্ৰবন্ধক আদিত্য ভূএঃা আদি অন্যান্য আমন্ত্ৰিত অতিথিৰূপে উপস্থিত থাকে । উক্ত অনুষ্ঠানত উপস্থিত থাকি জিলা উপায়ুক্ত নৰেন্দ্ৰ কুমাৰ শ্বাহে কয় যে ভূটান সীমান্ত বন্ধ থকাৰ বাবে শ্ৰমজীৱী লোকসকলে অসুবিধাৰ সন্মুখীন হ'বলগীয়া হৈছে। যাৰ বাবে দৰিদ্ৰ লোকসকল কামৰ তাগিদাত মানৱ সৰবৰাহকাৰীৰ কৱলত পৰাত অসম চৰকাৰৰ নিৰ্দেশনা অনুসৰি সীমান্ত অঞ্চলৰ লোকসকলক স্বাৱলম্বী কৰিবলৈ চৰকাৰে বিভিন্ন আঁচনি গ্ৰহণ কৰিছে। এই কিষাণ ক্ৰেডিট কাৰ্ড বিতৰণো ইয়াৰ অংশ বুলি কয় উপায়ুক্ত শ্বাহে। তেওঁ লগতে কৃষকসকলক এই ক্ষেত্ৰত মনোযোগেৰে নিজৰ কৃষি কৰ্মত নিয়োজিত হোৱাৰ আহ্বান জনায়।



নামতোলাত আৰক্ষী প্ৰশাসনৰ উদ্যোগত ড্ৰাগছ সজাগতা সভা, দেওবাৰে।

## শিক্ষাবিদ বাণীকান্ত চক্ৰৱৰ্তীৰ বিয়োগ

**বৰমা, ২৭ মাৰ্চ ঃ** বৰমা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ, শিক্ষাবিদ, সমাজকৰ্মী বাণীকান্ত চক্ৰৱৰ্তী (৭৬)ৰ কালি পুৱা নলবাৰীৰ এখন চিকিৎসালয়ত মৃত্যু হয়। বিগত কিছুদিন ধৰি চক্ৰৱৰ্তী নলবাৰীৰ বৰকুৰাৰ ঘৰত অসুস্থ হৈ আছিল আৰু যোৱা ২৫ মাৰ্চত তেওঁক চিকিৎসালয়ত ভৰ্তি কৰা হৈছিল যদিও কালি মৃত্যু হয়। তেওঁৰ নশ্বৰদেহ কৰ্মস্থলী বৰমা উচ্চতৰ মাধ্যমিক বিদ্যালয়লৈ আনি শেষশ্ৰদ্ধা জনোৱা হয়। অৱসৰৰ পাছত চক্ৰৱৰ্তীয়ে নলবাৰী বৰকুৰাৰ বহু সামাজিক অনুষ্ঠানৰ লগত জড়িত হৈ পৰিছিল। তেওঁৰ মৃত্যুত বৰমা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ শিক্ষক গোট, স্কুল পৰিচালনা সমিতি, বৰমা ছোৱালী হাইস্কুল শিক্ষক গোট, বৰমা আঞ্চলিক জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ, অৱসৰপ্ৰাপ্ত অধ্যক্ষ গদাধৰ বড়ো, বিদ্যাসাগৰ ৰামচিয়াৰী, বৰমা আঞ্চলিক ৰঙালী বিহু সন্মিলন, বৰমা আঞ্চলিক ছাত্ৰ সন্থা, বৰমা সাহিত্য সভা, বাস্কা প্ৰেছ ক্লাব আদিয়ে শোক প্ৰকাশ কৰিছে। মৃত্যুৰ সময়ত তিনিজন পুত্ৰ আৰু একমাত্ৰ কন্যাক এৰি যায়।



## চাপৰ চক্ৰ প্ৰাথমিক শিক্ষক সন্মিলনীৰ নতুন কাৰ্যনিৰ্বাহকৰ শপত গ্ৰহণ অনুষ্ঠান সম্পন্ন

অগ্ৰদূত বাৰ্তা

**বহলপুৰ, ২৭ মাৰ্চ ঃ** অসম ৰাজ্যিক প্ৰাথমিক শিক্ষক সন্মিলনীৰ অন্তৰ্ভুক্ত চাপৰ চক্ৰ প্ৰাথমিক শিক্ষক সন্মিলনীৰ নৱনিৰ্বাচিত কাৰ্যনিৰ্বাহক সমিতিখনৰ কালি শপত গ্ৰহণ অনুষ্ঠান সম্পন্ন হয়। ১১৫১ নম্বৰ চাপৰ নিম্ন বুনিয়াদী বিদ্যালয়ত কালি দুপৰীয়া ১২ বজাত অনুষ্ঠিত এই শপতগ্ৰহণ অনুষ্ঠানত চাপৰ চক্ৰ প্ৰাথমিক শিক্ষক সন্মিলনীৰ সভাপতি আব্দুল হাসেম আৰু সম্পাদক আব্দুল মালেক উপস্থিত থাকি আগন্তুক দ্বি-বাৰ্ষিক কাৰ্যকালৰ বাবে সন্মিলনীৰ সংবিধান আৰু নীতি-আদৰ্শ মানি চলাৰ শপত বাক্য পাঠ কৰে। বিলাসীপাৰা জিলা প্ৰাথমিক শিক্ষক সন্মিলনীৰ সভাপতি আব্দুল্লা শ্বেখে বিষয়ববীয়াসকলক পাঠ কৰোৱা এই কাৰ্যসূচীৰ চাপৰ চক্ৰ প্ৰাথমিক শিক্ষক সন্মিলনীত অধীনস্থ সকলো কেন্দ্ৰ সমিতিৰ সদস্য-সদস্যাসকলেও অংশগ্ৰহণ কৰি শপত বাক্য পাঠ কৰি কাৰ্যভাৰ গ্ৰহণ কৰে। অনুষ্ঠানৰ সামৰণিত সন্মিলনীৰ জিলা সভাপতি আব্দুলা শ্বেখে নৱনিৰ্বাচিত সকলোবোৰ সদস্য-সদস্যাক শিক্ষকতা বৃত্তিৰ দায়িত্ব, কৰ্তব্য আৰু পৱিত্ৰতা ৰক্ষা কৰি সাংগঠনিক কাম-কাজ আগবঢ়াই নিয়াৰ বাবে আহ্বান জনায়।

## হেকৰা আঞ্চলিক ৰঙালী বিহু সন্মিলনৰ প্ৰস্তুতি

**আলোপতি, ২৭ মাৰ্চ ঃ** আন আন বছৰৰ দৰে এইবাৰো কামৰূপ জিলাৰ বকো সমষ্টিৰ অন্তৰ্গত হেকৰাত অহা এক, দুই আৰু তিনি ব'হাগত বৰ্ণাঢ্য সাংস্কৃতিক কাৰ্যসূচীৰে আঞ্চলিকভিত্তিত অসমীয়াৰ বাপতি সাহোন ৰঙালী বিহুটি উদ্‌যাপনৰ প্ৰস্তুতি চলিছে। হেকৰাৰ মিলনপুৰ বজাৰ চৌহদৰ স্থায়ী বিহুতলীত অনুষ্ঠিত হ'বলগীয়া ৪৩ সংখ্যক ৰঙালী বিহু সন্মিলন উপলক্ষে ইতিমধ্যে খলিল উদ্দিন আহমেদক সভাপতি, নৱ কুমাৰ বিশ্বাসক কাৰ্যকৰী সভাপতি, বসন্ত কলিতা আৰু নিৰঞ্জন ঠাকুৰীয়াক যুটীয়া সম্পাদক, কোকিল কলিতা, জিতু কলিতা আৰু উৎপল প্ৰমানিকক সহকাৰী সম্পাদকৰূপে লৈ হেকৰা আঞ্চলিক ৰঙালী বিহু সন্মিলনৰ বাবে এখন উদ্‌যাপন সমিতি গঠন কৰা হৈছে। উদ্‌যাপন সমিতিয়ে চৰকাৰী নীতি-নিৰ্দেশনাৰ আধাৰত অনুষ্ঠিত হ'বলগীয়া ৰঙালী বিহু সন্মিলনৰ সমূহ কাৰ্যসূচীত ৰাইজৰ উপস্থিতি আৰু সহায়-সহযোগিতা আন্তৰিকতাৰে কামনা কৰিছে।

## অৱসৰপ্ৰাপ্ত শিক্ষকক সম্বৰ্ধনা

অগ্ৰদূত বাৰ্তা

**হোজাই, ২৭ মাৰ্চ ঃ** হোজাইৰ লংকা শিক্ষা খণ্ডৰ অন্তৰ্গত অকচেক ৰুহিনী পথাৰ প্ৰাথমিক বিদ্যালয়ত কালি বিদায় সম্বৰ্ধনা অনুষ্ঠিত হয়। এই উপলক্ষে পুৱা ন বজাত পতাকা উত্তোলন কৰে বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি মইনুল হকে। বিদ্যালয়খনৰ বৰ্তমানৰ প্ৰধান শিক্ষক মফিজুৰ ৰহমানে স্বচ্ছতা অভিযানৰ আৰম্ভণি কৰে। স্বচ্ছতা অভিযান কাৰ্যসূচীৰক অন্তত ১০.১৫ বজাৰ পৰা ছাত্ৰ-ছাত্ৰীৰ মাজত আৰম্ভ হয় গীত-মাত আৰু কবিতা আবৃত্তি। দিনৰ ১১ বজাত অনুষ্ঠিত মুকলি সভাত সভাপতিত্ব কৰে সমাজসেৱী তাজ উদ্দিন আহমেদে। সভাখনৰ উদ্দেশ্য ব্যাখ্যা কৰে অকচেক-বৰবালি শিক্ষা সমল কেন্দ্ৰৰ সম্পাদক শিক্ষক নুৰুল ইছলামে। উক্ত সভাত মুখ্য অতিথি হিচাপে যোগীজান শিক্ষা খণ্ডৰ প্ৰাক্তন খণ্ড প্ৰাথমিক শিক্ষা বিষয়া হুছেইন আহমেদ, অৱসৰপ্ৰাপ্ত শিক্ষক ফয়জুল ইছলাম, বৰবালি মধ্য ইংৰাজী বিদ্যালয়ৰ প্ৰধান শিক্ষক আব্দুল মালিক, অকচেক পথাৰ গাঁও পঞ্চায়তৰ সভাপতি খাইৰুল ইছলাম, আঞ্চলিক পঞ্চায়তৰ সদস্যা ইয়াচমিনা বেগমে বক্তব্য আগবঢ়ায়। উক্ত অনুষ্ঠানতে যমুনাপৰীয়া শাখা সাহিত্য সভাৰ হৈ সম্পাদক ছাদিকুজ জামান, মোৱাঝাৰ আঞ্চলিক কৰ্মচাৰী পৰিষদৰ হৈ সাধাৰণ সম্পাদক মুশ্বাৰফ আলী বৰভূঞা আদি কৰি ছাত্ৰ-ছাত্ৰী, অভিভাৱক আৰু স্থানীয় দল-সংগঠনে অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক আব্দুল কালামক গামোচা, মানপত্ৰ, জাপি, শৰাই, গ্ৰন্থ, ছাতি, লাখুটি, চাদৰ ইত্যাদি সামগ্ৰীৰে সম্বৰ্ধনা জনায়।

# যোৰহাটত লুপ্তপ্ৰায় সংস্থাৰ ভূমি দখল

■ চৰকাৰীভাৱে সংৰক্ষণৰ দাবী যুৱ-ছাত্ৰ পৰিষদৰ

ষ্টাফ ৰিপ'ৰ্টাৰ

**যোৰহাট, ২৭ মাৰ্চ ঃ** মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই ভূ-মাফিয়া আৰু দালাল চক্ৰৰ বিৰুদ্ধে কঠোৰ শাস্তিৰ ব্যৱস্থা কৰি দুৰ্নীতি নিৰ্মূল কৰাৰ হুংকাৰ দি আহিছে যদিও যোৰহাটত এতিয়াও হ্ৰাস পোৱা নাই ভূ-মাফিয়াৰ দপদপনি। শেহতীয়াকৈ উত্তৰ-পশ্চিম যোৰহাট ৰাজহ চক্ৰ অঞ্চলত এটা অস্তিত্বহীন সংস্থাৰ নামত থকা ১৫ কঠা ভূমি দখলৰ চক্ৰান্তত নামি পৰিছে এটা শক্তিশালী দালাল চক্ৰ। এই অভিযোগ উত্থাপন কৰিছে জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ যোৰহাট জিলা সমিতিয়ে। অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ যোৰহাট জিলা সমিতিৰ সভাপতি প্ৰণৱজ্যোতি শইকীয়া আৰু সাধাৰণ সম্পাদক বাবু দত্তই কয় যে পশ্চিম যোৰহাট ৰাজহ চক্ৰৰ অন্তৰ্গত চৰাইবাহী মৌজাৰ হেজাৰী গাঁৱৰ এটি ৰোডৰ কাষত অৱস্থিত লুপ্তপ্ৰায় ভৰুকা পাব্লিক ৰেলফেয়াৰ ট্ৰাষ্ট নামত থকা পট্টা নম্বৰ ৭৫৯ দাগ নম্বৰ ২৮, ২৯, ৬১, ১৬৯২, ১৬৯৩ আৰু ১৬৯৫ৰ ১৫ কঠা মাটি মালিকহীনতাৰ সুযোগ গ্ৰহণ কৰি পশ্চিম যোৰহাটৰ এটা ভূ-দালালি চক্ৰ সক্ৰিয় হৈ ভুৱা নথিপত্ৰ ব্যৱহাৰ কৰি উক্ত পট্টাৰ ভূমি বিক্ৰী কৰাৰ কৌশল ৰচনা কৰিছে। এই ক্ষেত্ৰত জিলা প্ৰশাসনে কোনো ধৰণৰ ব্যৱস্থা গ্ৰহণ নকৰাৰ অভিযোগ উঠিছে। আনহাতে, সংশ্লিষ্ট বিভাগৰ একাংশ দুৰ্নীতিগ্ৰস্ত বিষয়া-কৰ্মচাৰীৰ লগত দালালি চক্ৰৰ স'তে মিতিৰালি কৰি উক্ত ভূমি অস্তিত্বহীন ট্ৰাষ্টৰ নামত বিক্ৰীৰ প্ৰস্তুতি চলাইছে বুলি অভিযোগ উত্থাপন কৰিছে পৰিষদে। উল্লেখ্য যে এই ভূমি কেলেংকাৰি সম্পৰ্কত অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ যোৰহাট জিলা সমিতিয়ে জিলা উপায়ুক্তক স্মাৰকপত্ৰ প্ৰদান কৰে আৰু অতি শীঘ্ৰে বিষয়টো তদন্ত কৰি দোষীৰ ওপৰত বিহিত ব্যৱস্থা গ্ৰহণ কৰিবলৈ দাবী জনোৱাৰ লগতে উক্ত ভূমি চৰকাৰীভাৱে সংৰক্ষণ কৰিবলৈ আহ্বান জনাইছে।

## ■ মেৰাপানীৰ ড° ভীমৰাও আম্বেদকাৰ মধ্য ইংৰাজী বিদ্যালয় চৰকাৰীকৰণৰ দাবী

# ৩০ বছৰ ধৰি বিনা বেতনে শিক্ষকতা

**অগ্ৰদূত বাৰ্তা**
**মেৰাপানী, ২৭ মাৰ্চ ঃ** গোলাঘাট জিলাৰ পূৱ শিক্ষা খণ্ডৰ অধীনস্থ মেৰাপানীৰ দুই নম্বৰ শামুক জান আদৰ্শ গাঁৱৰ ড° ভীমৰাও আম্বেদকাৰ মধ্য ইংৰাজী বিদ্যালয়খন প্ৰতিষ্ঠা হোৱা ৩০ বছৰ ধৰি আজি পৰ্যন্ত চৰকাৰীকৰণ নোহোৱাত শিক্ষক-শিক্ষয়িত্ৰীসকল আৰ্থিকভাৱে বাৰুকৈয়ে জুৰুলা হৈ পৰিছে। বিদ্যালয়খনৰ প্ৰধান শিক্ষক অনিল দাসে উল্লেখ কৰা মতে ১৯৯১তে প্ৰতিষ্ঠা হোৱা উক্ত বিদ্যালয়খন চৰকাৰী স্বীকৃতি লাভ কৰাৰ পাছতো আজি পৰ্যন্ত চৰকাৰীকৰণ হোৱা নাই। দীৰ্ঘদিন ধৰি বিনা বেতনে শিক্ষকসকলে ছাত্ৰ-ছাত্ৰীক শিক্ষাদান দি আহিছে। ২০২১ত বিজেপি মিত্ৰজোঁট চৰকাৰে একাংশ বিদ্যালয়ৰ লগতে উক্ত বিদ্যালয়ৰো দুটা পদ প্ৰাদেশিকীকৰণ কৰে। অতি দুখৰ বিষয় যে উক্ত বিদ্যালয়ৰ বিজ্ঞান শিক্ষক আৰু হিন্দী শিক্ষক দুজনৰ পদ প্ৰাদেশিকীকৰণ কৰি ওচৰৰ আন এখন বিদ্যালয়লৈ বদলি কৰি নিয়ে। বঞ্চিত হয় বিদ্যালয়খনৰ আন শিক্ষকসকল। বৰ্তমান বিদ্যালয়খনত ৩৬ জন ছাত্ৰ-ছাত্ৰীৰ বিপৰীতে তিনিজন শিক্ষকে শিক্ষাদান দি আহিছে। বহু আশাৰে তেওঁলোকে আদৰ্শ গাঁওখনৰ বিদ্যালয়খন ধৰি ৰাখিবলৈ চেষ্টা কৰি আহিছে। স্থানীয় গাঁৱৰ ৰাইজে দুই নম্বৰ শামুকজান আদৰ্শ গাঁৱৰ উক্ত বিদ্যালয়খন অতি শীঘ্ৰে চৰকাৰে চৰকাৰীকৰণ কৰি ছাত্ৰ-ছাত্ৰীসকলৰ শৈক্ষিক পৰিৱেশ অটুট ৰখাৰ লগতে বিনাবেতনে শিক্ষাদান কৰা শিক্ষকসকলৰ আৰ্থিক দিশ সৱল কৰি তুলিবলৈ চৰকাৰক আহ্বান জনাইছে।


মুখ্য সচিব জিষ্ণু বৰুৱাৰ চৰাইদেউ ময়দান পৰিদৰ্শন, দেওবাৰে।

## মধুপুৰ শ্মশানৰ পৰিত্যক্ত ভূমিত উদ্যান স্থাপনৰ পৰিকল্পনা



**বিশেষ সংবাদদাতা**
**নগাঁও, ২৭ মাৰ্চ ঃ** নগাঁও চহৰৰ সমীপৰ খাগৰিজান মহাবিদ্যালয়ৰ সন্মুখৰ আৰু মধুপুৰ শ্মশানৰ কাষৰ খালী ভূমিত মাটি পেলাই পৰিপূৰ্ণ কৰা আৰু চাৰিসীমাৰ পকীবেৰ দিয়া কামৰ কালি আধাৰশিলা স্থাপন কৰে নগাঁও সদৰ সমষ্টিৰ বিধায়ক ৰূপক শৰ্মাই । ডাকৰঘাট গাঁও পঞ্চায়তৰ অধীনত এম জি এনৰেগা আঁচনিৰ জৰিয়তে হ'বলগীয়া মাটি পৰিপূৰ্ণ আৰু চাৰিসীমাৰ বেৰৰ কামৰ আধাৰশিলা স্থাপন কৰি বিধায়কজনে কয় যে মধুপুৰ শ্মশানৰ কাষৰ দ ভূমিত মাটি পেলাই ওখ কৰি উক্ত স্থানত এখন আটকধুনীয়া উদ্যান নিৰ্মাণৰ পৰিকল্পনা কৰা হৈছে। সেই উদ্দেশ্যেৰে কালি মাটি পৰিপূৰ্ণ আৰু চাৰিসীমাৰ বেৰ নিৰ্মাণৰ কামৰ আধাৰশিলা স্থাপন কৰা হৈছে। উক্ত স্থানত নিৰ্মাণ হবলগীয়া উদ্যানখনৰ জৰিয়তে নগাঁওবাসী ৰাইজ উপকৃত হ'ব বুলি বিধায়কজনে আশা প্ৰকাশ কৰে। আজি আধাৰশিলা অনুষ্ঠানত পাখিমৰীয়া উন্নয়ন খণ্ডৰ খণ্ড উন্নয়ন বিষয়া দীনেশ পেগু, খাগৰিজান মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ৰমেশ নাথ প্ৰমুখ্যে পঞ্চায়তৰ সদস্যসকল আৰু স্থানীয় ৰাইজ উপস্থিত থাকে।

## গোৱালপাৰা মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ মিলন সমাৰোহ সম্পন্ন



**অগ্ৰদূত বাৰ্তা**
**মাটিয়া, ২৭ মাৰ্চ ঃ** গোৱালপাৰা মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলৰ কালি মিলন সমাৰোহ অনুষ্ঠিত হয়। ইংৰাজী বিভাগৰ উদ্যোগত অনুষ্ঠিত মিলন সমাৰোহ কাৰ্যসূচী অনুসৰি পুৱা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° সুভাষ বৰ্মনে পতাকা উত্তোলন আৰু ছহিদ তৰ্পণ কৰাৰ পাছতে প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলৰ নাম পঞ্জীয়ন কৰা হয়। উক্ত কাৰ্যসূচীৰ স'তে সংগতি ৰাখি মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত মুকলি সভাত বন্তি প্ৰজ্বলন কৰাৰ লগতে আদৰণি ভাষণ দিয়ে ইংৰাজী বিভাগৰ মুৰব্বী অধ্যাপিকা লনী বৰুৱাই। প্ৰাক্তন ছাত্ৰ মকিবুৰ ৰহমান আৰু বৰ্তমান অধ্যয়নৰত ছাত্ৰী বিপাশা কলিতাই যুটীয়াভাৱে আঁত ধৰা সভাখনত সন্মানীয় অতিথিৰূপে উপস্থিত থাকি মহাবিদ্যালয়খনৰ ইংৰাজী বিভাগৰ প্ৰাক্তন মুৰব্বী অধ্যাপক দেৱান জয়নাল আবেদিনে স্মৃতি ৰোমন্থন কৰে। ভালে সংখ্যক প্ৰাক্তন ছাত্ৰ-ছাত্ৰী উপস্থিত থকা সভাখনত প্ৰাক্তন অধ্যাপিকা মঞ্জুশ্ৰী দেৱী আৰু কল্পনা দাসৰ উপৰি মিলন সমাৰোহ সমিতিৰ সভাপতি পাৰ্থপ্ৰতিম পাটগিৰি প্ৰমুখ্যে কে'বাগৰাকী ব্যক্তিয়ে অতীতক ৰোমন্থন কৰি বক্তব্য প্ৰদান কৰে। উল্লেখ্য যে মুকলি সভাৰ আৰম্ভণিৰ পূৰ্বেই মহাবিদ্যালয়খনৰ ইংৰাজী বিভাগৰ অধ্যাপক তথা প্ৰাক্তন ছাত্ৰ আৰু মিলন সমাৰোহ আয়োজনৰ মূল উদ্যোক্তা মজবুল হক চৌধুৰীয়ে সমাৰোহৰ আয়োজনৰ লক্ষ্য আৰু উদ্দেশ্য সন্দৰ্ভত ভাষণ প্ৰদান কৰে। উক্ত সভাত মুখ্য অতিথিৰূপে উপস্থিত থাকি অতিৰিক্ত আৰক্ষী সঞ্চালক প্ৰধান হীৰেণ নাথে স্মৃতিগ্ৰন্থ উন্মোচন কৰে। সভাখনত প্ৰাক্তন ছাত্ৰ-ছাত্ৰী আৰু অধ্যাপকসকলৰ স'তে মতবিনিময় অনুষ্ঠান অনুষ্ঠিত হোৱাৰ পাছত আবেলি প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলৰ এখন প্ৰতিনিধি সভা অনুষ্ঠিত হয়।

## ৰঙিয়াৰ ৰণদিয়া সাহিত্য সভাৰ সাহিত্য দিৱস পালন

**অগ্ৰদূত বাৰ্তা**
**ৰঙিয়া ২৭ মাৰ্চ ঃ** আন আন বছৰৰ দৰে এই বছৰো ৰঙিয়াৰ 'ৰণদিয়া' সাহিত্য সভাৰ উদ্যোগত মিলনপুৰত দিনজোৰা কাৰ্যসূচীৰে সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাৰ মৃত্যু তিথি 'সাহিত্য দিৱস' হিচাপে পালন কৰা হয়। 'ৰণদিয়া সাহিত্য সভা'ৰ সম্পাদক হেমন্ত কলিতাই আঁত ধৰা অনুষ্ঠানটোৰ আৰম্ভণিতে ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱাৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰা হয়। প্ৰজ্বলন কৰে ৰণদিয়া সাহিত্য সভাৰ সভাপতি প্ৰতুল ভূঞাই। ইয়াৰ পাছতেই প্ৰথিতযশা সাহিত্যিক গৰাকীক পুষ্পাঞ্জলি অৰ্পণ কৰি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হয়। এই কাৰ্যসূচীত শাখাৰ সভ্য সকলৰ উপৰি উপস্থিত ৰাইজে অংশগ্ৰহণ কৰে। অনুষ্ঠানত ৰসৰাজৰ জীৱন আদৰ্শ আৰু সাহিত্যৰ ওপৰত বিভিন্ন দিশ সাঙুৰি আলোকপাত কৰে ক্ৰমে ৰঙিয়াৰ বিশিষ্ট অধিবক্তা মুনীন্দ্ৰ শৰ্মা, ভূপেন্দ্ৰ লহকৰ, প্ৰতুল ভূঞা, জয়ন্ত জিত কলিতা, উজ্জ্বল ডেকা, বিমলা দেৱী, ডিম্বেশ্বৰ কলিতা আৰু সম্পাদক হেমন্ত কলিতাই। অনুষ্ঠানৰ লগত সংগতি ৰাখি কে'বাগৰাকী সভ্যক সাহিত্য সভাৰ আজীৱন সভ্যৰ প্ৰমাণপত্ৰ প্ৰদান কৰা হয়।

## গোৰেশ্বৰত আনন্দৰাম বৰুৱা বিদ্যাপীঠৰ উদ্বোধন

**অগ্ৰদূত বাৰ্তা**
**গোৰেশ্বৰ, ২৭ মাৰ্চ ঃ** তামুলপুৰ জিলাৰ গোৰেশ্বৰৰ সৰুফুল চকীত কেঁবাগৰাকীমান শিক্ষানুৰাগী ব্যক্তিৰ প্ৰচেষ্টাত পাঠশালাৰ আনন্দৰাম বৰুৱা একাডেমীৰ আৰ্হিত গোৰেশ্বৰ আনন্দৰাম বৰুৱা বিদ্যাপীঠ নামৰ শিক্ষানুষ্ঠানৰ আৰম্ভ কৰা হয়। কালি বিদ্যালয় চৌহদত দিনজোৰা বৰ্ণাঢ্য কাৰ্যসুচীৰে আয়োজিত কৰা হয় এই আৰম্ভণি অনুষ্ঠানৰ। বিদ্যালয়খনৰ আৰম্ভণি অনুষ্ঠানৰ লগত সংগতি ৰাখি গোৰেশ্বৰ আনন্দৰাম বৰুৱা বিদ্যাপীঠৰ মুখ্যদ্বাৰ উন্মোচন কৰাৰ পাছতে পতাকা উত্তোলন, বৃক্ষৰোপণ অনুষ্ঠিত হয়। পাছত গোৰেশ্বৰ আনন্দৰাম বৰুৱা বিদ্যাপীঠৰ পৰা গোৰেশ্বৰ বাইহাটা চাৰিআলিৰ ৰাজপথত এক বাৰেৰহণীয়া শোভাযাত্ৰা উলিওৱা হয়। উক্ত বাৰেৰহণীয়া শোভযাত্ৰা উদ্বোধন কৰে গোৰেশ্বৰ থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া মৃদুল হাজৰিকাই। ইপিনে, শোভাযাত্ৰাৰ অন্তত আবেলি এখন সভা অনুষ্ঠিত হয়। বিদ্যালয়খনৰ অধ্যক্ষ ড° বাবুল চৌধুৰীৰ সভাপতিত্বত অনুষ্ঠিত সভাত নাওকাটা মিলন উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত বিষয় শিক্ষক মাধৱ চন্দ্ৰ কলিতা, অৱসৰপ্ৰাপ্ত কৃতী শিক্ষয়িত্ৰী গোলাপলতা গোস্বামীকে ধৰি কেঁবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে । আনহাতে, অনুষ্ঠানৰ অন্তত বিদ্যালয়খনৰ শিক্ষয়িত্ৰী ডেইজী শৰণীয়া আঁত ধৰা সাংস্কৃতিক অনুষ্ঠানত আমাৰ ভূপেন দা চিজন-৬ বিজয়ী কৃতিকা নাথ আৰু গ্লোৱেল কালচাৰ ফেষ্ট-চৰৰ বিজয়ী ৰ'দৰী বসুমতাৰীৰ সংগীতানুষ্ঠানেৰে সামৰণি পৰে অনুষ্ঠানৰ।

## হাউলীৰ বিভিন্ন গাঁৱৰ নামঘৰ পৰিদৰ্শন বৰনগৰ ৰাজহ চক্ৰ বিষয়াৰ

**অগ্ৰদূত বাৰ্তা**
**হাউলী, ২৭ মাৰ্চ ঃ** ৰাজ্যৰ নামঘৰসমূহত অসম চৰকাৰে অসম দৰ্শন আঁচনিৰ জৰিয়তে প্ৰদান কৰিছে আঢ়ৈ লাখকৈ টকা। এই আঁচনিৰ আঢ়ৈ লাখ টকাৰ পৰা ইতিমধ্যে নামঘৰসমূহলৈ চৰকাৰে দুই লাখ টকা প্ৰদান কৰিছে। চৰকাৰে জিলা উপায়ুক্তৰ জৰিয়তে ইতিমধ্যে নামঘৰসমূহলৈ প্ৰদান কৰা দুইলাখ টকাৰে ৰাজ্যৰ নামঘৰসমূহৰ সমিতিসমূহে কি কি কাম কৰিছে তাৰ খতিয়ান ল'বলৈ গাঁৱে গাঁৱে নামঘৰ পৰিদৰ্শন কৰিছে ৰাজহ চক্ৰ বিষয়াসকলে। একে উদ্দেশ্যেৰে কালি বৰনগৰ ৰাজহ চক্ৰ বিষয়া পাৰ্থপ্ৰতিম খনিকৰে হাউলী মৌজাৰ অন্তৰ্গত কে'বাখনো গাঁৱৰ নামঘৰ পৰিদৰ্শন কৰে। চক্ৰ বিষয়া খনিকৰে মৌজাৰ অন্তৰ্গত হাউলীগাঁও, হালাপাকুৰী, মৌটুপুৰী, বেন্নীবাৰী, খাটালপাৰা আৰু গণককুছিত গাঁৱৰ কে'বাটাও নামঘৰ পৰিদৰ্শন কৰি চৰকাৰে প্ৰদান কৰা টকা সঠিকভাৱে ৰূপায়ণ হোৱা বুলি মন্তব্য কৰে। তদুপৰি আঁচনিৰ জৰিয়তে নামঘৰসমূহে লাভ কৰিবলৈ বাকী থকা ৫০ হেজাৰকৈ টকা অতি শীঘ্ৰে লাভ কৰিব বুলিও সাংবাদিকৰ আগত মন্তব্য কৰে।

## তিতাবৰ খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ বিৰিণাশায়েক এফ এম এম ই স্কুলত স্বাস্থ্যমেলা



**অগ্ৰদূত বাৰ্তা**
**মেলামাটি, ২৭ মাৰ্চ ঃ** তিতাবৰ খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ উদ্যোগত বিৰিণাশায়েক এফ এম মধ্য ইংৰাজী বিদ্যালয়ত আজি দিনজোৰা কাৰ্যসূচীৰে এখন বৃহৎ স্বাস্থ্যমেলা সফলভাৱে সম্পন্ন হয়। তিতাবৰ খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ অধীনৰ ব্লক প্ৰগ্ৰেম মেনেজমেন্টৰ লগতে অংগনৱাড়ী বিষয়া-কৰ্মচাৰী আৰু মেলামাটি ক্ষুদ্ৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ সহযোগত অনুষ্ঠিত স্বাস্থ্যমেলা উদ্বোধনী সভাত সভাপতিত্ব কৰে যোৰহাট জিলাৰ স্বাস্থ্য বিভাগৰ যুটীয়া সঞ্চালক ডাঃ অমিত কুমাৰ শইকীয়াই। তিতাবৰ খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ এছ ডি এম অ' ডাঃ ৰূপাঞ্জলী ফুকনে উদ্দেশ্য ব্যাখ্যা কৰা সভাৰ আঁতধৰে তিতাবৰ স্বাস্থ্য বিভাগৰ অধীনস্থ বি পি এম অজয় কুমাৰ বৰাই। সভাত উপস্থিত বিৰিণাশায়েকৰ ৰাইজক স্বাস্থ্য সজাগতা আৰু চিকিৎসা সেৱা সম্পৰ্কে যুটীয়া স্বাস্থ্য সঞ্চালক ডাঃ অমিত কুমাৰ শইকীয়া, তিতাবৰ প্ৰেছ ক্লাবৰ সভাপতি বিমান শইকীয়া, বিৰিণাশায়েক গাঁও পঞ্চায়তৰ সভাপতি অজিত গগৈ, বিদ্যালয়খনৰ প্ৰধান শিক্ষক ৰঞ্জন জ্যোতি মহন্তই উপস্থিত ছাত্ৰ-ছাত্ৰী শিক্ষক-শিক্ষয়িত্ৰী আৰু ৰাইজক সম্প্ৰতি দেখা দিয়া বিভিন্ন ৰোগৰ ক্ষেত্ৰত ল'ব লগা সাৱধানতাৰ প্ৰসংগত আৰু স্বাস্থ্য মেলাত বিভিন্ন বিভাগৰ চিকিৎসক সকলৰ পৰা স্বাস্থ্য সেৱা গ্ৰহণ কৰিবলৈ ব্যৱস্থা কৰাৰ কথা অৱগত কৰা হয়। তিতাবৰ প্ৰেছ ক্লাবৰ সভাপতি বিমান শইকীয়াই বন্তি প্ৰজ্বলন কৰাৰ পাছতে স্বাস্থ্য বিভাগৰ যুটীয়া সঞ্চালক ডাঃ অমিত কুমাৰ শইকীয়াই ফিটা কাটি স্বাস্থ্য মেলা আনুষ্ঠানিকভাৱে উদ্বোধন কৰে। স্বাস্থ্য মেলাত মেডিচিন বিভাগৰ ডাঃ ৰাজীৱ বৰুৱা, ডাঃ বাবুল মৰাং, শিশু চিকিৎসা বিভাগৰ ডাঃ ইন্দু শইকীয়া, দন্ত চিকিৎসা বিভাগৰ ডাঃ অপূৰ্ব শইকীয়া, স্ত্ৰী আৰু প্ৰসূতি বিভাগৰ ডাঃ পিংকি বৰুৱা, কেঞ্চাৰ কেয়াৰ ফাউণ্ডেছনৰ মানসী গোস্বামী, এম এম ইউৰ ডাঃ দাৰুল হক, আৰ বি এছ কে ডাঃ সঞ্জীৱ শৰ্মা, ডাঃ সুকুমাৰ চৰকাৰ, ডাঃ লিপি বৰুৱা, আৰু ডাঃ শিখা গগৈৰ উপৰি বি এ এম ৰিঞ্জু বৰা, বি চি এম শিখা দুৱৰা, বি ডি এম উৎপল বৰা, এবিপিএম বিজিত গোস্বামী আৰু দেৱজিৎ দত্তই ৰোগীসকলক চিকিৎসা সেৱা আগবঢ়ায়। তাৰ উপৰি স্বাস্থ্য বিভাগৰ অধীনস্থ চিকিৎসা কৰ্মী, আশাকৰ্মী, এম পি ডব্লিউ, লেব'ৰেটৰী টেকনিচিয়ান, অংগনৱাড়ী কৰ্মীসকলে আৰু বিদ্যালয়খনৰ শিক্ষক-কৰ্মচাৰীসকলে স্বাস্থ্য মেলাত সহযোগ কৰে। স্বাস্থ্য মেলাৰ লগত সংগতি ৰাখি আশাকৰ্মীসকলে আৰু অংগনৱাড়ী কৰ্মীসকলে দুখন প্ৰদৰ্শনী স্থান প্ৰদৰ্শন কৰে। তিতাবৰ খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ এনে পদক্ষেপক অঞ্চলটোৰ ৰাইজে ভূয়সী প্ৰশংসা কৰিছে। স্বাস্থ্য মেলাত বিভিন্ন বিভাগৰ চিকিৎসকসকলে মুঠ ৩৯৬ ৰোগীৰ স্বাস্থ্য পৰীক্ষা আৰু চিকিৎসা সেৱা আগবঢ়ায়।

## বালিসত্ৰ সংস্কৃতি সুৰক্ষা মঞ্চৰ উদ্যোগত দ্বিতীয় বাৰ্ষিক বিহু কৰ্মশালাৰ আৰম্ভ



**অগ্ৰদূত বাৰ্তা**
**কনিহা, ২৭ মাৰ্চ ঃ** ৰঙিয়া মহকুমাৰ অন্তৰ্গত বালিসত্ৰৰ গোপীনাথ বৰদলৈ সংঘ প্ৰাংগণত বালিসত্ৰ সংস্কৃতি সুৰক্ষা মঞ্চৰ উদ্যোগত আয়োজন কৰা সাতদিনীয়া বিহু নাচ আৰু ঢোলবাদন কৰ্মশালাৰ কালি আৰম্ভ কৰা হয়। বালিসত্ৰ সংস্কৃতি সুৰক্ষা মঞ্চৰ সভাপতি হেমন্ত গোস্বামীয়ে পতাকা উত্তোলন কৰাৰ পাছতে কৰ্মশালা আৰম্ভ কৰে সদৌ অসম ছাত্ৰ সন্থাৰ সহকাৰী সম্পাদক ধৰ্মেশ্বৰ দাসে। ভাষণ প্ৰসংগত তেওঁ কয় যে পশ্চিমীয়া সংস্কৃতিয়ে অসমীয়া সংস্কৃতিক গ্ৰাস কৰাৰ সময়তে বালিসত্ৰ সংস্কৃতি সুৰক্ষা মঞ্চই বিহুৰ ঐতিহ্য আৰু পৰম্পৰা ৰক্ষাৰ বাবে সাতদিনীয়াকৈ বিহুনাচ আৰু ঢোলবাদন কৰ্মশালা অনুষ্ঠিত কৰি অসমীয়া জাতিৰ স্বাভিমান ৰক্ষাৰ বাবে আদৰণীয়ে পদক্ষেপ গ্ৰহণ কৰিছে। সংস্কৃতি সুৰক্ষা মঞ্চৰ সম্পাদক জগদীশ বৰুৱা আৰু কৰ্মশালা পৰিচালনা সমিতিৰ সভাপতি দিগন্ত কুমাৰে আঁত ধৰা উক্ত অনুষ্ঠানত সংস্কৃতি সুৰক্ষা মঞ্চৰ প্ৰতিষ্ঠাপক সভাপতি প্ৰসন্ন কুমাৰ কলিতা, সম্পাদক সুশীল চন্দ্ৰ ডেকা, মঞ্চৰ কাৰ্যকৰী সভাপতি কৃষ্ণকান্ত দাসে অংশগ্ৰহণ কৰে। কৰ্মশালাৰ মুখ্য প্ৰশিক্ষণ জেউতী মালাকাৰ, ডলী প্ৰভা দাস মালাকাৰ, মানসজ্যোতি বেজবৰুৱা, ৰাজা ডেকা, ৰাজু দাস আৰু টিনামণি মালাকাৰেও অনুষ্ঠানত অংশগ্ৰহণ কৰে।

## দেৰগাঁৱৰ কন্যাসহ মহিলা সন্ধানহীন

**অগ্ৰদূত বাৰ্তা**
**দেৰগাঁও, ২৭ মাৰ্চ ঃ** দেৰগাঁৱৰ উত্তৰ দলিজলীয়া গাঁৱৰ নিৱাসী পুতুকন দাসৰ বৰ জীয়ৰী চুমি দাস (২৬)কন্যা নিশিতা দাস (আঠ) যোৱা ২১ মাৰ্চৰ পৰা সন্ধানহীন হৈ আছে। পৰিয়ালৰ লোকে উল্লেখ কৰা মতে, শহুৰেকৰ ঘৰে খবৰ লোৱাত মহিলগৰাকী মাতৃগৃহ নোপোৱাত চিন্তিত হৈ পৰে দুয়োটা পৰিয়াল। আজি পৰ্যন্ত মহিলাগৰাকীৰ সন্ধান লাভ নকৰাত পৰিয়ালবৰ্গই চিন্তিত হৈ পৰিছে। আনহাতে, দেৰগাঁও আৰক্ষী চকীত এজাহাৰ দাখিল কৰিছে ভুক্তভোগী পৰিয়ালটোৱে। বৰ্তমানেও কোনো ধৰণৰ সন্ধান উলিয়াব পৰা নাই।

## ৰাজগড়ত আৰ্যভট্ট বিজ্ঞানভিত্তিক প্ৰতিযোগিতা সম্পন্ন

### ছাত্ৰ-ছাত্ৰীক মানপত্ৰ, কিতাপৰ টোপোলা, নগদ ধনেৰে পুৰস্কৃত

**অগ্ৰদূত বাৰ্তা**
**ৰাজগড়, ২৭ মাৰ্চ ঃ** আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰ টিংখাং খণ্ডৰ উদ্যোগত বিদ্যা নিকেতন ৰাজগড়ত ছাত্ৰ-ছাত্ৰীসকলৰ মাজত এক বিজ্ঞানভিত্তিক প্ৰতিযোগিতা অনুষ্ঠিত হয়। প্ৰতিযোগিতাত টিংখাং সমষ্টিৰ ভালেকেইখন বিদ্যালয়ৰ বহুসংখ্যক ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে। কাৰ্যসূচী অনুসৰি বিজ্ঞানভিত্তিক আৰ্হি প্ৰস্তুতকৰণ প্ৰতিযোগিতাত বৈদ্যুতিক চালনীৰ আৰ্হি প্ৰস্তুত কৰি প্ৰথম স্থান লাভ কৰে বিদ্যা নিকেতন, ৰাজগড়ৰ নৱম শ্ৰেণীৰ ছাত্ৰদ্বয় নীতিশ কুমাৰ খনিকৰ আৰু গৌৰীশংকৰ ওজাই। আউটডোৰ এয়াৰ পিউৰিফায়াৰৰ আৰ্হি প্ৰস্তুত কৰি দ্বিতীয় স্থান লাভ কৰে ৰাজগড় উচ্চতৰ মাধ্যমিকৰ ছাত্ৰদ্বয় যদুমণি বৰা আৰু শংকৰ কুমাৰে । উল্লেখ্য যে ২১ মাৰ্চত অনুষ্ঠিত উক্ত প্ৰতিযোগিতাত ৰাজগড়ৰ এখন ব্যক্তিগত ক'চিং চেণ্টাৰ 'আনিছ ছাৰৰ পৃথিৱী'ৰ পৰা প্ৰথমবাৰৰ বাবে অংশগ্ৰহণেৰে বৰষুণৰ পানী সংৰক্ষণৰ আৰ্হি প্ৰস্তুত কৰি ৰাজগড় একাডেমিক চেণ্টাৰৰ নৱম শ্ৰেণীৰ ছাত্ৰী ক্ৰমে গাৰ্গী পাল, ৰিফাত আনিছ তচনীম আৰু প্ৰান্তিকা ভট্টচাৰ্যীয়ে তৃতীয় স্থান লাভ কৰে। আকস্মিক বক্তৃতা প্ৰতিযোগিতাত প্ৰথম স্থান লাভ কৰে নীলমণি আদৰ্শ জাতীয় বিদ্যালয়ৰ ছাত্ৰ বৰ্ণিল বিকাশ শইকীয়া আৰু দ্বিতীয় স্থান লাভ কৰে বিদ্যা নিকেতনৰ ছাত্ৰ ঐশ্বান্য ঐশ্বৰ্য চাংমাই আৰু তৃতীয় স্থান লাভ কৰে ৰাজগড় একাডেমিক চেণ্টাৰৰ ছাত্ৰী প্ৰান্তিকা ভট্টচাৰ্যীয়ে। বিজ্ঞানভিত্তিক পোষ্টাৰ অংকন প্ৰতিযোগিতাত প্ৰথম স্থান লাভ কৰে বিদ্যা নিকেতনৰ ঋষিকেশ বৰুৱা, দ্বিতীয় অৰুণিমা পাব্লিক স্কুলৰ অংকুৰজ্যোতি বৰা আৰু তৃতীয় স্থান লাভ কৰে বিদ্যা নিকেতনৰ সপোন সৌৰভী বুঢ়াগোহাঁয়ে। বিজ্ঞানভিত্তিক ধাৰণা উপস্থাপন প্ৰতিযোগিতাত প্ৰতিযোগীৰ সংখ্যা কম হোৱা বাবে কেৱল প্ৰথম স্থান লাভ কৰে বিদ্যা নিকেতনৰ অভিলাষী গগৈয়ে। আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰৰ টিংখাঙৰ সমন্বয়ক তথা শিক্ষক আশ্ৰফ আলীৰ সঞ্চালনাত অনুষ্ঠিত বঁটা বিতৰণী সভাত সভাপতিত্ব কৰে বিদ্যালয়খনৰ অধ্যক্ষ তথা আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰ টিংখাঙৰ সভাপতি যাদৱ গগৈয়ে।

## সংবাদ ভৱন প্ৰাংগণত বিহু কৰ্মশালা আৰম্ভ

**অগ্ৰদূত বাৰ্তা**
**পশ্চিম যোৰহাট, ২৭ মাৰ্চ ঃ** যোৰহাট জিলাৰ পশ্চিম যোৰহাট সাংবাদিক সন্থাৰ কাৰ্যালয় সংবাদ ভৱন প্ৰাংগণত বিহু কৰ্মশালা আৰু প্ৰশিক্ষণ যোৱা ২৫ মাৰ্চৰ পৰা আৰম্ভ হৈছে। অহা তিনি এপ্ৰিলত সামৰণি পৰিবলগীয়া কৰ্মশালা আৰু প্ৰশিক্ষণ সাতভনী বিহু দল আৰু এনাজৰীৰ উদ্যোগত বাঁহী লোকবাদ্য কেন্দ্ৰৰ সহযোগত হৈছে। পাৰ্থপ্ৰতিম নেওগ আৰু ভাগ্যশ্ৰী দাসে সমল ব্যক্তিৰূপে অংশগ্ৰহণ কৰিছে। ওজা মহেন্দ্ৰ চুতীয়া, পিংকু বৰাই আৰম্ভ কৰা উদ্বোধনী অনুষ্ঠানত সভাপতিত্ব কৰে ৰমেন শইকীয়াই। উজ্জ্বল শইকীয়াই আঁত ধৰা উদ্বোধনী অনুষ্ঠানত মৃদুল হাজৰিকা, প্ৰাঞ্জল প্ৰতিম বৰা, কৃপাল দত্ত, গোকুল বৈশ্য, হিমাংশু কৌশিক বৰা বিশিষ্ট অতিথিৰূপে উপস্থিত থাকে। শতাধিক শিশু, কিশোৰ-কিশোৰী, যুৱক-যুৱতীয়ে অংশগ্ৰহণ কৰা বিহু কৰ্মশালা আৰু প্ৰশিক্ষণৰ সামৰণিৰ দিনা প্ৰশিক্ষাৰ্থীসকলক মানপত্ৰ প্ৰদান কৰিব।

## ■ অ'এনজিচিৰ বিষয়াৰ দপ্‌দপনিত আতিষ্ঠ ৰাইজ

# নাজিৰাত পুনৰ থলুৱাক ভাতে মাৰি এপল'ক ঔষধৰ ব্যৱসায় আবণ্টন

**অগ্ৰদূত বাৰ্তা,**
**শিমলুগুৰি, ২৭ মাৰ্চ ঃ** অসমৰ থলুৱা ড্ৰাগ তথা ফাৰ্মাচীৰ জৰিয়তে ঔষধৰ ব্যৱসায়ীক পেটে ভাত মাৰি মহাৰত্ন উদ্যোগ 'তেল আৰু প্ৰাকৃতিক গেছ নিগম, অসম সম্পদ'ৰ একাংশ বহিৰাগত কমিছনভোগী বিষয়াৰ কুচক্ৰান্তৰে অতি কৌশলগতভাৱে ঠিকা আবণ্টন জনোৱা বহিৰাগত প্ৰতিষ্ঠান এপল'ৰ এক ব্যৱসায়িক কেন্দ্ৰ নিগমৰ নাজিৰাস্থ আৱাসিক অঞ্চলত প্ৰতিষ্ঠা কৰি চলাই আহিছিল ঔষধৰ ব্যৱসায় । এই প্ৰতিষ্ঠানত তথা এপল' ফাৰ্মাচীয়ে এনে গ্ৰাহকক ঔষধ বিক্ৰীৰ ৰচিদ নিদিয়াৰ উপৰি ঔষধৰ অধিক মূল্য আদায় কৰি মুনাফা লুটি আহিছে । এই সন্দৰ্ভত একাংশ গ্ৰাহকে অ'এনজিচি অসম সম্পদৰ বিভাগীয় কৰ্তৃপক্ষক অভিযোগ দি আহিছিল যদিও কৰ্তৃপক্ষই কৌশলগতভাৱে বিষয়টো এৰাই চলে । অৱশেষত কালি কেইজনমান গ্ৰাহকে ফাৰ্মাচীখনৰ পৰা ঔষধ ক্ৰয় কৰি ঔষধৰ ৰচিদ বিচৰাত ফাৰ্মাচীৰ কৰ্মচাৰীয়ে গ্ৰাহককেইজনৰ স'তে বাক্‌বিতণ্ডাত লিপ্ত হোৱাৰ লগতে ঔষধ ক্ৰয়ৰ কোনো ৰচিদ দিয়াৰ নিয়ম নাই বুলি গ্ৰাহকক পঠাই দিয়ে। উপায়ান্ত হৈ সচেতন গ্ৰাহকে নাজিৰা মহকুমা প্ৰশাসন কৰ্তৃপক্ষক এক অভিযোগ দাখিল কৰাত ভাৰপ্ৰাপ্ত মহকুমাধিপতি তথা অতিৰিক্ত উপায়ুক্ত সব্যসাচী কাশ্যপৰ এক নিৰ্দেশ মৰ্মে এজন সহকাৰী আয়ুক্তই ফাৰ্মাচীখনত উপস্থিত হৈ তদন্তৰ আৰম্ভণিতে অভিযোগ সত্য প্ৰমাণিত হয়।

তদুপৰি সহকাৰী আয়ুক্তজনৰ তদন্তত নাজিৰাস্থ এপল' ফাৰ্মাচীখনত আন কেতবোৰ তথ্য উদ্‌ঘাটন হয় ।

উক্ত ফাৰ্মাচীখনে ব্যৱসায়িক অনুজ্ঞাপত্ৰ, শ্ৰম বিভাগৰ অনুজ্ঞাপত্ৰ, ঔষধালয়ৰ অনুজ্ঞাপত্ৰ আদিৰ অবিহনেই চলাই আহিছিল ঔষধৰ ব্যৱসায় । এই অনিয়মৰ তথ্য পোহৰলৈ অহাত মহকুমাধিপতিৰ নিৰ্দেশ মৰ্মে সহকাৰী আয়ুক্তজনে নাজিৰাস্থ এপল' ফাৰ্মাচীখন ততালিকে ছীল কৰি দিছিল।


আনহাতে, অনুজ্ঞাপত্ৰৰ অবিহনেই কেনেকৈ বহিৰাগত ঠিকাদাৰী প্ৰতিষ্ঠানখনে ঔষধৰ ব্যৱসায় চলাই আহিছিল সেয়া এক ৰহস্যৰ আৱৰ্তত। ফাৰ্মাচীখনৰ এনে কেতবোৰ অনিয়মৰ বিৰুদ্ধে সৰৱ হৈ পৰিছে বিভিন্ন দল-সংগঠন। বিগত সময়ত কেন্দ্ৰীয় মন্ত্ৰী ৰামেশ্বৰ তেলীয়ে নিগম কৰ্তৃপক্ষক থলুৱা ঔষধ যোগানকাৰী ফাৰ্মাচীৰ জৰিয়তে ঔষধ সংগ্ৰহ কৰিব পৰাৰ ব্যৱস্থা কৰিবলৈ এক নিৰ্দেশ দিয়াত সাময়িকভাৱে পূৰ্বৰ ব্যৱস্থা বাহাল ৰাখে যদিও কেন্দ্ৰীয় মন্ত্ৰীজনৰ এই নিৰ্দেশক আওকান কৰি নিগমৰ অসম সম্পদৰ বহিৰাগত বিষয়াৰ ঠাৰত নাচি কাৰ্যবাহী সঞ্চালকজনে নিগমৰ স্বাস্থ্য বিভাগলৈ এক নিৰ্দেশ জাৰি কৰিছে । এই নিৰ্দেশ মৰ্মে, নিগমৰ অৱসৰপ্ৰাপ্ত কৰ্মচাৰী, বৰ্তমানৰ কৰ্মচাৰী আৰু পৰিয়াল তথা ৰোগীয়ে চিকিৎসকৰ পৰা গ্ৰহণ কৰা ঔষধ, নিয়মীয়া ঔষধৰ ব্যৱস্থাপত্ৰ মতে এপল' ফাৰ্মাচীৰ ঔষধ নাথাকিলে ততালিকে তাত থকা অন্য কোম্পানীয়ে প্ৰস্তুত কৰা ঔষধ দিব লাগিব। নিগমৰ অসম সম্পদৰ কাৰ্যবাহী সঞ্চালকজনৰ এনে নিৰ্দেশে হতভম্ব কৰি তুলিছে সচেতন মহলক ।

## চৰকাৰী পেঞ্চনাৰ সন্থা, অসমৰ বাৰ্ষিক সাধাৰণ অধিবেশন

**অগ্ৰদূত বাৰ্তা**
**বিশ্বনাথ চাৰিআলি, ২৭ মাৰ্চ ঃ** চৰকাৰী পেঞ্চনাৰ সন্থা, অসমৰ ৩৮ সংখ্যক দ্বি-বাৰ্ষিক সাধাৰণ অধিবেশন বিশ্বনাথ শাখাৰ উদ্যোগত অহা ন আৰু ১০ এপ্ৰিলত বিশ্বনাথ চাৰিআলিত অনুষ্ঠিত কৰা হ'ব। এই কথা কালি সদৰী কৰে বিশ্বনাথ চাৰিআলিৰ চৰকাৰী পেঞ্চনাৰ সন্থাৰ কাৰ্যালয়ত। ৰাজ্যিক পৰ্যায়ত অনুষ্ঠিত হ'ব লগা বৰ্ণাঢ্য দুদিনীয়া কাৰ্যসূচীত ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ পৰা ৫৫ টাকৈ পেঞ্চনাৰ শাখাৰ প্ৰায় ২৫০ গৰাকী প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰিব। বিশ্বনাথ শাখা কাৰ্যালয় প্ৰাংগণত অনুষ্ঠিত সংবাদমেলত এই সকলো কথা সদৰী কৰে চৰকাৰী পেঞ্চনাৰ সন্থাৰ বিশ্বনাথ শাখাৰ সভাপতি তথা অভ্যৰ্থনা সমিতিৰ সভাপতি মোদিনী কুমাৰ বৰুৱাই।

### খাৰুপেটীয়াত ধুমুহাৰ তাণ্ডৱ

## বিধ্বস্ত অচিনতলা এমই স্কুল ঃ গছ পৰি বন্ধ পথ



**অগ্ৰদূত বাৰ্তা**
**দলগাঁও, ২৭ মাৰ্চ ঃ** খাৰুপেটীয়াৰ বিভিন্ন প্ৰান্তত কালি আবেলি অহা প্ৰচণ্ড ধুমুহা-বৰষুনে বিস্তৰ ক্ষতিসাধন কৰে । হঠাতে অহা বিধ্বংসী ধুমুহা বৰষুণৰ ফলত খাৰুপেটীয়া আৰু ইয়াৰ বিভিন্ন অঞ্চলৰ বহু লোকৰ ঘৰ-বাৰী, ব্যৱসায়ীক প্ৰতিষ্ঠানৰ আদিৰ টিনপাত উৰুৱাই নিয়াৰ লগতে বাগৰি পৰে বৃহৎ বৃহৎ গছ, ভাঙি তচনচ কৰে কৃষকৰ বিভিন্ন ধৰণৰ শাক-পাচলি, মাকৈ খেতি আৰু উদ্যান শস্য তামোলৰ শ শ গছ। ইফালে, উক্ত প্ৰচণ্ড ধুমুহাই খাৰুপেটীয়াৰ অচিনতলা এম ই স্কুলৰ ৯০ শতাংশ টিনপাত উৰুৱাই নিয়াৰ ফলত কাৰ্যালয়ত তথা বিভিন্ন গুৰুত্বপূৰ্ণ নথি-পত্ৰ নষ্ট হয়। উল্লেখ্য যে ছশৰো অধিক ছাত্ৰ-ছাত্ৰী থকা বিদ্যালয়খনত প্ৰায় সংখ্যক শ্ৰেণী কোঠা আৰু কাৰ্যালয়ৰ টিনপাত হঠাৎ অহা বিধ্বংসী ধুমুহা জাকে উৰুৱাই নি কৰা বিস্তৰ ক্ষতিৰ ফলত বিমোৰত পৰিছে শিক্ষক-শিক্ষয়িত্ৰী ও পৰিচালনা সমিতিৰ বিষয়ববীয়াসকল। একেদৰে প্ৰচণ্ড গছ বাগৰি পৰি বন্ধ হৈ পৰে শ্যামপুৰ, আৰিমাৰি, বাইগৰমাৰী আদিকে ধৰি চৰাঞ্চলৰ একমাত্ৰ খাৰুপেটীয়া সংযোগী জিএনবি পথ । ব্যাহত হৈ পৰে সমগ্ৰ অঞ্চলটোৰ বিদ্যুৎ সেৱা।

# প্ৰধানমন্ত্ৰী জল জীৱন মিছনৰ পৰা বঞ্চিত সহস্ৰাধিক পৰিয়াল



সেৱা ভাৰতী, পূৰ্বাঞ্চলৰ আবাসিক যোগ অনুশীলন, উত্তৰ গুৱাহাটীত দেওবাৰে।

**অগ্ৰদূত বাৰ্তা**
**বাহাৰঘাট, ২৭ মাৰ্চ ঃ** প্ৰধানমন্ত্ৰী জল জীৱন মিছনৰ জৰিয়তে ঘৰ ঘৰ নল মূল মন্ত্ৰৰে দেশৰ প্ৰতিটো পৰিয়ালত বিশুদ্ধ খোৱাপানীৰ ব্যৱস্থা কৰা হৈছে। এনে অৱস্থাত নলবাৰী জিলাৰ নলবাৰী সমষ্টিৰ অন্তৰ্গত দেহাৰকুছি,পূৰ্ণকামদেৱ, কিচমৎ, পূৰ্ণদৈচ পৰা, লৰমাবটাকুছি আদি গাঁওসমূহৰ সহস্ৰাধিক পৰিয়াল প্ৰধানমন্ত্ৰী জল জীৱন মিছনৰ নল সংযোগৰ পৰা বঞ্চিত হৈ থাকিব লগা হৈছে। ৰাজ্যৰ জনস্বাস্থ্য কাৰিকৰী বিভাগৰ নলবাৰী সংমণ্ডলৰ অন্তৰ্গত এই গাঁও পাঁচখনৰ মধ্যত এখন পানী যোগান আঁচনি বিভাগটোৱে নিৰ্মাণ ব্যৱস্থা কৰিব লাগিছিল যদিও আজিকোপতি তেনে কোনো প্ৰাককলন কৰা নহ'ল। যাৰ বাবে দীৰ্ঘদিন ধৰি বিশুদ্ধ খোৱাপানীৰ পৰা বঞ্চিত এই পৰিয়াল কেইটা। নলবাৰী সমষ্টিৰ পূৱ-দক্ষিণ দিশৰ এক কথাত ক'ব গ'লে সমষ্টিটোৰ শেষ প্ৰান্তত অৱস্থিত উক্ত গাঁও কেইখনৰ বাসিন্দাসকলে বিগত চৰকাৰকেইখনৰ দিনৰে পৰা বহুতো সমস্যা সমাধানৰ ক্ষেত্ৰত চৰকাৰীভাৱে অৱহেলিত হৈ আছে। এইবেলি উক্ত অঞ্চলৰ পৰা এজন জনপ্ৰতিনিধি পাবলৈ সক্ষম হৈছে। উল্লেখ্য যে সাংসদ তথা বিজেপি ৰাষ্ট্ৰীয় সাধাৰণ সম্পাদক দিলীপ শইকীয়াৰ জন্মগাঁও উক্ত গাঁওকেইখনৰ মাজৰে এখন। পূৰ্ণকামদেৱ 'মোমাইতোলা' সাংসদজনৰ জন্মগাঁও। প্ৰতিটো সমস্যাৰ লগত সাংসদজন ওতপ্ৰোতভাৱে জড়িত। ইতিমধ্যে বহুতো জ্বলন্ত সমস্যা সমাধান কৰিছে সাংসদজনে। এইটো জ্বলন্ত সমস্যাৰো নিশ্চয় সমাধান কৰিব বুলি ৰাইজে বিশ্বাস ৰাখিছে। কেৱল মাত্ৰ বিভাগীয় প্ৰাক্কলন প্ৰস্তুত কৰি নীতিগতভাৱে কাম কৰি ৰাইজক আশ্বস্ত কৰিব বুলি ভুক্তভোগি ৰাইজে আহ্বান জনাইছে। তদুপৰি স্থানীয় বিধায়ক জয়ন্ত মল্ল বৰুৱাকো এই ক্ষেত্ৰত সৰল স্থিতি গ্ৰহণ কৰি খোৱাপানী টুপি ব্যৱস্থা কৰাৰ বাবেও ৰাইজে দাবী জনাইছে। নহ'লে প্ৰধানমন্ত্ৰীৰ সপোনৰ এখন জনহিতৈষী আঁচনিৰ পৰা উক্ত গাঁওকেইখন বঞ্চিত হ'ব।

# দেউৰী স্বায়ত্তশাসিত পৰিষদৰ নিৰ্বাচন শীঘ্ৰে অনুষ্ঠিত কৰাৰ দাবী আদছুৰ

**অগ্ৰদূত বাৰ্তা**
**বিহপুৰীয়া, ২৭ মাৰ্চ ঃ** দেউৰী স্বায়ত্তশাসিত পৰিষদৰ নিৰ্বাচন শীঘ্ৰে অনুষ্ঠিত কৰাৰ দাবী জনাইছে সদৌ অসম দেউৰী ছাত্ৰ সন্থাই। এক বিবৃতিত সন্থাৰ সভাপতি আৰু সম্পাদক ক্ৰমে নিৰেন দেউৰী আৰু তপন দেউৰীয়ে অসম চৰকাৰে যোৱা ২৮ ফেব্ৰুৱাৰীতে দেউৰী স্বায়ত্তশাসিত পৰিষদৰ সমষ্টি ১৮ টাৰ পৰা ২২ টালৈ বৃদ্ধি কৰিও আজি পৰ্যন্ত সমষ্টিসমূহৰ নাম ঘোষণা নকৰাত আশ্চৰ্য প্ৰকাশ কৰে। সন্থাই শীঘ্ৰে পৰিষদৰ সমষ্টিসমূহৰ নাম ঘোষণা কৰি নিৰ্বাচন অনুষ্ঠিত কৰাৰ দাবী উত্থাপন কৰিছে। দেউৰী স্বায়ত্তশাসিত পৰিষদৰ পুঁজি বৃদ্ধি কৰাৰ লগতে নিৰ্ধাৰিত পুঁজি পৰিষদলৈ সময় মতে মোকলাই দিয়াৰো দাবী জনাইছে সদৌ অসম দেউৰী ছাত্ৰ সন্থাই। ইয়াৰ উপৰি দেউৰী স্বায়ত্তশাসিত পৰিষদৰ অন্তৰ্ভুক্ত অঞ্চলসমূহক ভাৰতীয় সংবিধানৰ ষষ্ঠ অনুসূচীৰ অন্তৰ্ভুক্ত কৰা, দেউৰী ভাষা শিক্ষক নিযুক্তিৰে দেউৰী অধ্যুষিত অঞ্চলৰ প্ৰাথমিক বিদ্যালয়ত দেউৰী ভাষা শিক্ষা প্ৰদান কৰা, শদিয়াৰ ছাপাখোৱাত অসম চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ দ্বাৰা সংস্থাপন কৰিবলৈ লোৱা জননেতা ভীমবৰ দেউৰী সমন্বয় ক্ষেত্ৰৰ পুঁজি আৰু নিৰ্মাণৰ সময় নিৰ্ধাৰণ কৰা আৰু সদৌ অসম দেউৰী ছাত্ৰ সন্থাৰ বিৰুদ্ধে বৰ্তমানৰ মাধৱ দেউৰী নেতৃত্বাধীন পৰিষদখনে নিজৰ ক্ষুদ্ৰ স্বাৰ্থৰ বাবে অপপ্ৰচাৰত লিপ্ত হোৱা কাৰ্যৰ পৰা বিৰত থাকিবলৈ বিবৃতিটোৰ জৰিয়তে সকীয়নি প্ৰদান কৰিছে দেউৰী ছাত্ৰ সন্থাই।

# সামাজিক দায়বদ্ধ আঁচনিৰ অধীনত ভাৰতীয় তেল নিগমৰ এম্বুলেন্স প্ৰদান



**ডিগবৈ, ২৭ মাৰ্চ ঃ** ভাৰতীয় তেল নিগম অসম অইল সংমণ্ডল ডিগবৈ শোধনাগাৰে অসম চিকিৎসা মহাবিদ্যালয় কৰ্তৃপক্ষক এখন এম্বুলেন্স প্ৰদান কৰা হয়। সামাজিক দায়বদ্ধ আঁচনিৰ অধীনত ভাৰতীয় তেল নিগমৰ অসম অইল সংমণ্ডল ডিগবৈ শোধনাগাৰৰ দ্বাৰা ডিব্ৰুগড় অসম চিকিৎসা মহাবিদ্যালয়ত লাইফ ছাপোৰ্ট এম্বুলেন্সখন প্ৰদান কৰা হয়। ডিগবৈ শোধনাগাৰৰ কাৰ্যবাহী বিষয়া কৈলাশপতি, চিজিএম বিষয়া কে কে শৰ্মা আৰু শোধনাগাৰৰ কাৰ্যবাহী সম্পাদক সন্দীপ জৈনে ডিব্ৰুগড় চিকিৎসা মহাবিদ্যালয়ৰ পৰিদৰ্শকৰ দায়িত্বত থকা ডাঃ এছ ভাগৱতীৰ হাতত এম্বুলেন্সখন প্ৰদান কৰে।

# আমগুৰিৰ হালোৱাটিঙত কেন্দ্ৰীয় ৰঙালী বিহু আয়োজন

**অগ্ৰদূত বাৰ্তা**
**আমগুৰি, ২৭ মাৰ্চ ঃ** অহা এপ্ৰিলৰ দুদিনীয়া কাৰ্যসূচীৰে আমগুৰিস্থিত হালোৱাটিঙত কেন্দ্ৰীয় ৰঙালী বিহু সন্মিলনৰ আয়োজন কৰা হৈছে। এই উদ্দেশ্যে ব্যৱসায়ী তথা সমাজকৰ্মী জনাৰ্দন হাজৰিকাক সভাপতি, কাৰ্যকৰী সভাপতি পদত পাপু সন্দিকৈ, সম্পাদক সুৰজ মেচ আৰু কাৰ্যকৰী সম্পাদকৰূপে মানস গগৈক নিৰ্বাচিত কৰি উদ্‌যাপন সমিতি গঠন কৰা হৈছে। দুদিনীয়া কাৰ্যসূচীৰে আৰম্ভ হ'বলগীয়া অনুষ্ঠানত সাংস্কৃতিক শোভাযাত্ৰাকে আদি কৰি, কণী যুঁজ, সৰু বিহুৱতী, বৰ বিহুৱতী ইত্যাদি প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। বৰ বিহুৱতী প্ৰতিযোগিতাৰ প্ৰথম পুৰস্কাৰ নগদ ৫১,০০০ টকা আৰু দ্বিতীয় পুৰস্কাৰ নগদ ৩১,০০০ টকা প্ৰদান কৰা হ'ব। সৰু বিহুৱতী প্ৰদৰ্শনীত অংশগ্ৰহণ কৰা সকলোকে নগদ ধন আৰু পুৰস্কাৰ প্ৰদান কৰা হ'ব। উদ্বোধকৰূপে সাংস্কৃতিক কৰ্মী তথা তেল আৰু প্ৰাকৃতিক গেছ কোম্পানীৰ বিষয়া লাচিত ফুকনক নিমন্ত্ৰণ জনোৱা হৈছে।

# পেট্ৰ'লজাত সামগ্ৰীৰ মূল্য যুদ্ধৰ বাবে বাঢ়িছে ঃ সিংঘাল

## ■ কোকৰাঝাৰত অসম মাইক্ৰ'ফাইনেন্স উদ্‌গনি-সকাহ আঁচনিৰ আৰম্ভণি ■ চেক বিতৰণৰ আৰম্ভ কৰে জিলা অভিভাৱক মন্ত্ৰী সিংঘালে

**অগ্ৰদূত বাৰ্তা**
**কোকৰাঝাৰ, ২৭ মাৰ্চ ঃ** কোকৰাঝাৰৰ বডোফা নৌগীৰৰ বিটিচি সচিবালয়ৰ প্ৰাংগণৰ খেলপথাৰত আজি অসম মাইক্ৰ'ফাইনেন্স উদ্‌গনি আৰু সকাহ আঁচনিৰ অধীনত মহিলা হিতাধিকাৰীলৈ আৰ্থিক অনুদানৰ চেক বিতৰণ কৰা হয়। চেক বিতৰণী অনুষ্ঠানত মন্ত্ৰী অশোক সিংঘালে অংশগ্ৰহণ কৰি বিজেপি মিত্ৰজোঁটৰ চৰকাৰে প্ৰতিশ্ৰুতি অনুযায়ী ৰাজ্যজুৰি লাখ লাখ পৰিয়াললৈ ঋণ ৰেহাই কৰি সকাহ প্ৰদান কৰিছে বুলি কয়। কোকৰাঝাৰ জিলাত সৰ্বমুঠ ১৯ হেজাৰ এশ ১২ জনৰ ভিতৰত আজি প্ৰথম পৰ্যায়ত পাঁচ হেজাৰগৰাকী হিতাধিকাৰী মহিলাক চেক বিতৰণ কৰে। মন্ত্ৰী সিংঘালে



কয়, 'জাতি- ধৰ্ম নিৰ্বিশেষে সকলো ভেদাভেদ পাহৰি সকলোকে ঐক্যবদ্ধ কৰি বিকাশৰ যাত্ৰাত একত্ৰিত হোৱাৰ উদ্দেশ্যে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এই কাৰ্যপন্থা হাতত লৈছে।' বিটিচিৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োৰ নেতৃত্বত এখন সফল পৰিষদ গঠন হোৱা বুলি উল্লেখ কৰি দুখীয়াৰ বাবে আৰু বহু আঁচনি বিজেপিৰ হাতত আছে বুলি মন্তব্য কৰে। মুখ্যমন্ত্ৰী ড° শৰ্মাৰ হাত মজবুত কৰিবলৈ সকলোৰে বদ্ধপৰিকৰ আৰু পৰিবৰ্তনৰ এই যাত্ৰা অব্যাহত থাকিব বুলি মন্তব্য কৰি অশোক সিংঘালে জনতাৰ আশা আকাংক্ষা পূৰণ কৰা হ'ব বুলি মন্তব্য কৰে। কোকৰাঝাৰ ১৩ পৃষ্ঠাত চাওক

# ধোদৰ আলিক লৈ ৰাজনীতি বন্ধ কৰিবলৈ বিধায়কক সকীয়নি আছুৰ

**চেলেংহাট, ২৭ মাৰ্চ ঃ** মৰিয়নি সমষ্টিৰ মাজেৰে যোৱা ঐতিহাসিক ধোদৰ আলিটো নকছাৰীৰ মাছখোৱাৰ পৰা চেলেংহাট জাঁজী দলং পৰ্যন্ত ১৫ কিলোমিটাৰ পথ দীৰ্ঘদিনৰ পৰা বিধ্বস্ত হৈ থকাক লৈ পুনৰ সৰৱ হৈ উঠিছে সদৌ অসম ছাত্ৰ সন্থাৰ চেলেংহাট আঞ্চলিক সমিতি। চেলেংহাট আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি সুবিৰাজ নেওগ আৰু সাধাৰণ সম্পাদক মুকুন্দ মাধৱ চুতীয়া স্বাক্ষৰিত এক প্ৰেছ বিবৃতিত উল্লেখ কৰে যে ঐতিহাসিক ধোদৰ আলিটো নিৰ্মাণৰ বাবে যি ঠিকাদাৰ প্ৰতিষ্ঠানকেই দিয়ে সেই প্ৰতিষ্ঠান আৰু বিভাগীয় অভিযন্তা লগ হৈ উক্ত পথটি অতি নিম্ন মানৰে নিৰ্মাণ কৰি লুণ্ঠন চলোৱাহে যোৱা সময়ছোৱাত পৰিলক্ষিত হৈছে। উক্ত বিবৃত্তিত সদৌ যোৰহাট জিলা ছাত্ৰ সন্থাৰ সহকাৰী সম্পাদক তথা চেলেংহাট আঞ্চলিক ছাত্ৰ সন্থাৰ উপদেষ্টা পৰীক্ষিত ফুকনে কয় যে বৰ্তমান ঐতিহাসিক পথটোৱে জৰুৰীকালীন অৱস্থাত এজন ৰোগীক চিকিৎসালয়লৈ যদি লৈ যোৱা হয় তেন্তে পথটোৰ দুৰৱস্থাৰ বাবে উক্ত ৰোগীজন চিকিৎসালয় গৈ পোৱাৰ আগতেই আধাবাটতে যে মৃত্যু ঘটিব সেয়া নিশ্চিত। ইয়াৰ উপৰি শাসক পক্ষৰ বিধায়ক ৰূপজ্যোতি কুৰ্মীয়ে অসমৰ বিভিন্ন সমস্যাক লৈ সৰৱ হৈ ফুৰাৰ বিপৰীতে ধোদৰ আলি নিৰ্মাণৰ ক্ষেত্ৰত ১৩ পৃষ্ঠাত চাওক

# ১২ এপ্ৰিলত মধুপুৰ সত্ৰ সমিতিৰ জৰুৰী সাধাৰণ সভা

**অগ্ৰদূত বাৰ্তা**
**হাউলী, ২৭ মাৰ্চ ঃ** অসমীয়া জাতিৰ প্ৰাণ মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ মহাপ্ৰয়াণৰ পৱিত্ৰ তীৰ্থভূমি মধুপুৰ সত্ৰত শেহতীয়াকৈ বিৰাজ কৰা এক অস্বস্তিকৰ পৰিস্থিতিত মধুপুৰ সত্ৰ সমিতিয়ে গভীৰ উদ্বেগ প্ৰকাশ কৰিছে। একাংশ সংবাদ মাধ্যমত সত্ৰৰ সত্ৰাধিকাৰ লক্ষ্মীকান্ত মহন্তই ১৯৬০তে জন্মলাভ কৰা ঐতিহ্যমণ্ডিত মধুপুৰ সত্ৰ সমিতিৰ অস্তিত্বক ভেঙুচালি কৰি কেতবোৰ মনেসজা অভিযোগ উত্থাপনেৰে সত্ৰখনৰ আধ্যাত্মিক পৰিৱেশ বিষময় কৰি তুলিছে বুলি সমিতিয়ে অভিযোগ কৰিছে। এক বিবৃতিত সমিতিয়ে কয় যে সত্ৰ সমিতিখন বছৰেকত এবাৰ মধুপুৰ মহোৎসৱ অনুষ্ঠিত কৰাৰ নামত মধুপুৰলৈ বনভোজ খাবলৈ অহা বুলি কৰা অভিযোগে ভক্তপ্ৰাণ ৰাইজক ব্যথিত কৰি তুলিছে। মহাপুৰুষীয়া সত্ৰীয়া সংস্কৃতি অসমৰ বাহিৰত প্ৰচাৰ আৰু প্ৰসাৰ কৰাৰ কাৰণে সত্ৰ সমিতিয়ে প্ৰতি বছৰে অসম আৰু পশ্চিমবংগৰ সত্ৰীয়া সংস্কৃতিৰ বিশিষ্ট গৱেষক আৰু বুদ্ধিজীৱীৰ উপস্থিতিত মধুপুৰ মহোৎসৱ পালন কৰি আহিছে। মধুপুৰ সত্ৰ অসমৰ ৰাইজৰ অতি আদৰৰ আৰু চিৰবন্দনীয় অনুষ্ঠান। ইয়াত ৰাইজে প্ৰসাদ গ্ৰহণ কৰিবলৈ যায় বনভোজ খাবলৈ নাযায়। আনহাতে, মধুপুৰ সত্ৰ ১৩ পৃষ্ঠাত চাওক

# হোজাইত পুনৰ ড্ৰাগছ জব্দ ঃ আটক দুই

**অগ্ৰদূত বাৰ্তা**
**হোজাই ২৭ মাৰ্চ ঃ** যোৱা ২৬ মাৰ্চৰ নিশা হোজাইত আৰক্ষীয়ে বৃহৎ পৰিমাণৰ ড্ৰাগছ জব্দ কৰাৰ লগতে দুজনক আটক কৰে। হোজাই তেলিবস্তিৰ পৰা আৰক্ষীয়ে জব্দ কৰে ৬০ টা চাবোনৰ বাকচ ভৰ্তি ড্ৰাগছ। ঘটনা সন্দৰ্ভত দুজনক আটক কৰে। আৰক্ষীয়ে আটক কৰা দুজন ক্ৰমে আব্দুল চালাম (৩৪) আৰু ইজাজুল হক (১৮)। আব্দুল চালামৰ ঘৰ ডৱকা আৰু ইজাজুল হকৰ ঘৰ হোজাইত। ড্ৰাগছখিনিৰ পৰিমাণ সৰ্বমুঠ ৭৬০ গ্ৰাম বুলি জানিব পৰা গৈছে। ড্ৰাগছখিনিৰ বজাৰ মূল্য প্ৰায় তিনিৰ পৰা চাৰি কোটি টকা হ'ব বুলি আৰক্ষীৰ সূত্ৰত প্ৰকাশ । আৰক্ষীয়ে এক বিশেষ সূত্ৰৰ পম খেদি দুই ধৃতই অৱধ আছাম ৰেলেৰে ডিমাপুৰৰ পৰা হোজাইলৈ আনি থকা অৱস্থাত ধৃতক ট্ৰেকিং কৰি টেলিবস্তিৰ পৰা আটক কৰে। বৰ্তমান দুই ধৃতক এন ডি পি এছ আইনৰ অধীনত গোচৰ ৰুজু কৰি আৰক্ষীয়ে তদন্ত অব্যাহত ৰাখিছে।

# ধলাইবিলৰ দৈনিক বজাৰত সুৰাৰ আড্ডা

**অগ্ৰদূত বাৰ্তা**
**নদুৱাৰ, ২৭ মাৰ্চ ঃ** শোণিতপুৰ জিলাৰ জামুগুৰি আৰক্ষী নিবেশৰ অন্তৰ্গত ধলাইবিল ব্যৱসায় কেন্দ্ৰৰ সমীপতে থকা দৈনিক বজাৰখন সম্প্ৰতি মদৰ আড্ডালৈ পৰিণত হোৱাত গ্ৰাহক ৰাইজ ব্যতিব্যস্ত হৈ পৰাৰ গুৰুতৰ অভিযোগ উঠিছে। উল্লেখ্য যে ধলাইবিল কেন্দ্ৰৰ উক্ত দৈনিক বজাৰখনত একাংশ কম বয়সীয়া ডেকা ল'ৰা আহি সন্ধিয়া হ'লেই বজাৰখনলৈ অনাহকত ওলাই আহি বজাৰতে মদ্যপান কৰি হুলস্থূলৰ সৃষ্টি কৰে। বজাৰখনৰ ব্যৱসায়ীসকলৰ লগতে গ্ৰাহক ৰাইজৰ লগত অনাহকত তেওঁলোকে আৰম্ভ কৰে তৰ্ক-বিতৰ্ক। এইসকল মদপী যুৱকে গ্ৰাহক, ব্যৱসায়ীসকলৰ লগত সঘনে কাজিয়াৰ সৃষ্টি কৰি অহাৰ অভিযোগো পুৰণি। মদপী যুৱকসকলে নিজৰ মাজতে অশ্লীল শব্দৰে কথা-বাৰ্তা পাতি দৈনিক বজাৰখনৰ পৰিবেশেই বিনষ্ট কৰি আহিছে। গ্ৰাহক ৰাইজক উদ্দেশ্যি অশালীন মন্তব্যৰে একপ্ৰকাৰ ব্যতিব্যস্ত কৰি আহিছে এইসকল অবিবেচক যুৱকে। মদৰ ৰাগিত হিতাহিত জ্ঞান হেৰুৱাই বজাৰখনৰ সমস্ত পৰিবেশেই ধ্বংস কৰি আহিছে। ফলত সাধাৰণ গ্ৰাহক ৰাইজ বজাৰখনলৈ বজাৰ ১৩ পৃষ্ঠাত চাওক

# আটছা কৰ্মীয়ে শ্ৰমদান কৰি নিৰ্মাণ কৰিলে অসহায় শ্ৰমিকৰ গৃহ


**অগ্ৰদূত বাৰ্তা**
**মৰিয়নি, ২৭ মাৰ্চ ঃ** অসম চাহ জনজাতি ছাত্ৰ সন্থা চমুকৈ আটছাৰ মৰিয়নি শাখাৰ সদস্যসকলে আজি মৰিয়নিৰ হোনোৱাল চাহ বাগিচাৰ এজন শ্ৰমিকৰ ঘৰ নিৰ্মাণ কৰে। উল্লেখ্য যে মৰিয়নিৰ হোনোৱাল চাহ বাগিচাৰ চাওৰা লাইনৰ বাসিন্দা মনোজ চাওৰাৰ ঘৰ বিগত বৰ্ষৰ আৰম্ভণিতে অগ্নিকাণ্ডত সম্পূৰ্ণৰূপে জাহ গৈছিল। ঘৰৰ প্ৰায় সকলো বস্তু জুইয়ে গ্ৰাস কৰিছিল। দুবেলা দুমুঠি খাবলৈও চিন্তা কৰা পৰিয়ালটোৰ অৱস্থা তেতিয়াৰে পৰা অধিক



শোচনীয় হৈ পৰে। মনোজ চাওৰা আৰু পত্নী সংগীতা চাওৰাই ৰুগীয়া দেহাৰেই কোনোমতে এসাঁজ ভাতৰ যোগাৰ কৰি ১৩ পৃষ্ঠাত চাওক

# ভেলাখামাৰত পথৰ কাষৰ গছ তচনচ দুষ্কৃতিকাৰীৰ ঃ পূৱালী সংঘৰ গৰিহণা

**অগ্ৰদূত বাৰ্তা**
**কৃষ্ণাই, ২৭ মাৰ্চ ঃ** গোৱালপাৰা জিলাৰ কৃষ্ণাই আৰক্ষী থানাৰ অন্তৰ্গত ভেলাখামাৰ গাঁৱত দুষ্কৃতিকাৰীয়ে ভাঙি-ছিঙি বিনষ্ট কৰিছে পথৰ কাষৰ বহুকেইজোপা মূল্যবান গছ। উল্লেখ্য যে ভেলাখামাৰ পূৱালী সংঘৰ যুৱকসকলে অঞ্চলটোৰ সৌন্দৰ্যবৰ্ধনৰ বাবে কৃষ্ণাই-ভেলাখামাৰ-



লালাবৰি সংযোগী গড়কাপ্তানী পথটোৰ দুয়োকাষত ৰোপণ কৰিছিল বহু ফল-ফুলৰ গছ। ২০২০ৰ পাঁচ জুনৰ পৰা বিশ্ব পৰিৱেশ দিৱসৰ লগত সংগতি ৰাখি ভেলাখামাৰ পূৱালী সংঘৰ যুৱকসকলে আয়োজন কৰা পথৰ কাষত বৃক্ষৰোপণৰ কাৰ্যসূচী উদ্বোধন কৰিছিল কৃষ্ণাই ১৩ পৃষ্ঠাত চাওক

# শিক্ষাবিদ বিপিন চন্দ্ৰ ডেকালৈ শ্ৰেষ্ঠ সেৱা সমৰ্পণ বঁটা

**অগ্ৰদূত বাৰ্তা**
**নলবাৰী, ২৭ মাৰ্চ ঃ** নলবাৰী জিলাৰ সমাজকৰ্মী, জাগাৰা হাইস্কুলৰ প্ৰাক্তন প্ৰধান শিক্ষক, ক্ৰীড়া সংগঠক বিপিন চন্দ্ৰ ডেকাক আজি জাগাৰা সভাঘৰ প্ৰাংগণত যুৱ মঞ্চৰ উদ্যোগত 'সেৱা সমৰ্পণ বঁটা ২০২২' প্ৰদান কৰা হয়। উল্লেখ্য যে ১৯৩৮ত জাগাৰা গাঁৱৰ এটি কৃষক পৰিয়ালত জন্মগ্ৰহণ কৰা ডেকাই ১৯৫৯ত জাগাৰা হাইস্কুলৰ পৰা সুখ্যাতিৰে ১৩ পৃষ্ঠাত চাওক



# লক্ষীপুৰত বন্যহস্তীৰ আক্ৰমণত এজন বনৰক্ষী নিহত

**অগ্ৰদূত বাৰ্তা**
**লক্ষীপুৰ, ২৭ মাৰ্চ ঃ** গোৱালপাৰাৰ লক্ষীপুৰত বন্যহস্তীৰ আক্ৰমণত কালি পুনৰ এজন বনৰক্ষী নিহত হয় । নিহত বনৰক্ষীজনৰ ঘৰ ৰংজুলিৰ হাদীপাৰা গাঁৱৰ এন্টনি খাকলাৰী। আনহাতে, এই ঘটনাত আন দুজনকৈ স্থানীয় লোক আহত হয়। লক্ষীপুৰ বন বিভাগৰ অন্তৰ্গত গৌড়নগৰৰ শালবাৰী দ্বিতীয় খণ্ড গাঁৱত কালি পুৱতি নিশা এই শিহৰণকাৰী ঘটনাটো সংঘটিত হয়। উল্লেখ্য যে লক্ষীপুৰ বন বিভাগৰ বিস্তীৰ্ণ বনাঞ্চলত বিগত চাৰি বছৰৰ পৰা আশ্ৰয় লৈ আছে বনৰীয়া হাতীৰ এটা বৃহৎ জাক। জাকটোৱে বনাঞ্চলৰ বিশেষকৈ দাঁতিকাষৰীয়া গাঁওসমূহত বহু পৰিয়ালৰ ঘৰ-দুৱাৰ, খেতি-বাতি বিনষ্ট কৰাৰ লগতে ইতিপূৰ্বে কে'বাজনৰো প্ৰাণ লয়। এনেদৰে দীৰ্ঘদিন ধৰি চলি থকা হাতীৰ সন্ত্ৰাসে ত্ৰাসিত কৰি আহিছে গাঁওবাসীক । কালি পুৱতি নিশা হাতীজাকে গৌড়নগৰৰ শালবাৰী গাঁৱত উপদ্ৰৱ চলায়। স্থানীয় ৰাইজে প্ৰথমতে বন্যহস্তীৰ জাকটোক কৌশলগতভাৱে খেদিবলৈ চেষ্টা ১৩ পৃষ্ঠাত চাওক

# শিক্ষক সোমেশ্বৰ নাথৰ অকাল বিয়োগ

**অগ্ৰদূত বাৰ্তা**
**আমগুৰি, ২৭ মাৰ্চ ঃ** শিৱসাগৰ জিলাৰ আমগুৰি আউনীআটীয় হেম চন্দ্ৰ দেৱ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ শিক্ষক তথা সৰবৰহী ব্যক্তি সোমেশ্বৰ নাথ(৬০)ৰ কালি মৃত্যুত আমগুৰি অঞ্চলৰ ৰাইজৰ মাজত শোকৰ ছাঁ পেলায়। কালি আবেলি নিজ গৃহত থকা অৱস্থাতে হঠাৎ অসুস্থ হৈ পৰা শিক্ষকজনক ততাতৈয়াকৈ শিৱসাগৰৰ এখন চিকিৎসালয়ত ভৰ্তি কৰোৱা হয় আৰু উক্ত চিকিৎসালয়তে চিকিৎসাধীন অৱস্থাতে তেওঁৰ মৃত্যু হয়। গৌৰীসাগৰ সমীপৰ হাতীঘূলীৰ বাসিন্দা তথা আমগুৰি আউনীআটীয় হেমচন্দ্ৰ দেৱ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ শিক্ষক হিচাপে কৰ্মৰত নাথে অহা ৩১ মাৰ্চত বিদ্যালয়খনৰ পৰা চৰকাৰী নীতি অনুসৰি অৱসৰ গ্ৰহণৰ দিন আছিল। মৃত্যুৰ সময়ত তেওঁ পত্নী, দুই কন্যা সহ বহু আত্মীয়-স্বজনক এৰি থৈ যায়। তেওঁৰ বিয়োগত কৰ্মৰত বিদ্যালয়খনৰ অধ্যক্ষ অমৰজ্যোতি বৰঠাকুৰ, সদৌ অসম উচ্চতৰ মাধ্যমিক শিক্ষক কৰ্মচাৰী সন্থাৰ শিৱসাগৰ জিলাৰ সম্পাদক কৃপাল ভূঞা, আমগুৰি বালিকা উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক দিব্যজ্যোতি শইকীয়াই শোক প্ৰকাশ কৰিছে।

# স্নায়ুজনিত ৰোগত ন বছৰে দুৰ্বিষহ জীৱন কটাইছে যুৱক মণ্টু ডেকাই

**অগ্ৰদূত বাৰ্তা**
**মঙলদৈ, ২৭ মাৰ্চ ঃ** মঙলদৈৰ ডাঁহী মহাবিদ্যালয়ৰ পৰা উচ্চতৰ মাধ্যমিক আৰু মঙলদৈ কলেজৰ পৰা স্নাতক পাঠ্যক্ৰমত সুকলমে (১৯৯৮)ত উত্তীৰ্ণ হৈ যুৱকজন নামি পৰিছিল জীৱন যুঁজত। প্ৰথমে ভেঞ্চাৰ স্কুলত সোমাব গৈ দেখিলে যে তেওঁক পঢ়োৱা ছাৰসকলৰেই যেতিয়া চাকৰি হোৱা নাই, সেয়ে আন পথ বাছি ল'লে। সেই মতে গুৱাহাটীৰ এটা কোম্পানী আৰু তাৰ পাছত এখন ফৰ্মাচীত কাম কৰিও নাপালে মানসিক তৃপ্তি। সেয়ে নিজা আপোন গাঁও ডাঁহী নগাঁৱৰ ঘৰত স্বাধীনচিতীয়াকৈ ২০১১ত আৰম্ভ কৰিলে 'ধৰ্মৰাজ চেলভ-



হেল্প ইণ্ডাষ্ট্ৰী' নামেৰে এটি ক্ষুদ্ৰ উদ্যোগ। পিতৃ প্ৰয়াত ধৰ্মকান্ত ডেকাৰ নাম অনুসৰণ কৰি আৰম্ভ কৰা উদ্যোগৎটোত পকা খুঁটা, পাইখানাৰ টেংকি, ঢাকনি, ভঁৰালঘৰৰ পোষ্ট, ফিল্টাৰ আদিৰে সুন্দৰকৈ ১৩ পৃষ্ঠাত চাওক

# চ'ত মহীয়া খৰালিতো লাওখোৱাৰ শান্তি বজাৰৰ পথত কৃত্ৰিম বান

## ■ চামগুৰি ক্ষেত্ৰীয় পথ সংমণ্ডলৰ বিষয়া-ঠিকাদাৰৰ গাফিলতিত দুৰ্ভোগ ■ বুঢ়াচাপৰিলৈ পৰ্যটক যোৱা পথৰ দুৰৱস্থা

**অগ্ৰদূত বাৰ্তা**
**চামগুৰি, ২৭ মাৰ্চ ঃ** নগাঁও জিলাৰ চামগুৰি বিধানসভা সমষ্টিৰ অধীনস্থ লাওখোৱাৰ ভুৰবন্ধা শান্তি বজাৰৰ মাজেদি যোৱা লোকনিৰ্মাণ বিভাগৰ পথত খৰালিতো কৃত্ৰিম বানপানীৰ সৃষ্টি হৈছে। একেদৰে তিনি নম্বৰ বগামুখতো একেটা পথতে সৃষ্টি হৈছে কৃত্ৰিম বানপানী। বাৰিষা কালত বানপানীত বুৰ যোৱা পথটোত এই চ'তমহীয়া খৰালি কালত পথৰ ওপৰত বৰষুণৰ পানীৰে কৃত্ৰিম বানপানী হোৱাতো অঞ্চলবাসীৰ বাবে অভিশাপ বুলি চৰ্চিত হৈছে। লুইতৰ পাৰৰ ভুৰবন্ধা গাঁও পঞ্চায়তৰ অধীনস্থ শান্তি বজাৰৰ মাজেদি সাত নম্বৰ বগামুখলৈ যোৱা পথটোৰ এই অৱস্থাৰ বাবে পথটো নিৰ্মাণ কৰা ঠিকাদাৰ জনকে দোষাৰোপ কৰিছে



ভুক্তভোগী ৰাইজে। চামগুৰি ক্ষেত্ৰীয় পথ উপ-সংমণ্ডলৰ বিষয়া কৰ্মচাৰীৰ তত্ত্বাৱধানত নিৰ্মাণ হোৱা পথটোৰ পৰা পানী নিষ্কাসনৰ কোনো ব্যৱস্থা নোলোৱাকৈ বিভাগীয় অভিযন্তাই নক্সা প্ৰস্তুত কৰা বাবে লোক নিৰ্মাণ বিভাগৰ চামগুৰি ক্ষেত্ৰীয় পথ উপ-সংমণ্ডলৰ বিষয়াও জগৰীয়া বুলি ৰাজহুৱা অভিযোগ উঠিছে। উল্লেখ্য যে লাওখোৱাৰ পৰা শান্তি বজাৰ হৈ উক্ত পথটোৰে বুঢ়াচাপৰি বন্যপ্ৰাণী অভয়াৰণ্যলৈ যোৱা একমাত্ৰ পথ। যিটো সময়ত ৰাজ্য চৰকাৰে পৰ্যটন উদ্যোগক অধিক গুৰুত্ব দি পৰ্যটকক আকৰ্ষিত কৰাৰ বাবে ব্যৱস্থা লৈছে সেই সময়তে বুঢ়াচাপৰি বন্যপ্ৰাণী অভয়াৰণ্য লৈ যোৱা একমাত্ৰ পথটো এই চ'ত মহীয়া খৰালি কালতো পানীত বুৰ গৈ ১৩ পৃষ্ঠাত চাওক

# সংস্কাৰ ভাৰতীৰ সাহিত্যৰথী-সাহিত্যাচাৰ্যৰ মৃত্যু তিথি পালন

**বিশেষ সংবাদদাতা**
**ডিব্ৰুগড়, ২৭ মাৰ্চ ঃ** জাতীয় দায়বদ্ধতাৰ অনুপম চানেকিৰে অসমৰ ভাষা সাহিত্য তথা সংস্কৃতিলৈ অনবদ্য অৱদান আগবঢ়াই যোৱা সাহিত্যৰথী লক্ষ্মী বেজবৰুৱা আৰু সাহিত্যাচাৰ্য মিত্ৰদেৱ মহন্তৰ মৃত্যু তিথি উপলক্ষে কালি সংস্কাৰ ভাৰতীৰ ডিব্ৰুগড় জিলা সমিতিৰ উদ্যোগত বিএল বেৰীয়া সৰস্বতী শিশু মন্দিৰত অনুষ্ঠিত কৰা হয় এক বিশেষ অনুষ্ঠান। সন্ধিয়া ছয় বজাত অনুষ্ঠিত সভাৰ আৰম্ভণিতে সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা আৰু সাহিত্যাচাৰ্য মিত্ৰদেৱ মহন্তৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰে সংস্কাৰ ভাৰতীৰ জিলা সভাপতি যতীন কোঁৱৰে। দুয়োগৰাকী মনীষীৰ অৱদান সম্পৰ্কে চমুকৈ বক্তব্য আগবঢ়াই ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ইঞ্জিনীয়াৰিং ইনষ্টিটিউটৰ সঞ্চালক তথা সংস্কাৰ ভাৰতীৰ ১৩ পৃষ্ঠাত চাওক

অসম দাপোণ
দৈনিক অগ্ৰদূত
গুৱাহাটী, ২৮ মাৰ্চ, সোমবাৰ, ২০২২ পৃষ্ঠা ১৪

# পূব-বনভাগ গাঁও পঞ্চায়তৰ পথ পকীকৰণৰ দাবী ৰাইজৰ



**অগ্ৰদুত বাৰ্তা**
**ঘগ্ৰাপাৰ, ২৭ মাৰ্চঃ** নলবাৰী জিলাৰ ঘগ্ৰাপাৰস্থিত বড়িগোগ বনভাগ উন্নয়ন খণ্ডৰ অন্তৰ্গত পূব বনভাগ গাঁও পঞ্চায়ত এটা গুৰুত্বপূৰ্ণ পথ পকীকৰণৰ দাবী অঞ্চলটোৰ ৰাইজ তথা দল-সংগঠনৰ। উন্নয়ন খণ্ডটোৰ অন্তৰ্গত কএগুকুছি মছজিদ চ'কৰ পৰা কহাৰতোলা গাঁওলৈ যোৱা পথ। উক্ত পথটোত এখন ঐতিহ্যমণ্ডিত পিতপৰা বাৰগোপাল থান আছে। ইয়াত এখন বিদ্যালয় আছে। প্ৰতি বছৰেই বিদ্যালয়লৈ অহা ল'ৰা-ছোৱালীসকলৰ লগতে থানলৈ অহা ভক্তসকলৰ লগতে গাঁওৰ কৃষক সমাজ পথচাৰীয়ে জ্বলা-কলা খুৱাইছে এই পথটোৱে। স্বাধীনতাৰ ৭৫ বছৰৰ পাছতো আজিলৈ এই পথছোৱা পকীকৰণ নহ'ল। প্ৰতি বছৰেই বাৰিষাত সাধাৰণ ৰাইজক ত্ৰাহি মধুসুধন দেখুৱাই এই পথটোৱে। চাইকেল এখন ঠেলিও নিব নোৱাৰে পথটোৱে। গাড়ীটো দূৰৰে কথা। স্থানীয় ৰাইজৰ অভিযোগ মতে, প্ৰতিটো নিৰ্বাচনৰ সময়ত নেতা-পালিনেতাসকলে পথছোৱা পকীকৰণ কৰা হ'ব বুলি প্ৰতিশ্ৰুতি দি আহিছিল যদিও বৰ্তমানও এই পথছোৱা পকীকৰণত পৰিৱৰ্তনকামী বিজেপি চৰকাৰে মুঠেই গুৰুত্ব নিদিলে বুলি অভিযোগ উঠিছে। সম্প্ৰতি আগন্তুক বাৰিষাও এই পথছোৱাৰে যাতায়াত-যোগাযোগ কৰাটো অসম্ভৱ হৈ উঠিব বুলি বিভিন্ন মহলত চৰ্চিত হৈছে।

## নলবাৰী জিলা নাগাৰা নাম সংঘৰ ৩৫ সংখ্যক অধিবেশন সম্পন্ন

# নাগাৰা নামক সংৰক্ষণ কৰাৰ আহ্বান



**অগ্ৰদূত বাৰ্তা**
**নলবাৰী, ২৭ মাৰ্চ ঃ** নলবাৰী জিলা নাগাৰা নাম সংঘৰ ৩৫ সংখ্যক বাৰ্ষিক অধিবেশন জাপাৰকুছি বৰনামঘৰ প্ৰাংগণত এদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত হয়। পতাকা উত্তোলন কৰে সদৌ নলবাৰী জিলা নাগাৰা নাম সংঘৰ সভাপতি ৰাজেন্দ্ৰ ৰাজবংশীয়ে। স্মৃতি তৰ্পণ কৰে সদৌ অসম নাগাৰা নাম সংঘৰ উপ-সভাপতি ৰবীন্দ্ৰ বৰ্মনে। নলবাৰী জিলাৰ বহুসংখ্যক নাগাৰা নামৰ পাঠকে সমন্বয় নাম প্ৰদৰ্শন কৰে। জাপাৰকুছি গ্ৰাম্য পুথিভঁৰাল প্ৰেক্ষাগৃহত বিষয় বাছনি সভা অনুষ্ঠিত হয়। সভাত গিৰিশ বৰ্মনক সভাপতি আৰু নৃপেন বৈশ্যক সাধাৰণ সম্পাদক হিচাপে দায়িত্ব অৰ্পণ কৰি নলবাৰী জিলা নাগাৰা নাম সংঘৰ নতুন সমিতি গঠন কৰা হয়। আবেলি ৰাজেন্দ্ৰ ৰাজবংশীৰ সভাপতিত্বত মুকলি সভা অনুষ্ঠিত কৰা হয়। সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে অভ্যৰ্থনা সমিতিৰ সাধাৰণ সম্পাদক ৰুবুল পাঠকে। সাংস্কৃতিক কৰ্মী সুশীল মেধিয়ে আঁত ধৰা সভাত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে পাঠক ৰামচৰণ ভৰালী, আমন্ত্ৰিত অতিথি হিচাপে উপস্থিত থাকে সদৌ অসম নাগাৰা নাম সংঘৰ সভাপতি বলোৰাম বৈশ্য, সাধাৰণ সম্পাদক নিপন দত্ত কলিতা আৰু ভৱেন বৰ্মন। সভাত বক্তাসকলে নাগাৰা নামৰ বিশেষত্ব আৰু ভৱিষ্যৎ দিনত সংৰক্ষণ কৰাৰ বাবে চৰকাৰক উদ্যোগ গ্ৰহণ কৰিবলৈ আহ্বান জনায়। শেষত অভ্যৰ্থনা সমিতিৰ যুটীয়া সম্পাদক কৌশিক বৰ্মনে শলাগৰ শৰাই আগবঢ়ায়।

# ৰঙাপৰাত পথ দুৰ্ঘটনাত এজনৰ মৃত্যু-আহত এক

**বিশেষ সংবাদদাতা**
**ৰঙাপৰা, ২৭ মাৰ্চ ঃ** শোণিতপুৰ জিলাৰ ৰঙাপৰাত যোৱা নিশা ৮.৩০ বজাত সংঘটিত এক পথ দুৰ্ঘটনাত এজন যুৱকৰ মৃত্যু হয়। ৰঙাপৰা-তেজপুৰ সংযোগী গড়কাপ্তানী পথছোৱাৰে এ এছ-২৫ কিউ-৩৭৯৭ নম্বৰৰ মটৰ চাইকেলেৰে ৰঙাপৰাৰ পৰা চেঁচা অভিমুখে বাইহাটা চাৰিআলিৰ আৰক্ষী থানাৰ অন্তৰ্গত সাজে গাঁৱৰ নিবাসী ৰামেশ্বৰ ডেকাৰ পুত্ৰ শংকৰ ডেকা (৩৫) আৰু একেখন গাঁৱৰে নিবাসী কামেশ্বৰ চৌধুৰীৰ পুত্ৰ ধীৰাজ চৌধুৰী মটৰ চাইকেলেৰে গৈ থাকোতে নিৰ্মীয়মাণ কালভাৰ্টত পথ দুৰ্ঘটনাটো সংঘটিত হয়। ফলত থিতাতে শংকৰ ডেকাৰ মৃত্যু ঘটে।

# নগাঁৱত গাঞ্জাসহ ব্যৱসায়ী আটক

**বিশেষ সংবাদদাতা**
**নগাঁও, ২৭ মাৰ্চ ঃ** হয়বৰগাঁও আৰক্ষী চকীৰ আৰক্ষীয়ে নগাঁও চহৰৰ সমীপৰ গৰৈমাৰীত হবিবুৰ ৰহমান নামৰ এজন গাঞ্জা ব্যৱসায়ীক আটক কৰে। আৰক্ষীয়ে তেওঁৰ পৰা ১.৪ কিলোগ্ৰাম গাঞ্জা জব্দ কৰে। বৰ্তমান অধিক তথ্যৰ বাবে ধৃত লোকজনক হয়বৰগাঁও আৰক্ষীয়ে সোধ-পোছ অব্যাহত ৰাখিছে। উল্লেখ্য যে উক্ত অঞ্চলটোৰ পৰা পূৰ্বেও আৰক্ষীয়ে গাঞ্জা ব্যৱসায়ীক গ্ৰেপ্তাৰ কৰিছিল।

# নগাঁও অসামৰিক চিকিৎসালয়ৰ সমীপতে ভয়াৱহ অগ্নিকাণ্ড

**বিশেষ সংবাদদাতা**
**নগাঁও, ২৭ মাৰ্চ ঃ** নগাঁও ভোগেশ্বৰী ফুকননী অসামৰিক চিকিৎসালয়ৰ সমীপৰ মণিৰাম দেৱান পথত যোৱা নিশা ভয়াৱহ অগ্নিকাণ্ডৰ ঘটনা সংঘটিত হয়। এই অগ্নিকাণ্ডত চিকিৎসালয়খনৰ ক'ভিড ৱাৰ্ডৰ সন্মুখত থকা প্ৰায় আঠখনকৈ ব্যৱসায়ী প্ৰতিষ্ঠানৰ বিস্তৰ ক্ষতিসাধন হয়। এই ব্যৱসায়ী প্ৰতিষ্ঠানসমূহ ক্ৰমে চেলুন, ঘৰুৱা আচবাবৰ বিক্ৰী প্ৰতিষ্ঠান, কম্পিউটাৰৰ দোকান, পাণ-তামোল বিক্ৰেতাৰ দোকান, হোটেল আদি। অগ্নিকাণ্ডত তৌফিক আহমেদ নামৰ লোকজনৰ বাসভৱনৰো ক্ষতিসাধন হয়। জুই লগাৰ পাছত অগ্নিনিৰ্বাপক বাহিনীয়ে অগ্নিনিৰ্বাপন কৰিবলৈ চেষ্টা কৰে। অৱশেষত অগ্নিনিৰ্বাপক বাহিনীৰ কে'বাখনো গাড়ীয়ে দীৰ্ঘ সময়ৰ অন্তত স্থানীয় লোকৰ সহযোগত অগ্নিনিৰ্বাপন কৰিবলৈ সক্ষম হয়। বৈদ্যুতিক শ্বৰ্ট চাৰ্কিটৰ বাবেই এই ভয়াৱহ অগ্নিকাণ্ডত সংঘটিত হোৱাৰ সন্দেহ কৰা হৈছে। অগ্নিকাণ্ডত কোটি টকাৰ সম্পত্তি ক্ষতি হোৱাৰ আশংকা কৰা হৈছে।

## বিদ্যুৎ ব্যাহত হৈ পৰাত ভীতিগ্ৰস্ত ৰাইজ

# খুমটাইত বন্যহস্তীৰ তাণ্ডৱ



**খুমটাই, ২৭ মাৰ্চ ঃ** গোলাঘাট জিলাৰ খুমটাই অঞ্চলত যোৱা নিশা ১০-১৫ জনীয়া এটা বন্যহস্তীৰ জাকে উপদ্ৰৱ চলোৱাৰ লগতে উক্ত সময়ছোৱাতে অহা ধুমুহা-বৰষুণে অঞ্চলটোৰ ৰাইজৰ বিস্তৰ ক্ষতিসাধন কৰে। উল্লেখ্য যে নিশা প্ৰায় ১০ বজাত দৈগ্ৰোং অঞ্চলৰ দিশৰ পৰা অহা বন্যহস্তীৰ জাকটো ধনশিৰি নদী পাৰ হৈ হাতী বৰুৱা আৰু মিঠাআম চাপৰি আদি অঞ্চলত ৰঙালাউ, কচু, সৰিয়হ আদি খাই গচকি অনিষ্ট কৰে। পাছত দুই নম্বৰ বুটলিখোৱা অঞ্চলৰ এখন কাঠনিত আশ্ৰয় লয়। সেই সময়তে অঞ্চলটোত ধুমুহা-বৰষুণ অহাত বিদ্যুৎ যোগান বন্ধ হৈ পৰাত ৰাইজ সমস্যাৰ সন্মুখীন হয় আৰু লগতে ধুমুহা-বৰষুণত ৰাইজৰ ব্যাপক অনিষ্ট হয়। ৰাইজে ধুমুহা-বৰষুণৰ মাজতে বোমা-ফটকা আদি ফুটাই দিয়াত হাতীৰ জাকটো এক নম্বৰ বুটলিখোৱা দিশে আঁতৰি যায়। আজি পুৱাৰ ভাগত হাতীৰ জাকটোৱে ধনশিৰি নদী পাৰ হৈ আঁতৰি যায়।

# কূলহাটীত নৃত্যাংগনৰ পূৰ্বোত্তৰ নৃত্য মহোৎসৱ সম্পন্ন

**অগ্ৰদূত বাৰ্তা**
**হাজো, ২৭ মাৰ্চ ঃ** হাজোৰ কূলহাটীত অসমৰ কথক নৃত্যৰ আগশাৰীৰ প্ৰতিষ্ঠান 'নৃত্যাংগন'ৰ উদ্যোগত যোৱা নিশা পূৰ্বোত্তৰ নৃত্য মহোৎসৱ অনুষ্ঠিত হয়। হাজোৰ দমদমা কূলহাটীস্থিত 'ৰসৰংগ' প্ৰেক্ষাগৃহত অনুষ্ঠিত মহোৎসৱত আগশাৰীৰ কে'বাগৰাকী ধ্ৰুপদী নৃত্য শিল্পীয়ে অংশগ্ৰহণ কৰে। আন্তঃৰাষ্ট্ৰীয় কথক নৃত্যশিল্পী হেমন্ত কুমাৰ কলিতাই প্ৰতিষ্ঠা কৰা কথক নৃত্যৰ প্ৰতিষ্ঠান নৃত্যাংগনত ইতিপূৰ্বেও নৃত্য মহোৎসৱ অনুষ্ঠিত কৰি আহিছে। অনুষ্ঠানত বিশিষ্ট নৃত্য শিল্পী উৰ্মিমালা দাসে মণিপুৰী নৃত্য, হেমন্ত কুমাৰ কলিতাই কথক নৃত্যৰ লগতে নৃত্যাংগনৰ শিক্ষাৰ্থীসকলে বিভিন্ন নৃত্য পৰিৱেশন কৰি অনুষ্ঠানটো জীপাল কৰি তোলে। অনুষ্ঠানত বিশিষ্ট তবলা ওস্তাদ যতীন চেতিয়া, দদৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ পৰেশ বৈশ্য, বিশিষ্টা সমাজসেৱিকা পুষ্পলতা কলিতা প্ৰমুখ্যে শতাধিক শিল্পী, শিক্ষাৰ্থীৰ লগতে অভিভাৱকসকল উপস্থিত থাকে।

# নতুন নপাম নামঘৰৰ ৰাইজৰ ভাগৱত ভ্ৰমণ



**অগ্ৰদূত বাৰ্তা**
**লখিমপুৰ, ২৭ মাৰ্চ ঃ** নতুন নপাম নামঘৰত আজি ৰাইজে ভাগৱত ভ্ৰমণ কাৰ্যসূচী সম্পন্ন কৰে। তদুপলক্ষে গায়ন-বায়নেৰে সু-সজ্জিত বাহনত ভাগৱত পাঁচ কিলোমিটাৰ পথেৰে ভ্ৰমণ কৰা হয়। গাঁৱৰ ৰাইজ একত্ৰিত হৈ সকলোৱে একেলগে হৰিনাম আৰু মংগল ধ্বনিৰে গোটেই পথছোৱা মুখৰিত কৰি অংশগ্ৰহণ কৰে। উক্ত ভাগৱত ভ্ৰমণত গাঁৱৰ বুঢ়া-মেথা, যুৱক-যুৱতীসকলোৱে অংশগ্ৰহণ কৰে। গাঁৱৰ বয়োজ্যেষ্ঠ ৰাজেন গগৈয়ে উল্লেখ কৰা মতে, পবিত্ৰ ভাগৱত গ্ৰন্থখন পঢ়ি ইতি পৰাত গাঁৱৰ ৰাইজৰ মন পবিত্ৰ হৈছে। আজি এই ভাগৱত ভ্ৰমণে নতুন প্ৰজন্মক আধ্যাত্মিকতাৰ প্ৰতি নিশ্চয় মন ধাৱিত কৰিব।

# শিৱসাগৰ আখৈফুটীয়া ৰংগমঞ্চত বিহু কৰ্মশালা আৰম্ভ


**বিশেষ সংবাদদাতা**
**শিৱসাগৰ, ২৭ মাৰ্চ ঃ** শিৱসাগৰ নগৰৰ সমীপৰ আখৈফুটীয়া অঞ্চলৰ আখৈফুটীয়া সাংস্কৃতিক সমাজ আৰু আখৈফুটীয়া যুৱ সংঘৰ উদ্যোগত 'আখৈফুটীয়া ৰংগমঞ্চ'ত যোৱা ২০ মাৰ্চৰ পৰা অহা তিনি এপ্ৰিললৈকে প্ৰশিক্ষক সঞ্জীৱ শইকীয়া, মন্দিপ বৰুৱা, জ্যেষ্ঠ বিহুৱা পৰশজ্যোতি গগৈ, অসীমজ্যোতি ভৰালী, ক্ষীৰোধ গগৈ আৰু বিহুৱতী জীমণি শইকীয়াৰ সুপ্ৰশিক্ষণৰে ১৫দিনীয়া কাৰ্যসূচীৰে এক বিহু কৰ্মশালা অনুষ্ঠিত হৈছে।

# ভিআইপিত বিহু নৃত্য-বিহু বাদ্যৰ কৰ্মশালাৰ সামৰণি



**অগ্ৰদূত বাৰ্তা**
**আজাৰা, ২৭ মাৰ্চ ঃ** আজাৰা ৰাজহ চক্ৰৰ ভিআইপিস্থিত শ্যামভূমি উচ্চ মাধ্যমিক বিদ্যালয় খেলপথাৰত চলি থকা সপ্তাহজোৰা বিহু নৃত্য আৰু বিহু বাদ্যৰ কৰ্মশালাৰ আজি সামৰণি পৰে। ওমেন ছ'চাইটি সাংস্কৃতিক বিদ্যালয়ৰ সৌজন্যত যোৱা ২০ মাৰ্চৰ পৰা চলি থকা কৰ্মশালাত অঞ্চলটোৰ অৰ্ধশতাধিক ল'ৰা-ছোৱালীয়ে অংশগ্ৰহণ কৰে। কৰ্মশালাত মুখ্য প্ৰশিক্ষক ৰূপে অংশগ্ৰহণ কৰে শৈলেন গগৈ, প্ৰকাশ দাস আৰু গীতাঞ্জলি গগৈয়ে। সামৰণি অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকে শিল্পী জীনা ৰাজকুমাৰী, দৈৰ যৌতুক তালুকৰ সভাপতি উপেন নাথ, শ্যামভূমি উচ্চ মাধ্যমিক বিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি ভদ্ৰেশ্বৰ নাথকে ধৰি কে'বাগৰাকী বিশিষ্ট ব্যক্তি। শেষত অংশগ্ৰহণকাৰী প্ৰশিক্ষাৰ্থীসকলক মানপত্ৰ প্ৰদান কৰা হয়।

# অৱসৰপ্ৰাপ্ত অধ্যক্ষ কালিচৰণ ভূঞাৰ বিয়োগ



**বিশেষ সংবাদদাতা**
**ৰঙাপৰা, ২৭ মাৰ্চ ঃ** ৰঙাপৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ কালিচৰণ ভূঞা (৮৮)ৰ যোৱা নিশা তেওঁৰ গুৱাহাটী দ্বাৰকা নগৰত নিজা বাসগৃহত মৃত্যু হয়। তেওঁৰ মৃত্যুত ৰঙাপৰা অঞ্চলত শোকৰ ছাঁ পৰিছে। ইপিনে, ৰঙাপৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ আৰু শিক্ষক সমাজে তেওঁৰ মৃত্যুত শোক প্ৰকাশ কৰিছে। মৃত্যুৰ সময়ত তেওঁ তিনিগৰাকী কন্যা আৰু এজন পুত্ৰ এৰি যায়।

# ৭০গৰাকী মেধাৱী ছাত্ৰ-ছাত্ৰীক বঁটা প্ৰদান

**ছয়গাঁও, ২৭ মাৰ্চ ঃ** ইণ্ডিয়ান বেংকৰ তাৰাবাৰী ছয়গাঁও শাখাৰ জৰিয়তে আজি জনজাতীয় বসতি প্ৰধান অঞ্চল দক্ষিণ ছয়গাঁৱৰ পাণ্টান হাইস্কুল আৰু পাটগাঁও প্ৰাথমিক বিদ্যালয়ৰ ৭০গৰাকী মেধাৱী ছাত্ৰ-ছাত্ৰীক বঁটা প্ৰদান কৰা হয়। অনুষ্ঠানটো সঞ্চালনা কৰে শাখা প্ৰবন্ধক কবিতা চৌধুৰীয়ে। সভাত উপস্থিত থাকি ভাষণ প্ৰদান কৰে ইণ্ডিয়ান বেংকৰ জোনেল মেনেজাৰ চন্দ্ৰনেশ্বৰ গোস্বামীয়ে। ছয়গাঁও মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি ডঃ নগেন কলিতাই সভাত উপস্থিত থাকি ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্যি ভাষণ প্ৰদান কৰে। ইয়াৰ উপৰি পাণ্টান হাইস্কুল পৰিচালনা সমিতিৰ সভাপতি সোনাৰাম ৰাভা, পাণ্টান হাইস্কুলৰ প্ৰধান গৌতম ঠাকুৰীয়া, পাটগাঁও প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক অৰবিন্দ ৰাভা, সমাজকৰ্মী সোণেশ্বৰ ৰাভা আৰু অৰূপ কলিতাই ভাষণ প্ৰদান কৰি শাখা প্ৰবন্ধক কবিতা চৌধুৰীৰ এনে পদক্ষেপক ৰাইজে প্ৰশংসা কৰে।

## যোগানমন্ত্ৰীৰ পুত্তলিকা দাহ

# আকাংশলঘী মূল্যবৃদ্ধিৰ বিৰুদ্ধে ৰঙিয়াত ছাত্ৰ সন্থাৰ প্ৰতিবাদ



**অগ্ৰদূত বাৰ্তা**
**ৰঙিয়া, ২৭ মাৰ্চ ঃ** সমগ্ৰ ৰাজ্যতে নিত্য প্ৰয়োজনীয় সামগ্ৰীৰ লগতে পেট্ৰ'লজাত সমগ্ৰীৰ অস্বাভাৱিক মূল্য বৃদ্ধিৰ প্ৰতিবাদত আজি ৰঙিয়া আঞ্চলিক ছাত্ৰ সন্থাই ৰঙিয়া উত্তাল কৰে। সন্থাৰ সদস্যসকলে আজি ৰঙিয়া হাইৰে চ'কত মূল্যবৃদ্ধিৰ প্ৰতিবাদত এক প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। প্ৰতিবাদকাৰীয়ে যোগানমন্ত্ৰীৰ পুত্তলিকা দাহ কৰি মূল্য বৃদ্ধিৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত কৰে। প্ৰতিবাদকাৰীসকলে যোগানমন্ত্ৰী হায় হায়, বিজেপি চৰকাৰ মুৰ্দাবাদ, মূল্যবৃদ্ধি ৰোধ কৰক, অত্যাৱশ্যকীয় সামগ্ৰীৰ মূল্য বৃদ্ধি কৰা নচলিব, যোগানমন্ত্ৰীৰ কাম নাই আদি শ্ল'গান দি প্ৰতিবাদ স্থলী মুখৰিত কৰি তোলে। প্ৰতিবাদী কাৰ্যসূচী চলি থকাৰ মাজতেই ৰঙিয়া আৰক্ষীয়ে ঘটনাস্থলীত উপস্থিত হৈ প্ৰতিবাদী কাৰ্যসূচীত বাধা প্ৰদান কৰি জ্বলন্ত পুত্তলিকাটো আঁতৰাই দিয়ে। কামৰূপ জিলা ছাত্ৰ সন্থাৰ উপদেষ্টা হেমন্ত দাসৰ নেতৃত্বত ৰূপায়ণ কৰা এই প্ৰতিবাদী কাৰ্যসূচীত সদৌ কামৰূপ জিলা ছাত্ৰ সন্থাৰ উপদেষ্টা হেমন্ত দাস, সাংস্কৃতিক সম্পাদক তৌফিকুৰ ৰহমান, ৰঙিয়া মহকুমা ছাত্ৰ সন্থাৰ ভাৰপ্ৰাপ্ত সভাপতি জিতু ডেকা, ৰঙিয়া আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি জয়ন্ত শৰ্মা, সাঃ সম্পাদক মৃন্ময় কুমাৰ ডেকাসহ অন্যান্য ছাত্ৰ নেতাসকল উপস্থিত থাকে। কামৰূপ জিলা ছাত্ৰ সন্থাৰ উপদেষ্টা হেমন্ত দাসে কয় যে একমাত্ৰ অকৰ্মণ্য যোগানমন্ত্ৰীৰ আজি ৰাজ্যৰ সাধাৰণ জনতা মূল্যবৃদ্ধিৰ বাবে জীয়াতু ভুগি আছে। কথাৰ ফুলজাৰি মাৰি ৰাইজক আভুৱাভঁৰা যোগানমন্ত্ৰীয়ে ৰাজ্যত অত্যাৱশ্যকীয় সামগ্ৰীৰ মূল্যবৃদ্ধি ৰোধৰ ক্ষেত্ৰত আজিলৈ কোনো ব্যৱস্থাই গ্ৰহণ কৰা নাই বুলি ছাত্ৰ নেতা দাসে গুৰুতৰ অভিযোগ উত্থাপন কৰে। তেওঁ পুনৰ কয় যে দুখীয়াৰ চৰকাৰ বুলি দাবী কৰা বিজেপি চৰকাৰৰ দিনত মূল্যবৃদ্ধিৰ সকলো অভিলেখ ভংগ কৰিছে। পেট্ৰ'ল, ডিজেল, ৰন্ধন গেছৰ অস্বাভাৱিক মূল্য বৃদ্ধি হোৱাৰ লগতে নিত্য প্ৰয়োজনীয় সামগ্ৰী বিশেষকৈ চাউল-দাইল-মিঠাতেলসহ নিৰ্মাণ সামগ্ৰীৰ আকাশলংঘী মূল্যবৃদ্ধিয়ে সাধাৰণ ৰাইজক কোঙা কৰি পেলাইছে। ভূতৰ ওপৰত দানহ পৰাদি বিজুলীৰ মাচুল বৃদ্ধি কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰাত ৰাইজে জীয়াতু ভুগিব লগা হৈছে। অনতি পলমে মূল্য বৃদ্ধি ৰোধ নকৰিলে ছাত্ৰ সন্থাই তীব্ৰ গণতান্ত্ৰিক আন্দোলন গঢ়ি তুলিব বুলি দাসে সকীয়াই দিয়ে।

# যোৰহাটত প্ৰাক কাৰিকৰী বৃত্তিমূলক প্ৰশিক্ষণ আৰম্ভ

**অগ্ৰদূত বাৰ্তা**
**লাহদৈগড়, ২৭ মাৰ্চ ঃ** অসম চৰকাৰৰ সৰ্বশিক্ষা অভিযানে বিদ্যালয়সমূহৰ আধাতে শিক্ষা গ্ৰহণৰ পৰা আঁতৰি যোৱা ছাত্ৰ-ছাত্ৰীসকলক কাৰিকৰী বৃত্তিমূলক শিক্ষা প্ৰদানৰ আঁচনি গ্ৰহণ কৰিছে। সেই কাৰিকৰী বৃত্তিমূলক শিক্ষা প্ৰদানৰ সুবিধা যোৰহাটৰ আগশাৰীৰ পঞ্জীয়ন প্ৰাপ্ত স্বেচ্ছাসেৱী সংগঠনসমূহক দায়িত্ব অৰ্পণ কৰিছে। সেই দায়িত্ব যোৰহাটৰ আগশাৰীৰ স্বেচ্ছাসেৱী অনুষ্ঠান 'প্ৰয়াস' নামৰ এটা স্বেচ্ছাসেৱী সংগঠনে লাভ কৰি কালি ১১৩ নম্বৰ ঘৰফলীয়া প্ৰাথমিক বিদ্যালয়ত প্ৰশিক্ষণৰ আৰম্ভ কৰে। বিদ্যালয়খনৰ প্ৰধান শিক্ষয়িত্ৰী পদ্মা শইকীয়াই মুকলি কৰা প্ৰশিক্ষণ সমাজকৰ্মী তথা প্ৰয়াসৰ প্ৰকল্প সঞ্চালক জগন্নাথ অগ্নিবৰাই পৰিচালনা আৰু উদ্দেশ্যে ব্যাখ্যা আগবঢ়ায়। অনুষ্ঠানত মাজুলীৰ পৰা প্ৰকাশিত 'অসম বাৰ্তা' বাতৰি কাকতৰ সম্পাদক তনয় বৰাই সৰ্বশিক্ষা অভিযানৰ এনে কাৰ্যসূচী সময় উপযোগী আৰু অতিকে গ্ৰহণযোগ্য বুলি বক্তব্য প্ৰদান কৰে।

# চন্দ্ৰকমল বেজবৰুৱা মহাবিদ্যালয়, টীয়কৰ উদ্যোগত 'ব'হাগী মেলা'ৰ আয়োজন

**অগ্ৰদূত বাৰ্তা**
**জাঁজী/টীয়ক, ২৭ মাৰ্চ ঃ** যোৰহাট জিলাৰ টীয়কৰ একমাত্ৰ উচ্চ শিক্ষানুষ্ঠান চন্দ্ৰকমল বেজবৰুৱা মহাবিদ্যালয়, টীয়কৰ 'ইনকুবেছন এণ্ড ষ্টাৰ্ট-আপ প্ৰ'গ্ৰেমৰ উদ্যোগত তথা প্ৰাক্তন ছাত্ৰ-ছাত্ৰী মঞ্চ আৰু টীয়ক প্ৰেছ ক্লাবৰ সহযোগত অহা ১০, ১১ আৰু ১২ এপ্ৰিলত 'ব'হাগী মেলা'ৰ আয়োজন কৰা হৈছে। টীয়ক হাস্পতাল তিনিআলিত আয়োজন কৰা 'ব'হাগী মেলা'খনত মহাবিদ্যালয়ত প্ৰতিপালিত ছাগলী, গাহৰি আদি প্ৰদৰ্শন কৰাৰ লগতে মহাবিদ্যালয়ৰ প্ৰাক্তন আৰু বৰ্তমানৰ ছাত্ৰ-ছাত্ৰীসকলে উৎপাদন তথা প্ৰস্তুত কৰা খাদ্য সামগ্ৰী বিশেষকৈ দৈ, চিৰা, আখৈ, হুৰুম, পিঠা, সান্দহ, গুৰ, আচাৰ, শাক-পাচলি, ফলমূল, জনজাতীয় বস্ত্ৰ, সাজ-পাৰ আদি বিক্ৰী কৰা হ'ব। 'ব'হাগী মেলা'ত চিংফৌ, কাৰ্বি, মিচিং আদি জনগোষ্ঠীৰ পৰম্পৰাগত খাদ্য সম্ভাৰেৰে এখন 'জনজাতীয় খাদ্যৰ আখল' বিশেষভাৱে সংযোজন কৰা হ'ব। বহুকেইটা স্থানীয় আত্মসহায়ক গোটে অংশগ্ৰহণ কৰিবলগীয়া মেলাখনত স্থানীয় বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত এখন চিত্ৰাংকন প্ৰতিযোগিতাৰ আয়োজন কৰা হ'ব। ১০ আৰু ১১ এপ্ৰিলৰ সন্ধিয়া মহাবিদ্যালয়ৰ প্ৰাক্তন আৰু বৰ্তমানৰ ছাত্ৰ-ছাত্ৰীসকলৰ দ্বাৰা এটি সাংস্কৃতিক অনুষ্ঠান পৰিৱেশিত হ'ব। অনুষ্ঠানত দৃশ্য-শ্ৰাব্য মাধ্যমেৰে মহাবিদ্যালয়ৰ ভিন্ন কৰ্মৰ চানেকিও প্ৰদৰ্শন কৰা হ'ব। 'ব'হাগী মেলা'ৰ আয়োজক সমিতিৰ সভাপতি ডঃ বিজয় কৃষ্ণ পাচনী আৰু সম্পাদক ডঃ কৰবী গগৈয়ে এক বিবৃতিযোগে সকলোৰে অংশগ্ৰহণ কামনা কৰিছে।

# নাহৰকটীয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ১৯৬৯-৭০ৰ ছাত্ৰ-ছাত্ৰীৰ পুনৰ মিলন সমাৰোহ সম্পন্ন

**অগ্ৰদূত বাৰ্তা**
**নাহৰকটীয়া, ২৭ মাৰ্চ ঃ** নাহৰকটীয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ১৯৬৯-৭০ৰ ছাত্ৰ-ছাত্ৰীসকলৰ ৫০ বছৰ অতিক্ৰম কৰাত যোৱা ২০ মাৰ্চত সোণালী জয়ন্তী বৰ্ষৰ পুনৰ মিলন সমাৰোহ উদ্‌যাপন কৰে। আৰম্ভণিতে প্ৰাক্তন অধ্যক্ষ (হেডছৰ) ফটিক চন্দ্ৰ গগৈৰ প্ৰতিমূৰ্তিত মাল্যাৰ্পণ কৰি এগছি বন্তি প্ৰজ্বলন কৰাৰ লগতে উপস্থিত সতীৰ্থবৃন্দই প্ৰাৰ্থনা কৰে। যিসকল সতীৰ্থ বন্ধুৱে ইতিমধ্যে ইহসংসাৰ ত্যাগ কৰিলে তেওঁলোকৰ আত্মাৰ চিৰশান্তি কামনা কৰি এক মিনিট মৌন প্ৰাৰ্থনা কৰে। ইয়াৰ পাছতে সকলো মিলিত হৈ তেওঁলোকৰ পাৰ হৈ যোৱা দিনবিলাকৰ প্ৰত্যেকেই নিজৰ নিজৰ কৰ্মৰাজি আৰু অভিজ্ঞতাসমূহ আলোকপাত কৰে। স্মৃতি সজীৱ কৰি ৰখাৰ বাবে প্ৰত্যেককে একোটিকৈ প্ৰতীক চিহ্ন প্ৰদান কৰে। সামৰণিত সকলোকে একোটাকৈ মূল্যবান গছপুলি নিজ নিজ বাসস্থানত ৰোপণ কৰিবলৈ প্ৰদান কৰে। সোণালী জয়ন্তী বৰ্ষৰ পুনৰ মিলন সমাৰোহ উদ্‌যাপনৰ বিশেষ উদ্যোগ গ্ৰহণ কৰে তৰুণ ঢেকিয়াল, ডেভিড গোৱালা, নাৰায়ণ ডেকা আৰু সূৰ্য চেংলাৰীয়ে।

## বৰভাগত অসম জাতীয় পৰিষদৰ যোগদান সমাৰোহ

# হিতাধিকাৰী বাছনিৰ দ্বাৰা অসমীয়া জাতি ৰক্ষা নহয় ঃ লুৰীণ



**অগ্ৰদূত বাৰ্তা**
**বৰভাগ, ২৭ মাৰ্চ ঃ** অসম জাতীয় পৰিষদ মূল্যবোধৰ ৰাজনীতিত বিশ্বাসী । নিজৰ জাতিটোক ৰক্ষা কৰিবলৈ, আত্মমৰ্যাদা সহকাৰে জীয়াই থাকিবলৈ হ'লে সৰ্বস্তৰৰ ৰাইজ একত্ৰিত হ'ব লাগিব।' এই মন্তব্য অসম জাতীয় পৰিষদৰ সভাপতি লুৰীণজ্যোতি গগৈৰ । আজি নলবাৰী জিলাৰ বৰভাগৰ কৰিয়া দুৰ্গাপূজাৰ বাকৰিত বৰক্ষেত্ৰী সমষ্টিৰ উদ্যোগত আৰু নলবাৰী জিলা সমিতিৰ সহযোগত অনুষ্ঠিত যোগদান সমাৰোহত অংশগ্ৰহণ কৰি তেওঁ এইদৰে কয়। ভাষণ প্ৰসংগত গগৈয়ে কয় যে হিতাধিকাৰী বাছনিৰ দ্বাৰা অসমীয়া জাতিটোক কেতিয়াও ৰক্ষা কৰিব পৰা নাযায়। বৰ্তমান অসমত বিভাজনৰ ৰাজনীতি চলিছে। অসমীয়া মানুহৰ স্বাভিমানক জলাঞ্জলি দি সুৰক্ষিত ভৱিষ্যতৰ আশা কৰিব নোৱাৰি। অজাপৰ নলবাৰী জিলা সমিতিৰ সভাপতি নগেন ডেকাৰ পৌৰোহিত্যত অনুষ্ঠিত সভাখনত গগৈয়ে পুনৰ কয় যে অসম জাতীয় পৰিষদে জাতীয়তাবাদত বিশ্বাস কৰে। আমাৰ সম্পদৰ অধিকাৰ আমাৰ হাতত ন্যস্ত থকাই জাতীয় পৰিষদৰ মূল দৃষ্টিভংগী ।তেওঁ বিজেপি চৰকাৰক সমালোচনা কৰে। বৰক্ষেত্ৰী সমষ্টি কমিটীৰ সাধাৰণ সম্পাদক চন্দন কলিতাই আঁত ধৰা যোগদান সমাৰোহ সভাখনত সমষ্টিটোৰ যুৱনেতা শান্তনু কলিতাৰ নেতৃত্বত প্ৰায় দুই শতাধিক লোকে অসম জাতীয় পৰিষদত যোগদান কৰে । সভাত দলটোৰ উপ-সভাপতি দুলু আহমেদে ভাষণ দি অসমৰ ভৱিষ্যত জাতীয় পৰিষদৰ বিকল্প হ'ব নোৱাৰে বুলি কয়। জাতীয় পৰিষদৰ সাধাৰণ সম্পাদক জগদীশ ভূঞাই বিজেপিক সমালোচনা কৰি ধৰ্মৰ নামত বিভাজনৰ ৰাজনীতি কৰা বুলি প্ৰকাশ কৰে । তেওঁ বৰ্তমানৰ ৰাজনীতি দুই মেৰুত অৱস্থান কৰাৰ কথা উল্লেখ কৰি আজমলে মুছলমানৰ নামত আৰু বিজেপিয়ে হিন্দুৰ নামত ৰাজনীতি কৰি আছে বুলি কয়। সভাত দলটোৰ প্ৰচাৰ বিভাগৰ জিয়াউৰ ৰহমানে ভাষণ দি কয়-বিজেপি দলে কেৱল মিছা কথাৰ দ্বাৰা ৰাইজৰ মাজত অপপ্ৰচাৰ সৃষ্টি কৰাত সিদ্ধহস্ত। সভাত শান্তনু কলিতাইও ভাষণ দিয়ে। আজিৰ যোগদান সমাৰোহত কেন্দ্ৰীয় নেতা ৰমেন্দ্ৰ মল্ল বুজৰবৰুৱা, দেৱজিৎ চৌধুৰী, হিমাংশু বৰ্মন আদিৰ লগতে জিলা সমিতি আৰু সমষ্টি সমিতিৰ বিভিন্ন বিষয়ববীয়া উপস্থিত থাকে।

# চেণ্ট মেৰিজ স্কুলৰ শিক্ষয়িত্ৰী পাৰবিন আহমেদ ৰহিমৰ মৃত্যু

**বিশেষ সংবাদদাতা**
**ডিব্ৰুগড়, ২৭ মাৰ্চ ঃ** ডিব্ৰুগড়ৰ কনভয় ৰোডৰ আকাশবাণীৰ সন্মুখত থকা আৰু ডিব্ৰুগড়ৰ চেণ্ট মেৰিজ হায়াৰ ছেকেণ্ডাৰী স্কুলৰ জ্যেষ্ঠ শিক্ষয়িত্ৰী পাৰবিন আহমেদ ৰহিম (৫৫)ৰ আজি পুৱা হৃদ ৰোগত আক্ৰান্ত হৈ মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁ স্বামী তথা অসম চৰকাৰৰ সংখ্যালঘু উন্নয়ন ব'ৰ্ডৰ ডিব্ৰুগড় জিলাৰ অধ্যক্ষ আতিকুৰ ৰহিম (ৰানা)ৰ লগতে দুজন পুত্ৰ আৰু বহু আত্মীয়ক ইহসংসাৰত এৰি যায়। পাৰবিন আহমেদে ২০০৩ৰ পৰা মৃত্যুৰ আগলৈকে সুদীৰ্ঘ ১৯ বছৰ ধৰি ডিব্ৰুগড়ৰ চেণ্ট মেৰিজ হায়াৰ ছেকেণ্ডাৰী স্কুলত সেৱা আগবঢ়াই আছিল। আজি তেওঁৰ জানাজা সন্ধিয়া নালিয়াপুৰ কবৰস্থানত সম্পন্ন কৰা হয়। তেওঁৰ মৃত্যুত ডিব্ৰুগড়ৰ চেণ্টাৰ ফৰ ইছলামিক ষ্টাডিজৰ সভাপতি ডাঃ আহমেদউল্লা খান, সম্পাদক এম হাছিম আলী, কনভয় ৰোডত থকা ন-মছজিদ কমিটীৰ সভাপতি আলহাজ, নাচিমুল গণি, সম্পাদক আলহজ নাচিমুৰ ৰহমান (জিনু), ডিব্ৰুগড়ৰ ইমাম পৰিষদ, কৌমি মাদ্ৰাছা সন্থা, ফৈজে ইলিয়াছ মাদ্ৰাছাৰ অধ্যক্ষ আদি বিভিন্নজনে শোক প্ৰকাশ কৰাৰ লগতে শোকসন্তপ্ত পৰিয়াললৈ সমবেদনা জ্ঞাপন কৰে।

### অংশ ল'ব অসমৰ আন্তঃৰাষ্ট্ৰীয় সীমান্তৰ লগত সংলগ্ন থকা নখন জিলাৰ ৩৫০ নিৰ্বাচিত ল'ৰা-ছোৱালীয়ে

# গুৱাহাটীত প্ৰথম সীমান্ত ক্ৰীড়া মহোৎসৱ



## তিনিদিনীয়া ৰাজ্যিক প্ৰতিযোগিতাত অনুষ্ঠিত হ'ব কাবাদী, এথলেটিকছ, ভলীবল খেল ঃ শ্ৰেষ্ঠ জিলালৈ এক লাখ টকা

**গুৱাহাটী, ২৭ মাৰ্চ ঃ** অহা চাৰি, পাঁচ আৰু ছয় এপ্ৰিলত গুৱাহাটীৰ সৰুসজাই ষ্টেডিয়ামত অনুষ্ঠিত হ'ব প্ৰথম সীমান্ত ক্ৰীড়া মহোৎসৱ, 2022। উল্লেখ্য যে সীমান্ত চেতনা মঞ্চ, পূৰ্বোত্তৰ শাখাই ৰাজ্য চৰকাৰৰ ক্ৰীড়া বিভাগৰ সহযোগত এই তিনিদিনীয়া ৰাজ্যিক প্ৰতিযোগিতাখন আয়োজন কৰিছে। প্ৰতিযোগিতাখনৰ আয়োজন সম্পৰ্কে অৱগত কৰি আজি এখন সংবাদমেলত সম্পাদক সুজল বৰদলৈয়ে কয় যে প্ৰথমবাৰৰ বাবে আয়োজন কৰা এই ক্ৰীড়া মহোৎসৱত তিনি বিধ খেল অন্তভুক্ত কৰা হৈছে। সেই অনুসৰি তিনিদিনীয়া ৰাজ্যিক প্ৰতিযোগিতাখনত এথলেটিকছ, কাবাদী আৰু ভলীবল অনুষ্ঠিত হ'ব। ল'ৰা-ছোৱালী উভয় শাখাৰ প্ৰতিযোগিতাখনৰ এথলেটিকছৰ বয়স শাখা হ'ল 16 ৰ পৰা 19 বছৰ। আনহাতে, কাবাদী আৰু ভলীবলৰ বয়স শাখা হ'ল 16 ৰ পৰা 22 বছৰ। প্ৰতিযোগিতাত কোনো ৰাজ্যিক বা জিলাৰ পঞ্জীয়ন থকা খেলুৱৈয়ে অংশ নলয়। অসমৰ আন্তৰ্জাতিক সীমান্তৰ 15 কিলোমিটাৰৈলে সংলগ্ন হৈ থকা মুঠ নখন জিলাৰ গ্ৰাম্যাঞ্চলৰ নৱাগত খেলুৱৈয়েহে সীমান্ত চেতনা মঞ্চ, পূৰ্বোত্তৰ শাখাই আয়োজন কৰা প্ৰথম সীমান্ত ক্ৰীড়া মহোৎসৱ, 2022 ত অংশ ল'ব। অংশগ্ৰহণকাৰী নখন জিলা হ'ল ধুবুৰী, দক্ষিণ শালমাৰা, মানকাছাৰ, চিৰাং, ওদালগুৰি, তামোলপুৰ, বাকসা, কোকৰাঝাৰ, কাছাৰ আৰু কৰিমগঞ্জ। উল্লেখ্য যে ৰাজ্যিক প্ৰতিযোগিতাখনৰ পূৰ্বে এই নখন জিলাত চাৰিৰ পৰা 11 মাৰ্চলৈ অনুষ্ঠিত হৈছিল জিলা পৰ্যায়ৰ প্ৰতিযোগিতা। জিলাৰ শ্ৰেষ্ঠসকলক নিৰ্বাচন কৰি এতিয়া অহা চাৰি, পাঁচ আৰু ছয় এপ্ৰিলত গুৱাহাটীৰ সৰুসজাই ষ্টেডিয়ামত অনুষ্ঠিত হ'ব প্ৰথম সীমান্ত ক্ৰীড়া মহোৎসৱ, 2022। ৰাজ্যিক প্ৰতিযোগিতাখনত প্ৰায় 350 গৰাকী খেলুৱৈয়ে অংশ ল'ব। উল্লেখ্য যে ৰাজ্য চৰকাৰৰ ক্ৰীড়া বিভাগে খেল আয়োজনৰ সকলো যাৱতীয় ব্যৱস্থা কৰি দিয়াৰ লগতে প্ৰতিভা চিনাক্ত কৰি ৰাজ্যিক দলত নিৰ্বাচন কৰাৰ দিশতো মূখ্য ভূমিকা ল'ব। সংবাদমেলত উপস্থিত থকা ডঃ বিনীতা ভাগৱতীয়ে কয় যে চাৰি এপ্ৰিলত আবেলি হ'ব লগা উদ্বোধনী অনুষ্ঠানত মূখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা, ক্ৰীড়া মন্ত্ৰী বিমল বৰা আৰু বি টি আৰৰ মূখ্য কাৰ্যবাহী প্ৰমোদ বড়ো উপস্থিত থকাৰ লগতে ছয় এপ্ৰিলৰ সামৰণি অনুষ্ঠানত সীমা জাগৰণ মঞ্চৰ অখিল ভাৰতীয় সংযোজক গোপাল কৃষ্ণন তথা পৰিবহন মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে অংশ ল'ব। তেওঁ লগতে কয় যে আন্তৰ্জাতিক সীমান্তৰ জিলাক একত্ৰিত কৰি এয়াই হৈছে দেশৰ প্ৰথম তথা একমাত্ৰ ৰাজ্যিক ক্ৰীড়া প্ৰতিযোগিতা। ক্ৰীড়া মহোৎসৱৰ শ্ৰেষ্ঠ খেলুৱৈসকলক পুৰস্কিত কৰাৰ লগতে শ্ৰেষ্ঠ জিলাখনক এক লাখ টকা প্ৰদান কৰা হ'ব। উল্লেখ্য যে সীমা জাগৰণ মঞ্চৰ অখিল ভাৰতীয় সহ সংযোজক প্ৰদীপনক উপদেষ্টা তথা ক্ৰীড়া মন্ত্ৰী বিমল বৰাক সভাপতি ৰূপে লৈ এখন আয়োজক কমিটী ইতিমধ্যে গঠন কৰা হৈছে। আজিৰ সংবাদমেলত উপস্থিত থাকে প্ৰচাৰ সচিব প্ৰিয়ংকা পালিতো।



## এছিয়ান গেমছলৈ যোগ্যতা অৰ্জন অসম সন্তান জয়ন্তৰ

**গুৱাহাটী, ২৭ মাৰ্চ ঃ** অসমৰ অলিম্পিয়ান আৰ্চাৰ তথা অৰ্জুন বঁটা বিজয়ী ক্ৰীড়াবিদ জয়ন্ত তালুকদাৰে চলিত বৰ্ষতে চীনত হ'বলগা এছিয়ান গেমছলৈ যোগ্যতা অৰ্জন কৰিছে। উল্লেখ্য যে আজি হাৰিয়ানাত অনুষ্ঠিত হয় ভাৰতীয় আৰ্চাৰী দলৰ বাছনি। চীনত হ'বলগা এছিয়ান গেমছলৈ টিকট লাভ কৰা ভাৰতৰ ৰিকাৰ্ভ পুৰুষ দলৰ সদস্যসকল হ'ল জয়ন্ত, তৰুণদ্বীপ, নীৰজ আৰু শচীন। আনহাতে, ৰিকাৰ্ভ শাখাৰ মহিলা দলৰ সদস্যাসকল হ'ল অংকিতা, কমলিকা, ছিমৰণ আৰু ৰিদ্ধি। উল্লেখ্য যে অসমৰ অলিম্পিয়ান আৰ্চাৰ তথা অৰ্জুন বঁটা বিজয়ী ক্ৰীড়াবিদ জয়ন্ত তালুকদাৰে অন্তিমবাৰৰ বাবে 2014 ত এছিয়ান গেমছত খেলিছিল। আনহাতে, 2006 আৰু 2010 ৰ এছিয়ান গেমছত পদক লাভ কৰিছিল অসমৰ ভাৰত গৌৰৱ ক্ৰীড়াবিদ জয়ন্তই।

## বৰদলৈ ট্ৰফীত ড্ৰ খেলি বিপদত বিদ্যুৎ পৰিষদ-গুৱাহাটী টাউন ক্লাব

**গুৱাহাটী, ২৭ মাৰ্চ ঃ** দেশৰ অন্যতম আগশাৰীৰ ফুটবল প্ৰতিযোগিতা চলিত 68 সংখ্যক ভাৰতৰত্ন লোকপ্ৰিয় গোপীনাথ বৰদলৈ ট্ৰফীৰ আজি জজ খেলপথাৰত হোৱা বিদ্যুৎ পৰিষদ আৰু গুৱাহাটী টাউন ক্লাবৰ মেচখন গ'লশূন্য ড্ৰ হয়। উল্লেখ্য যে আজি জজ খেলপথাৰত অনুষ্ঠিত হোৱা বৰদলৈ ট্ৰফীৰ উদ্বোধনী মেচত আই টি বি পি দল মুখামুখি হৈছিল গুৱাহাটী টাউন ক্লাবৰ। মেচখনত পৰাস্ত হৈছিল গুৱাহাটী টাউন ক্লাব। আনহাতে বিদ্যুৎ পৰিষদো প্ৰথম মেচত পৰাস্ত হৈছিল ইণ্ডিয়া ক্লাবৰ বিৰুদ্ধে। ফলত উভয় দলৰে ছেমিলৈ উত্তৰণৰ আশা প্ৰায় সমাপ্ত হৈছে। উল্লেখ্য যে প্ৰতিযোগিতাৰ আয়োজক গুৱাহাটী ক্ৰীড়া সন্থাই এইবাৰ বৰদলৈ ট্ৰফী ফুটবল প্ৰতিযোগিতাৰ মেচ গুৱাহাটীৰ লগতে চিৰাং, ছিপাঝাৰ আৰু বাইহাটা চাৰিআলিতো অনুষ্ঠিত কৰিছে। এইবাৰ প্ৰতিযোগিতাত অংশ লোৱা মুঠ 16 টা দলে 24 খন লীগ মেচ খেলিব। সূচী অনুসৰি চাৰিটা গ্ৰুপৰ পৰা চেম্পিয়ন এটা দলে প্ৰতিযোগিতাৰ ছেমিফাইনেললৈ যোগ্যতা অৰ্জন কৰিব। অহা পহিলা এপ্ৰিলত বৰদলৈ ট্ৰফীৰ ছেমিফাইনেল দুখন হোৱাৰ বিপৰীতে তিনি এপ্ৰিলত অনুষ্ঠিত হ'ব ফাইনেল।



ৰাষ্ট্ৰীয় যুৱ ভাৰোত্তোলনত সোণ লাভ কৰা অসমৰ সুদিত্য বৰুৱা।

## অসম পুলিচৰ বিৰুদ্ধে দৈমালু ক্লাবৰ জয়লাভ

অগ্ৰদূত বাৰ্তা

**বাইহাটা চাৰিআলি, ২৭ মাৰ্চ ঃ** কামৰূপ জিলাৰ বাইহাটা চাৰিআলিৰ নিকতবৰ্তী কৰৰাত চলি থকা লোকপ্ৰিয় গোপীনাথ বৰদলৈ ট্ৰফী ফুটবল প্ৰতিযোগিতাৰ আজি অনুষ্ঠিত তৃতীয় খন খেলত ওদালগুৰিৰ দৈমালু ক্লাব বিজয়ী হয়। কৰৰা ইয়ুথ এথলেটিকছ ক্লাবৰ সহযোগত কৰৰা মিনি ষ্টেডিয়ামত অনুষ্ঠিত খেলত আজি দৈমালু ক্লাৱে প্ৰথমাৰ্ধতে অসম পুলিচ ব্লুজক দুটাকৈ গ'ল দিয়ে। ইয়াৰ প্ৰত্যুত্তৰত অসম পুলিচ ব্লুজে মাত্ৰ এটা গল পৰিযোধ কৰিবলৈ সক্ষম হয়। দ্বিতীয়াৰ্ধত খেলখন যথেষ্ট উত্তেজনা পূৰ্ণ হয় যদিও কোনোৱে গল দিব নোৱাৰাত 2-1 গলৰ ব্যৱধানত দৈমালু ক্লাব বিজয়ী হয় । অহা 29 মাৰ্চত দিল্লী এফ চি আৰু অসম ৰাইফলচ, ছিলংৰ মাজত চতুৰ্থ খন খেল অনুষ্ঠিত হ'ব।



## ছুইছ অপেনত সিন্ধুৰ খিতাপ

**নতুন দিল্লী, ২৭ মাৰ্চ ঃ** ক্ৰমাগত দুখন অলিম্পিকত পদক জয় কৰা ভাৰতৰ তাৰকা মহিলা শ্বাটলাৰ পি ভি সিন্ধুই ছুইছ অপেনৰ মহিলাৰ একক শাখাৰ খিতাপ লাভ কৰিছে। আজি হোৱা ফাইনেলত সিন্ধু 21-16, 21-8 ৰ পোনপটীয়া ব্যৱধানত জয়ী হয়। ইফালে, ভাৰতৰ এইছ এছ প্ৰনয়ে ছুইছ অপেনৰ পুৰুষৰ একক শাখাৰ ফাইনেল খেলিছিল যদিও 21-12, 21-18 ৰ পোনপটীয়া ব্যৱধানত পৰাস্ত হৈ ৰানাৰ্চআপতে সন্তুষ্ট থাকে।

## মুম্বাইৰ বিৰুদ্ধে দিল্লীৰ জয়লাভ

**মুম্বাই, ২৭ মাৰ্চ ঃ** চলিত আই পি এলৰ আজিৰ প্ৰথমখন মেচত দিল্লী কেপিটেলছে চাৰি উইকেটত পৰাস্ত কৰে মুম্বাই ইণ্ডিয়ানছক। পোনতে বেটিং কৰি মুম্বাই দলে ইযান কিযানৰ 81 আৰু ৰোহিত শৰ্মাৰ 41 ৰাণৰ সহায়ত পাঁচ উইকেটত 177 ৰাণ কৰে। দিল্লীৰ কুলদ্বীপ যাদবে তিনিটা উইকেট পায়। প্ৰত্যুত্তৰত, দিল্লী দলে ছয় উইকেট 179 ৰাণ কৰি জয় অৰ্জন কৰে। ললীত যাদবে 48 তথা অক্ষৰ আৰু পৃথ্বিয়ে 38 ৰাণকৈ কৰে।



## নৰ্থ ইষ্ট ইউনাইটেড-অসম ৰেজিমেণ্টেল দলৰ খেল ড্ৰ

অগ্ৰদূত বাৰ্তা

**গৰুভাষা, ২৭ মাৰ্চ ঃ** চিৰাং জিলাৰ ভাৰত-ভূটান সীমান্তৱৰ্তী থাইকাজোৰাত চলা 68 সংখ্যক লোকপ্ৰিয় গোপীনাথ বৰদলৈ ট্ৰফী ফুটবল প্ৰতিযোগিতাৰ 'ডি' গ্ৰুপৰ আজি অনুষ্ঠিত নৰ্থ-ইষ্ট ইউনাইটেড এফ চি আৰু অসম ৰেজিমেণ্টেল চেণ্টাৰৰ মাজৰ খেল 1-1 গলত ড্ৰ হয়। স্থানীয় ৰাইন' ক্লাবৰ খেলপথাৰত অনুষ্ঠিত উত্তেজনাপূৰ্ণ খেলখনত 38 মিনিটত আলফ্ৰেড লালৰিঅ'তচাঙে দিয়া গলৰ সহায়ত নৰ্থ ইষ্ট ইউনাইটেড এফ চিয়ে বিৰতিলৈকে 1-0 গলৰ অগ্ৰগতি লাভ কৰিছিল। কিন্তু 70 মিনিটত ৰেজিমেণ্টেলৰ হৈ মাইছোপ্ৰাং লেংমুৱে গলটো পৰিশোধ কৰি সমতা স্থাপন কৰে। খেলখন পৰিচালনা কৰে ধনঞ্জয় বসুমতাৰীয়ে। লাইনত সহায় কৰে হীৰেন বৰ্মন আৰু হাবিব ৰাৰীয়ে। চতুৰ্থ ৰেফাৰী আছিল ইজৰাইল হেমব্ৰম। কাইলৈৰ খেলত ইউনাইটেড চিৰাং দুৱাৰ এফ চিয়ে ছিলং লাজং এফ চিৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।



## দৰঙৰ বৰদলৈ ট্ৰফীত অইলৰ বিৰুদ্ধে নগালেণ্ড পুলিচৰ জয়

অগ্ৰদূত বাৰ্তা

**দেওমৰনৈ, ২৭ মাৰ্চ ঃ** চলিত বৰদলৈ ট্ৰফী ফুটবলৰ গ্ৰুপ 'চি'ৰ আজি অনুষ্ঠিত তৃতীয় খন খেলত নগালেণ্ড পুলিচে অইল ইণ্ডিয়াক 2-1 গলত হৰুৱাই সম্পূৰ্ণ পইণ্ট অৰ্জন কৰিছে। দৰং জিলাৰ ঘিলাকুৰিস্থ জোনজ্যোতি আঞ্চলিক প্ৰগতি সংঘৰ খেলপথাৰত চলি থকা প্ৰতিযোগিতাৰ আজিৰ খেলৰ 18 মিনিটত এটা পেনাল্টী শ্বটৰ সুবিধা গ্ৰহণ কৰি অইল ইণ্ডিয়াৰ মিলন বসুমতাৰীয়ে প্ৰথম গলটো দি দলক অগ্ৰগতি দিয়ে যদিও 32 মিনিটত নগালেণ্ড পুলিচৰ হৈ খেওটেলহি ঠুপীয়ে সমতা স্থাপন কৰে। দৰ্শকৰ আমোদজনক তীব্ৰ প্ৰতিদন্দ্বিতামূলক খেলৰ 84 মিনিটত পুনৰ নগালেণ্ড পুলিচৰ মিঠু সিঙে বিজয় সূচক গলটো দি দলৰ জয় নিশ্চিত কৰে। খেল পৰিচালনা কৰে ৰিপুনাথ গগৈয়ে। আনহাতে, লাইনত সহায় কৰে দেৱাশীষ মজুমদাৰ আৰু জিগীৰ বড়োৱে। চতুৰ্থ পৰিচালকৰ দায়িত্ব পালন কৰে মোবাৰক হুছেইনে । কাইলৈ দিল্লী চি আই এছ এফ আৰু তিনিচুকীয়াৰ বডোচা স্পৰ্টছ ক্লাবৰ মাজত খেল অনুষ্ঠিত হ'ব। আজিৰ খেলত মঙলদৈৰ সাংসদ তথা ভাৰতীয় জনতা পাৰ্টীৰ ৰাষ্ট্ৰীয় সাধাৰণ সম্পাদক দিলীপ শইকীয়া উপস্থিত থাকি শুভেচ্ছা মূলক বক্তব্য জৰিয়তে জোনজ্যোতি আঞ্চলিক প্ৰগতি সংঘৰ খেল পথাৰখন উন্নত মানদণ্ডৰ কৰি তোলাৰ আশ্বাস প্ৰদান কৰে।

## বাড ক্ৰিকেট ক্লাব চেম্পিয়ন

অগ্ৰদূত বাৰ্তা

**মঙলদৈ, ২৭ মাৰ্চ ঃ** বাড ক্ৰিকেট ক্লাবে চতুৰ্থ বাৰ্ষিক জগত চন্দ্ৰ দাস সোঁৱৰণি টি-20 ক্ৰিকেট প্ৰতিযোগিতাত চেম্পিয়নৰ খিতাপ অৰ্জন কৰিছে। আজি ফাইনেলত দলে পৰাস্ত কৰে বি ডি এম চি চি চিক। টচত জিকি প্ৰথমে বেটিং কৰি বাড ক্ৰিকেট ক্লাবে সৰুপম পুৰকায়স্থৰ দূৰ্দান্ত 65 ৰান আৰু শিৱম মিট্টালৰ 50 ৰানৰ সুন্দৰ বৰঙনিৰে 20 অভাৰত ছয় উইকেট হেৰুৱাই 171 ৰান কৰে। বি ডি এম চি চি চিৰ বলাৰ তেজিন্দৰ সিঙে তিনিটা উইকেট লাভ কৰে। ইফালে, 172 ৰানৰ লক্ষ্য আগত লৈ বি ডি এম চি চি চিয়ে 20 অভাৰত আঠ উইকেটত 134 ৰান কৰি পৰাজয় বৰণ কৰে। দীপ্তেস চাহাই 40 আৰু শিৱ শংকৰ ৰয়ে 27 ৰানৰ বৰঙনি আগবঢ়ায়। আনহাতে বাডৰ পুষ্পৰাজ শৰ্মাই তিনিটা আৰু প্ৰীতম দাসে দুটা উইকেট দখল কৰে। মেন অৱ দা মেচ সন্মান লাভ কৰে বাড ক্ৰিকেট ক্লাবৰ সৰুপম পুৰকায়স্থই।

### আই চি চি মহিলা বিশ্বকাপ ক্ৰিকেট

## দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে পৰাস্ত হৈ বিদায় ল'লে ভাৰতে

**হেমিল্টন, ২৭ মাৰ্চ ঃ** ভাৰতীয় মহিলা দলে চলিত আই চি চি মহিলা বিশ্বকাপৰ পৰা বিদায় লৈছে। উল্লেখ্য যে আজি হোৱা এখন মৰণপণ মেচত ভাৰতে দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে তিনি উইকেটত পৰাস্ত হোৱাৰ লগে লগে দলৰ ছেমিফাইনেলত প্ৰৱেশৰ আশা সমাপ্ত হয়। পোনতে বেটিং কৰি ভাৰতে 274-7 ৰাণ কৰাৰ প্ৰত্যুত্তৰত দক্ষিণ আফ্ৰিকাই 275-7 ৰাণ কৰি জয় অৰ্জন কৰে। এই মেচত জয়ী হ'লে ছেমিফাইনেলত প্ৰৱেশ কৰিলেহেঁতেন ভাৰতে। উল্লেখ্য যে, ভাৰতীয় মহিলা দলটোৱে সাত খন মেচ খেলি তিনিখনত জয় লাভ কৰাৰ লগতে চাৰিখনত পৰাস্ত হ'ল আৰু তালিকাৰ পঞ্চম স্থানত থাকিল। উল্লেখ্য যে চলিত আই চি চি মহিলা বিশ্বকাপ ভাৰতৰ মিতালীৰ অন্তিম বিশ্বকাপ।



## অ'এমচিচি ওদালগুৰি চেম্পিয়ন

বিশেষ সংবাদদাতা

**ওদালগুৰি, ২৭ মাৰ্চ ঃ** ওদালগুৰি ক্ৰিকেট কোচিং চেণ্টাৰৰ উদ্যোগত ওদালগুৰি উচ্চতৰ মাধ্যমিক বিদ্যালয় খেল পথাৰত চলি থকা প্ৰথম বাৰ্ষিক প্ৰয়াত ৰত্নকান্ত পাঠক আৰু প্ৰয়াত ললিতা পাঠক সোঁৱৰণী ক্ৰিকেট প্ৰতিযোগিতাৰ আজিৰ চূড়ান্ত খেলখনত ওদালগুৰি অ'এমচচিচি দলে বিকে চেলেঞ্জাৰ নলবাৰীৰ বিৰুদ্ধে তিনি উইকেটত জয়ী হৈ চেম্পিয়নৰ খিতাপ অৰ্জন কৰে। টছত জিকি প্ৰথমে ফিল্ডিঙৰ সিদ্ধান্ত লয় অ'এমচিচিয়ে। নলবাৰীয়ে 20 অভাৰত আটাইকেইটা উইকেট হেৰুৱাই 151 ৰাণ সংগ্ৰহ কৰে। নলবাৰীৰ জিতু ডেকাই 36 ৰাণ কৰাৰ বিপৰীতে অ'এমচিচিৰ প্ৰদীপ চৰকাৰে তিনিটা উইকেট দখল কৰে। ইয়াৰ প্ৰত্যুত্তৰত বেট ধৰি অ'এমচিচিয়ে 19.2 অভাৰত সাতটা উইকেটৰ বিনিময়ত জয়ৰ লক্ষত উপনীত হয়। অ'এমচিচিৰ প্ৰদীপ সৰকাৰে 43 ৰাণ কৰাৰ বিপৰীতে নলবাৰীৰ অৱিনাশ কাশ্যপ আৰু দিবনজ্যোতি বৰ্মণে দুটাকৈ উইকেট দখল কৰে। আজিৰ খেলখনত শ্ৰেষ্ঠ খেলুৱৈৰ সন্মান লাভ কৰে অ'এমচিচিৰ প্ৰদীপ সৰকাৰে। প্ৰতিযোগিতাখনিৰ শ্ৰেষ্ঠ খেলুৱৈৰ সন্মান লাভ কৰে অ'এমচিচিৰ আমিনুল হাছানে। প্ৰতিযোগিতাখনিৰ বিজয়ী দলক নগদ 30 হাজাৰ টকাসহ ট্ৰফী আৰু বিজিত দলক 15 হাজাৰ টকাসহ ট্ৰফী প্ৰদান কৰা হয়। আজিৰ সামৰণি অনুষ্ঠানত প্ৰয়াত ৰত্নকান্ত পাঠক আৰু ললিতা পাঠকৰ পৰিয়ালবৰ্গ, জিলা ক্ৰিকেট সন্থাৰ সভাপতি তথা প্ৰাক্তন মন্ত্ৰী ৰিহন দৈমাৰীকে প্ৰমূখ্যে ওদালগুৰি আৰু তেজপুৰ ক্ৰিকেট সন্থা আৰু ওদালগুৰি ক্ৰিকেট কোচিং চেণ্টাৰৰ বিষয়ববীয়াসকল উপস্থিত থাকে।



## লৌহপুৰুষৰ জন্মজয়ন্তীত ক্ৰীড়াবিদ-সংগঠকক সন্মান



**গুৱাহাটী, ২৭ মাৰ্চ ঃ** ৰাজ্যৰ অন্যতম অগ্ৰণী অনুষ্ঠান অসম ক্ৰীড়া-সাংস্কৃতিক উৎসৱ সমিতি ইতিমধ্যে ঘোষণা কৰা 2021-22 বৰ্ষৰ বঁটাসমুহ যোৱানিশা লৌহপুৰুষ প্ৰেমদা কান্ত শৰ্মাৰ 107 সংখ্যক জন্ম জয়ন্তী উপলক্ষে কুমাৰ ভাস্কৰ নাট্য মন্দিৰত হোৱা এক অনুষ্ঠানত প্ৰদান কৰে। উল্লেখ্য যে এইবাৰ শ্ৰেষ্ঠ ৰাষ্ট্ৰীয় ক্ৰীড়া সংগঠকৰ বঁটা দিয়া হয় পাঁচবাৰকৈ অলিম্পিকত ভাৰতীয় হকী দলৰ প্ৰয্যবেক্ষকৰূপে থকা হকী ইণ্ডিয়াৰ কোষাধ্যক্ষ তপন কুমাৰ দাসক। আনহাতে, অসম ক্ৰীড়া প্ৰাধিকৰণৰ উপাধ্যক্ষ লক্ষ্য কোঁৱৰ নিৰ্বাচিত হয় শ্ৰেষ্ঠ ক্ৰীড়া প্ৰশাসক ৰূপে। উল্লেখ্য যে অসমত প্ৰথমবাৰৰ বাবে ৰাজ্যিক ক্ৰীড়া আঁচনি ৰূপায়ন কৰাত অন্যতম ভূমিকা লৈছিল কোঁৱৰে। ইফালে, ক্ৰমাগত তিনিখন অলিম্পিকলৈ অসমৰ ক্ৰীড়াবিদ প্ৰেৰণ কৰি তথা অসমক প্ৰথম অলিম্পিক পদক দিয়াৰ গৌৰৱ অৰ্জা অসম বক্সিং সন্থাই লাভ কৰে শ্ৰেষ্ঠ ক্ৰীড়া সংগঠনৰ বঁটা। বৰ্ষাপাৰা ক্ৰিকেট ষ্টেডিয়াম নিৰ্মান কৰি অসম ক্ৰিকেটত দীৰ্ঘদিনীয়া অভাৱ পুৰন কৰা অসম ক্ৰিকেট সন্থাৰ প্ৰাক্তন সম্পাদক বিকাশ বৰুৱাক জীৱনযোৰা সাধনা বঁটা প্ৰদান কৰা হয়। আনহাতে ক্ৰীড়া সাংবাদিক পবিত্ৰ গগৈয়ে জীৱনজোৰা সাধনা বঁটা লাভ কৰে সাংবাদিকতাত। এইবাৰ সমিতিয়ে শ্ৰেষ্ঠ ৰাজ্যিক ক্ৰীড়া সংগঠক দিয়ে অসম টেনিছ সন্থাৰ সম্পাদক অংকুশ দত্তক। আনহাতে, শ্ৰেষ্ঠ ক্ৰীড়া প্ৰশিক্ষণ কেন্দ্ৰ ঃ ইগল মাৰ্চেল আৰ্টছ এণ্ড যোগা একাডেমী আৰু শ্ৰেষ্ঠ খেলুৱৈ ঃ নাজনীন জাফৰ (মহিলা টেনিছ)।

অসম চৰকাৰ

# পৰিবহণ বিভাগ

৩ দিন বাকী

## ৩১ মার্চ, ২০২২ ৰ

ভিতৰত আপোনাৰ বাহনৰ আদায় দিবলগীয়া পথ-কৰ পৰিশোধ কৰক।

আজিয়ে আপোনাৰ পথ-কৰ পৰিশোধ কৰক আৰু জৰিমনাৰ পৰা হাত সাৰক।

## পথ-কৰ পৰিশোধ নকৰিলে

- ১০,০০০/- টকা জৰিমনা ভৰিব লাগিব।
- নিৰ্দিষ্ট সময় উকলি যোৱাৰ পাছত প্ৰতি দিনৰ জৰিমনা ভৰিব লাগিব।
- বাহনখন জব্দ কৰা হ'ব।

বাণিজ্যিক বাহনৰ দিবলগীয়া বৰ্তমানৰ আৰু বকেয়া পথ-কৰ অনতিপলমে জমা কৰক।

ব্যক্তিগত বাহন ক্ৰয়ৰ সময়ত যিসকলে ৫ বছৰৰ পথ-কৰ পৰিশোধ কৰিছিল, তেওঁলোকে অৱশিষ্ট ১০ বছৰৰ পথ-কৰ পৰিশোধ কৰক। (পথ-কৰ ম্যাদ উকলাৰ তাৰিখ আপোনাৰ ৰেজিষ্ট্ৰেচন চাৰ্টিফিকেটত লিখা থাকে)

### বকেয়া কৰ পৰীক্ষা কৰা আৰু অনলাইনযোগে পৰিশোধ কৰাৰ পদ্ধতিসমূহ

- www.parivahan.gov.in ক্লিক কৰক
- Online services'ত ক্লিক কৰক আৰু ড্ৰপডাউন মেনুৰ পৰা "Vehicle related services" বাছনি কৰক আৰু পৰৱৰ্তী পৃষ্ঠাত "Assam" ক ৰাজ্য হিচাপে বাছনি কৰক।
- আপুনি আপোনাৰ বাহনৰ পঞ্জীয়ন নম্বৰ প্ৰবিষ্ট কৰাৰ পিছত "Proceed" ক্লিক কৰক। "Pay tax" ক্লিক কৰক আৰু পৰৱৰ্তী পৃষ্ঠাৰ বিৱৰণবোৰ পৰীক্ষা কৰক।
- অ'টিপি সৃষ্টি কৰিবলৈ ম'বাইল নম্বৰ প্ৰবিষ্ট কৰক। "Submit" ক্লিক কৰক।
- উল্লেখিত payment mode (ক্ৰেডিট / ডেবিট কাৰ্ড / ইণ্টাৰনেট বেংকিং / ইউ.পি.আই.)ৰ পৰা যিকোনো এটা বাছনি কৰক আৰু আপোনাৰ পথ-কৰ পৰিশোধ কৰক।

### পথ-কৰ পৰিশোধৰ আন পদ্ধতিসমূহ

- জিলা পৰিবহণ বিষয়াৰ কাৰ্যালয়ত PoS মেচিনৰ জৰিয়তে
- নিকটতম CSC (কমন চাৰ্ভিছ চেণ্টাৰ)ত

জৰিমনাৰ পৰা হাত সাৰিবলৈ আপোনাৰ ম্যাদ উকলা যান-বাহনৰ নথিপত্ৰ যেনে ফিটনেছ চাৰ্টিফিকেট, ড্ৰাইভিং লাইচেন্স ইত্যাদি অনতিপলমে নবীকৰণ কৰক।

জনসংযোগ/ডি/১৮২২৬/২১

@TransportAssam 9531107518